# প্ৰান্তিক

## অসমৰ গেছ সম্পদ

৬ষ্ঠ বছৰ ১৩শ সংখ্যা ১—১৫ জুন '৮৭



# অসমীয়া পুথিৰ নিৰীক্ষণ আৰু পৰ্যালোচনা

প্ৰত্যেক বছৰে প্ৰকাশিত সকলো অসমীয়া পুথিৰ নিৰীক্ষণ আৰু পৰ্যালোচনাৰ উদ্দেশ্যে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ উদ্যোগত এখন আছুতীয়া অসমীয়া আলোচনী প্ৰকাশ কৰাৰ প্ৰস্তুতি চলিছে। বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° শৈলধৰ গগৈয়ে ইতিমধ্যে আলোচনীখনৰ কাৰণে বছৰি কুৰি হাজাৰ টকাৰ পুঁজি অনুমোদন কৰিছে। ১৯৮৮ৰ আগভাগতে প্ৰথম সংখ্যা প্ৰকাশ পাবলগীয়া এই আলোচনীত ১৯৮৭ত প্ৰকাশিত সকলো ধৰণৰ অসমীয়া পুথিৰ বিষয়ে প্ৰণালীবদ্ধ বতৰাৰ উপৰিও যোগ্যানুসাৰে পুথিবোৰৰ বিতং পৰ্যালোচনাও থাকিব।

**"চিনাকি"** নামৰ এই আছুতীয়া আলোচনীৰ উদ্দেশ্য হ'ব পুথিৰ উচ্চ মানবিশিষ্ট নিৰীক্ষণৰ যোগেদি সকলো বিধ সমসাময়িক সাহিত্যৰ প্ৰতি পঢ়ুৱৈৰ বুদ্ধিদীপ্ত আৰু স্পৰ্শকাতৰ সহঁাৰি নিশ্চিত কৰি তুলিবৰ কাৰণে উপযুক্ত বৌদ্ধিক পৰিবেশ গঢ়ি তোলা। অসমীয়া সৃষ্টিশীল সাহিত্যৰ প্ৰতি পঢ়ুৱৈৰ আগ্ৰহ অধিক গভীৰ আৰু বহল কৰিবলৈ চেষ্টা কৰাৰ লগতে চিনাকিয়ে প্ৰকাশিত পুথিৰ দোষ গুণলৈ নৈৰ্ব্যক্তিক আৰু বস্তুনিষ্ঠভাবে দৃষ্টি আকৰ্ষণ কৰিব। আশা ৰখা হৈছে যে প্ৰথম সংখ্যাৰে পৰা এই আলোচনীত অসমীয়া সাহিত্যৰ সমসাময়িক বুৰঞ্জী বিৰতি নোহোৱাকৈ প্ৰতিফলিত হ'ব।

বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ ৰীডাৰ **ড° পোনা মহন্তই** অহা দুবছৰলৈ "চিনাকি"ৰ সম্পাদনাৰ দায়িত্ব লৈছে। বিভাগৰ প্ৰফেছাৰ আৰু মুৰব্বী ড°. **কবীন ফুকন** "চিনাকি"ৰ মুখ্য ব্যৱস্থাপক। মুখ্য ব্যৱস্থাপক আৰু সম্পাদক উভয়ে **১৯৮৭ত প্ৰকাশিত সকলো অসমীয়া পুথিৰ দুটা প্ৰতিলিপি বিনামূলীয়াকৈ** পঠাই অসমৰ লেখক, প্ৰকাশকসকলে আলোচনীখনৰ কামত হাত উজান দিব বুলি আশা ৰাখিছে। প্ৰত্যেকখন পুথিৰ প্ৰাপ্তি স্বীকাৰ কৰা হ'ব। সম্পাদনা সমিতিয়ে প্ৰাপ্ত পুথিবোৰৰ কাৰণে পৰ্যালোচক নিয়োগ কৰিব আৰু অনুমোদিত পুঁজিৰ পৰা পৰ্যালোচকক মাননি দিয়া হ'ব।

*'চিনাকি'*

**ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগ**
**ডিব্ৰুগড়—৭৮৬০০৪**

প্ৰান্তিক

৬ষ্ঠ বছৰ ১৩শ সংখ্যা ১—১৫ জুন '৮৭ | মুল্য চাৰি টকা

যোগাযোগৰ ঠিকনা : পোঃ শিলপুখুৰী, গুৱাহাটী-৭৮১০০৩

## অহা সংখ্যাত

ভাৰতৰ কোনো ঠাইত যৌতুক-সংক্ৰান্ত দুৰ্ঘটনাত কিছুমান মহিলাৰ মৃত্যু হৈছে কাৰণে, অসমতো মহিলা এগৰাকী দুৰ্ঘটনাত মৰিলেই নাৰী-নিৰ্যাতনৰ দৃষ্টিৰে হে দুৰ্ঘটনাটো চাবলৈ আৰম্ভ কৰিব লাগিব নেকি? নাৰী-নিৰ্যাতনৰ স্বৰূপটো কেনেকুৱা? পুৰুষ-নিৰ্যাতন বোলা ঘটনা এবিধ আছে নে নাই? সৰ্বসাধাৰণ মহিলাৰ পৰ্যায়ত নাৰী-প্ৰগতিৰ ধাৰণাটো কেনেকুৱা?

**কুসুম হাজৰিকাৰ** পৰ্যালোচনা : **নাৰী আৰু পুৰুষ : নিৰ্যাতন আৰু প্ৰগতি**

চাৰিওফালৰ পৰা এটা আপত্তি শুনা যায় যে অসমীয়া ভাষা সুন্দৰকৈ লিখিব, পঢ়িব আৰু উচ্চাৰণ কৰিবৰ শক্তি আমাৰ কমি আহিছে।...আটাইতকৈ দুখ কৰিবলগীয়া ঠাই হ'ল বিদ্যালয়-মহাবিদ্যালয়-বিশ্ববিদ্যালয়ৰ বিদ্যাৰ্থীসকলৰ ক্ষেত্ৰ।...আমি কাক জগৰীয়া কৰিম...?

**অসমীয়া ভাষা পৰিষ্কাৰকৈ লিখা আৰু কোৱা**

**ড° মহেশ্বৰ নেওগে** লিখা এলানি প্ৰবন্ধৰ আৰম্ভণি

**ড° শৈলেন ভৰালীৰ** প্ৰবন্ধ : **পৰীক্ষাৰ ফলাফল : অসমীয়া ভাষা সাহিত্যৰ দুৰ্গতি**

"ৰেমি" বা "ৰিহা"ৰ আঁহ ব্যৱহাৰ কৰি উন্নত দেশবোৰে আকৰ্ষণীয় আৰু দামী কাপোৰ তৈয়াৰ কৰিছে। ভাৰতৰ ভিতৰত অসমেই ৰেমি গছৰ খেতিৰ বাবে উৎকৃষ্টতম ৰাজ্য। অথচ এই দিশলৈ যথোপযুক্ত দৃষ্টি কোনেও দিয়া নাই।

**ড° ৰেজাউল কৰিম আৰু কমল কুমাৰ মেধিৰ** প্ৰবন্ধ : **অসমত ৰেমি আৰু বস্ত্ৰশিল্প**

**হোমিওপেথিয়ে কেনছাৰ ৰোগ ভাল কৰিব পাৰেনে?** ড° যোগেন্দ্ৰ নাথ মজুমদাৰৰ আলোচনা

## এই সংখ্যাত

ফিলিপাইনছৰ ৰাষ্ট্ৰপতি ক'ৰাজন একুইনোৱে য'লৈকে যায় দুখন কিতাপ লগত লৈ যায়; এখন বাইবেল আৰু আনখন মহাত্মা গান্ধীৰ লিখনিসমূহৰ উদ্ধৃতি থকা কিতাপ। ... তেওঁ এগৰাকী ধাৰ্মিক আৰু সৎমনোভাৱৰ লোক। ভগবানৰ স্তুতি-বন্দনা কৰিয়েই তেওঁ দেশৰ দুখ দূৰ কৰিব পাৰিব বুলি অনুভৱ কৰা যেন লাগে।

অলপতে ফিলিপাইনছ ভ্ৰমণ কৰি ঘূৰি অহা **কুলদীপ নায়াৰৰ** প্ৰবন্ধ :

**একুইনো : প্ৰাৰ্থনা আৰু আশাৰে** ।১১।

ইংৰাজী Mad শব্দটোৰ সাধাৰণ অৰ্থ আমি আটাইয়ে জানো। নিউক্লীয় যুদ্ধ বিষয়ক আলোচনাতো Mad শব্দটো ব্যৱহাৰ কৰা হয়। Mutually Assured Destruction (পাৰস্পৰিক ধ্বংসৰ প্ৰতিশ্ৰুতি!) বাক্যাংশৰ সংক্ষিপ্ত ৰূপ হ'ল MAD নিজৰ সৃষ্টিৰ দ্বাৰা নিজকে সম্পূৰ্ণভাৱে ধ্বংস কৰিব পাৰি—এই সত্যৰ বাস্তৱ কল্পনা আমি বহুতে অনুভৱ নকৰো। যদিও নিউক্লীয় ধ্বংসকাণ্ড, পৰৱৰ্তী দীঘলীয়া ৰাতি আৰু শীতকালে সমগ্ৰ জীৱজগতকে বিপদাপন্ন কৰিব পাৰে।

**নিউক্লীয় বিতৰ্ক—মেড : ড° কুলেন্দু পাঠক** ।১৩।

চৰকাৰৰ এক্কো-একোটা স্নায়ুকেন্দ্ৰ সদৃশ অফিছত মন কৰিব,—তাত কোনো পৰ্যায়ৰ চাকৰিয়ালৰেই অভাৱ নাই। পিয়নৰপৰা আৰম্ভ কৰি কেৰাণী, টাইপিষ্ট, ষ্টেন' বিভিন্ন পৰ্যায়ৰ আমোলা সকলোকে পাব। কিন্তু এজন নাগৰিকে কোনো এখন চিঠি কিম্বা আবেদন-পত্ৰৰ উত্তৰ নাপায়। তেওঁ অত্যন্ত সৰু প্ৰয়োজন এটাৰ বাবেও নলবাৰী, বৰপেটা, তেজপুৰ, শিৱসাগৰৰপৰা বাটকুৰি বাই আহিবই লাগিব,—এটা নগণ্য উত্তৰ বা সিদ্ধান্তৰ বাবে।

**ধীৰেন বেজবৰুৱাৰ** প্ৰবন্ধ :

**কৰ্মণ্যেৱাধিকাৰস্তে : নিষ্কাম কৰ্ম বনাম নিষ্কৰ্ম কাম** ।২৭।

পত্ৰালাপ ।৪। ঘটনা-প্ৰবাহ ।৯। কুলদীপ নায়াৰৰ প্ৰবন্ধ ।১১। নিউক্লীয় বিতৰ্ক—মেড ।১৩। অসমৰ গেছ সম্পদ ।১৯। মানাহৰ প্ৰমীলা, পূৰ্ণিমা অপহৰণ ।২৬। নিষ্কাম কৰ্ম বনাম নিষ্কৰ্ম কাম ।২৭। আলাঙ্কু ।২৯। বিহুৰ বতৰত ।৩২। দৈনন্দিন ।৩৪। উপন্যাস ।৩৫। কবিতা ।৩৯। গল্প ।৪০। কলা-সংস্কৃতি ।৪৫। ক্ৰীড়াংগন ।৪৭। শেষ পৃষ্ঠা ।৫০।

মুখ্য সম্পাদক : ড° ভবেন্দ্ৰনাথ শইকীয়া

নিবন্ধকাৰ : কুলদীপ নায়াৰ * বদন বৰুৱা * ড° নিৰোদ কুমাৰ বৰুৱা * পুলক লাহিড়ী * ড° দিলীপ কুমাৰ দত্ত * পূৰ্ণ বৰা * ড° কৃষ্ণগোপাল ভট্টাচাৰ্য * ড° সুনীল পৱন বৰুৱা * ড° কুলেন্দু পাঠক * গণেশ দাস * পৰাগ কুমাৰ দাস * দিলীপ কুমাৰ মহন্ত * ধীৰেন বেজবৰুৱা * সমুদ্ৰ গুপ্ত কাশ্যপ

সহকাৰী সম্পাদক : ইমৰান হুছেইন

অংগ সজ্জা : দেবানন্দ উলুপ, সীমান্তজ্যোতি বৰুৱা আলোকচিত্ৰ : দীপক বেজবৰুৱা

মুদ্ৰাংকন : ট্ৰিবিউন প্ৰেছ আৰু শৰাইঘাট অফছেট প্ৰেছ
প্ৰদীপ বৰুৱাৰ দ্বাৰা মুদ্ৰিত, প্ৰকাশিত আৰু সম্পাদিত

Prantik
The Assamese Fortnightly,

Vol VI No. 13. 1—15 June '87

P.O. Silpukhuri, Guwahati—781003 Phone : 28751

OKDISCD

# পত্ৰালাপ

## শংকৰদেৱ ঃ লেতেৰা মানুহৰ নেতা ?

গুৱাহাটী মহানগৰীৰ পৰা ফাঁচীবজাৰ, মাছখোৱা হৈ ভৰলুমুখলৈকে ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে এই বৃহৎ ঠাইছোৱাত থকা উদ্যানখনক "শ্ৰীমন্ত শংকৰদেৱ উদ্যান" নাম দিয়া হৈছে। অসমীয়া জাতিৰ সংকীৰ্ণতা, মলিনতা পৰিষ্কাৰ কৰি বৃহৎ অসমক ঐক্যৰ ৰান্ধোনেৰে ,বান্ধিবলৈ সক্ষম হোৱা মহাপুৰুষজনাৰ নামত কৰিবলৈ লোৱা এনে কাম প্ৰশংসনীয়। কিন্তু বৰ্তমানে সেই উদ্যানখনৰ ঠাইছোৱা গুৱাহাটী মহানগৰীৰ ভিতৰতে আটাইতকৈ অপৰিষ্কাৰ আৰু অস্বস্তিকৰ। ভৰলুমুখৰপৰা যাত্ৰীসকলে উশাহ-নিশাহ বন্ধ কৰি সেই উদ্যান পাৰ হ'বলগীয়া হয়। উদ্যানখনত বিভিন্ন ধৰণৰ লেতেৰা মানুহৰ অবাধ সমাবেশ ঘটে। কিছুমানে তাত স্থায়ীভাৱে বাস কৰিবলৈ লোৱাটোও আমাৰ দৃষ্টিত পৰিছে। বাছযাত্ৰী, পদযাত্ৰী আৰু বাহিৰৰপৰা গুৱাহাটী ভ্ৰমণ কৰিবলৈ অহা লোকে উদ্যানখনত সোমাবলৈ সংকোচ কৰে। তেওঁলোকে নিশ্চয় ভাবে যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ নিশ্চয় এনে কিছুমান মানুহৰে নেতা আছিল। তাত থকা মানুহবোৰ, মানুহবোৰৰ কামবোৰ দেখাৰ পাছত নজনা মানুহৰ তেনে ধাৰণা হোৱাই স্বাভাৱিক।

যি নহওক, আমাৰ আশা এয়ে যে পৌৰনিগম কৰ্তৃপক্ষই বিষয়টোত গুৰুত্ব সহকাৰে মনোনিবেশ কৰক। পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ ব্যৱস্থা কৰি সকলো ৰাইজে উদ্যানখনত প্ৰৱেশ কৰিব পৰা এটা পৰিবেশ গঢ়ি তোলক। যদি সেয়া কৰিব নোৱাৰি তেতিয়াহ'লে জাতিৰ জনকস্বৰূপ মহাপুৰুষজনাৰ নাম উদ্যানখনৰপৰা বিচ্ছিন্ন কৰক।

—বিমান কুমাৰ ভূঞা,
সম্পাদক সমাজসেৱা বিভাগ গুৱাহাটী বিশ্ববিদ্যালয়

## "অসমীয়া হোৱাটো বিশেষ যোগ্যতা নহয়"

উক্ত শিৰোনামাৰ ডুখন চিঠি আপোনাৰ আলোচনীত প'ঢ়ি মোৰো ব্যক্তিগত অভিজ্ঞতা কিছু প্ৰকাশ কৰাৰ মন গ'ল। অসমৰ বাহিৰত উচ্চ পদবীত অসমীয়া মানুহ যেনেকৈ নাই, তেনেকৈ ৰাষ্ট্ৰীয় মঞ্চত যোগ্যতাৰে আৰু সাহসেৰে কথা কোৱা অসমীয়া মানুহো নাই বুলিব লাগে। অলপতে কলিকাতাৰ চিত্তৰঞ্জন কেনছাৰ চিকিৎসালয়ত উত্তৰ-পুব ভাৰতৰ ৰাজ্যবোৰৰ কেনছাৰ সম্বন্ধীয় এখন ৰ্কশ্বপ হৈছিল। অসমৰ কোনোবা ডাক্তৰে অসমৰ কেনছাৰ সম্বন্ধীয় সমস্যাবোৰৰ বিষয়ে কিবা কব নেকি আগ্ৰহেৰে বাট চালো। ডিঙিৰ কেনছাৰ ভাৰতবৰ্ষৰ ভিতৰত অসমতেই হেনো বেছি! কিন্তু অসমৰ কোনো প্ৰতিনিধিকেই তাত নেদেখিলো। মণিপুৰৰ ডেকা ডাক্তৰ কেইবাজনেও সুন্দৰভাৱে তেওঁলোকৰ সমস্যাবোৰ ব্যাখ্যা কৰিলে। দুখৰ কথা, ভাৰতবৰ্ষৰ কেনছাৰ গৱেষণা কেন্দ্ৰৰ যিখন মানচিত্ৰ তাত প্ৰদৰ্শিত হৈছে তাত বি. বৰুৱা কেনছাৰ হস্পিটেলৰ উল্লেখ নাই। অকল এয়েই নহয়, চিকিৎসা সম্বন্ধীয় সৰ্বভাৰতীয় যিবোৰ অধিবেশন অসমৰ বাহিৰত হয়, তাত অসমীয়া ডাক্তৰসকলক মাত মতা প্ৰায় নেদেখোঁৱেই। এয়াও অসমীয়া লোকৰ প্ৰতি সৰ্বভাৰতীয় অৱহেলা নেকি ? ইয়াৰ বাবেও আসন সংৰক্ষণৰ ব্যৱস্থা ৰাখিব লাগিব নেকি ?

— ডঃ ভূপেশ শৰ্মা, পাচিঘাট

## ছাত্ৰসন্থা আৰু মদৰ মহল

যোৱা ৩ মাৰ্চ তাৰিখে সদৌ ডিব্ৰুগড় ছাত্ৰ সন্থাই, ডিব্ৰুগড়ত আন্দোলন বিৰোধী লোকে মদৰ মহল পোৱা বুলি প্ৰতিবাদ কৰি ১২ ঘণ্টীয়া ডিব্ৰুগড় বন্ধৰ আহ্বান জনায়। বন্ধৰ প্ৰতি সেইদিনা ডিব্ৰুগড়ৰ সকলো শ্ৰেণীৰ ৰাইজে সহাঁৰি জনাই বন্ধ সফল কৰি তোলে। এতিয়া আমাৰ প্ৰশ্ন হল, ছাত্ৰ সন্থাই ঘোষণা কৰা বাবেই, এনেধৰণৰ কাৰণত ঘোষণা কৰা আন্দোলনৰ কাৰ্যসূচীৰ প্ৰতি প্ৰকৃত চিন্তাশীল জনগণে নিৰৱে সমৰ্থন জনাই যোৱাটো উচিত হৈছেনে ? ডিব্ৰুগড় ছাত্ৰ সন্থাই আন্দোলন বিৰোধী লোকে মদৰ মহল পোৱা বুলি প্ৰতিবাদ কৰি বন্ধৰ আহ্বান নজনাই মদৰ মহলৰ বন্দবস্তিৰ ক্ষেত্ৰত প্ৰশাসনীয় দুৰ্নীতি চলিছে বুলি প্ৰতিবাদ কৰা হলেও আমি কিছু নিৰৱে থাকিব পাৰিলোহেঁতেন। আমি ভাবোঁ ছাত্ৰ সন্থাৰ দৰে এটা শক্তিশালী অনুষ্ঠান মদৰ মহলৰ বন্দবস্তিৰ দৰে বিষয়ৰ লগত জড়িত হোৱাতকৈ, ডিব্ৰুগড়ত মদৰ প্ৰচলন বেছি হৈছে, গতিকে ইয়াৰ প্ৰচলন বন্ধ কৰিব লাগে বুলি আন্দোলন কৰাটোহে উচিত আছিল। আমি সেইদিনা ডিব্ৰুগড়বাসী বিভিন্নজনৰ মতামত লৈ জানিব পাৰিছিলো যে ডিব্ৰুগড় ছাত্ৰ সন্থাই যিটো কাৰণত বন্ধ ঘোষণা কৰিছে, তাৰ প্ৰতি তেওঁলোকৰ নৈতিক সমৰ্থন নাই যদিও ছাত্ৰ সন্থাৰ আহবানৰ প্ৰতি সঁহাৰি জনাব লাগে বুলিয়েই তেওঁলোক নিৰৱে থাকিব লগা হৈছিল। বিভিন্নজন চিন্তাশীল ব্যক্তিৰ মতে মদৰ মহলৰ বন্দবস্তিৰ নিচিনা বিষয় যিহেতু সাধাৰণ শ্ৰেণী জনগণৰ লগত বৰ বেছি জড়িত নহয়, সেয়েহে ছাত্ৰ সন্থাৰ নিচিনা এটা সংগঠনে এনে কিছুমান বিষয়ত জড়িত হোৱাতকৈ সাধাৰণ জনগণৰ প্ৰকৃত সমস্যাৰাজিৰ লগত জড়িত হৈ জনগণক আগবঢ়াই নিলেহে ইমান দিনে ছাত্ৰ সন্থাৰ প্ৰতি অটুট থকা জনসমৰ্থন দীৰ্ঘস্থায়ী হ'ব। এইয়া আমাৰো মতামত।

—ৰবীন বৰুৱা, গনেশ দিহিঙীয়া,
ডিব্ৰুগড়

## এই চাদৰখন কিমানদিন যাব ?

বিহুৰ বজাৰ কৰিবলৈ ফাঁচীবজাৰলৈ গৈছিলো। চাদৰ-মেখেলা চাই থাকোঁতে হঠাত হাতীৰে সৈতে A.G.P. লিখা থকা (চাদৰৰ পাৰিটোত) এবিধ চাদৰ দেখি আচৰিত হ'লো। দামটো শুনি আৰু বেছি আচৰিত হ'লো।

আগৰ চৰকাৰবোৰৰ দিনত এনে চাদৰ দেখা মনত নপৰে দেখোন। এনেবোৰ কাণ্ডৰ দ্বাৰা ভাবমূৰ্ত্তি ম্লান হ'ব যেন লাগে। সেয়ে চাদৰখন লৈ A.G.P.-ভক্ত বুলি প্ৰমাণ কৰিবৰ মন নগল। আমাৰ (অসমীয়াৰ) সমস্ত সত্বাৰে জন্ম দিয়া A.G.P.ৰ হাতী দীৰ্ঘজীৱী হওক। পিছে চাদৰখনৰ বেলিকা মনলৈ প্ৰশ্ন আহিল,— এইখনৰ ম্যাদ কিমান দিন বা ? আহি থকা বছৰবোৰত চাদৰখন ল'ব পৰা অনুকূল পৰিবেশ থাকিব নে নাথাকে, তাকে ভাবি ভাবি আন বজাৰবোৰ কৰি আহিলো।

—দীপা ডেকা, গুৱাহাটী বিশ্ববিদ্যালয়

## এটা আবকাৰী কে'চ

১৮|১|৮৭ তাৰিখে হৈ যোৱা আবকাৰী বিভাগৰ সহকাৰী উপপৰিদৰ্শক পদৰ বাবে হোৱা পৰীক্ষাত সাধাৰণজ্ঞানৰ ৭ নং প্ৰশ্নটো আছিল,—সাহিত্য একাডেমি বঁটা লাভ কৰা অসমীয়া লিখকজনৰ নাম লিখা। এতিয়া কথা হ'ল সাহিত্য একাডেমি পুৰস্কাৰ দেখোন এতিয়ালৈকে ২৩ জনে পাইছে! গতিকে উত্তৰটোত কোনজনৰ নাম লিখিম ?

সাধাৰণজ্ঞান আৰু অসমীয়া দুয়োটা বিভাগতে বিহগী কবি কোন ? এই প্ৰশ্নটো সোধা হৈছে। একেটা প্ৰশ্ন দুটা বিভাগত (য'ত কাকত একেখনেই, মাথোন বিভাগবোৰহে বেলেগ) সন্নিবিষ্ট কৰা উচিত জানো ?

কিন্তু সাংঘাতিক কথাটো আছে ১০ নং প্ৰশ্নটোত। প্ৰশ্নটো হ'ল :

তলৰ আয়তাকাৰ পথাৰখনৰ কালি উলিওৱা—

৫ বিঘা ২ কঠা ৯ লেচা আৰু ২ বিঘা ২ কঠা ৮ লেচা (5 Bighas 2 Kathas 9 Lecha by 2 Bighas 2 Kathas 8 Lecha।

বিঘা, কঠা আৰু লেচা নিজেই কালিৰ একক। আয়তাকাৰ পথাৰৰ কালি উলিয়াবলৈ হ'লে দীঘ আৰু প্ৰস্থহে দিয়া উচিত!

এনেকুৱা প্ৰশ্ন কাকতেৰে পৰীক্ষা লৈ প্ৰাৰ্থী বছা হ'ব ? সেই প্ৰাৰ্থী আবকাৰী বিভাগৰ সহকাৰী উপ-পৰিদৰ্শক হ'ব ?

—মঃ আব্দুল ৰ'ফ,
জে. বি. ৰোড, যোৰহাট

## "এদেও দুদেও···"সম্পৰ্কে

দৈনন্দিন শিতানত প্ৰকাশিত মোৰ লেখা "এদেও দুদেও ···"(১৬|৪|৮৭) সম্পৰ্কে শ্ৰীৰবীন্দ্ৰ নাথ পাৰমেই লিখা (১৬|৫|৮৭) চিঠিখন পঢ়িলা। শ্ৰীপাৰমেই চিঠিখনত উল্লেখ নকৰিলেও মই প্ৰথমেই উল্লেখ কৰি লওঁ যে পাৰমে মোৰ এজন বৰ অন্তৰংগ বন্ধু (আছিল)। মোৰ লেখাটোৰ কাহিনীৰ বিষয়ে পাৰমেৰ কবলৈ একো নাই ; মোৰো নাই বাৰু। ঘটনা আৰু কাহিনী সম্পূৰ্ণৰূপে কাল্পনিক বুলি ঘোষণা কৰিলো। নাম-ধামৰ ক্ষেত্ৰত থকা সাদৃশ্য কিছু পৰিমাণে মোৰ (লগতে পাৰমেৰো ?) ইচ্ছাকৃত। মই মোৰ লেখাটোৰ মাজেৰে এজন সৎ, নিষ্ঠাবান যুবকৰ চিত্ৰ অংকন কৰিব খুজিছিলো। সেই সৎ চৰিত্ৰটোৰ নামকৰণ কৰিবৰ সময়ত বন্ধুজনৰ কথাই প্ৰথমে মনলৈ অহাত— তেনে নাম এটাকে ব্যৱহাৰ কৰিলো। এই সাদৃশ্যই মোৰ বন্ধুজনৰ মনত আমোদ আৰু আনন্দ দিব বুলি ভাবিছিলো। আন অসৎ উদ্দ্যেশ্য মোৰ একো নাছিল। এতিয়া মই দ্বাৰ্থহীনভাৱে স্বীকাৰ কৰিছোঁ— মই ভুলকৈ ভাবিছিলো ; মোৰ ভুল হৈছিল। মোৰ হাঁহি আৰু আনন্দক নিজৰ হাঁহি আৰু আনন্দ বুলি লোৱা মোৰ বন্ধুজনৰ অন্তৰত মোৰ লেখাই মনোকষ্ট দিছে বুলি জানি ময়ো অন্তৰত বৰ দুখ পাইছোঁ।

পাঠকৰ জ্ঞাতাৰ্থে জনাওঁ,— মোৰ "এদেও দুদেও···" নামৰ লেখাটো প্ৰান্তিকলৈ পঠোৱাৰ আগতে, মোৰ নিজৰ ঘৰত বহুৱাই বন্ধু পাৰমেক সেই লেখাৰ প্ৰতিটো শাৰী, প্ৰতিটো শব্দ পঢ়িবলৈ দিছিলো। পঠোৱাৰ পাছত মই লেখাটো পঠালোনে নাই, নাম-ধাম সলালোনেকি আদি সুধি পাৰমেই নিশ্চিত হৈ লৈছিল। তেখেতে তেতিয়াই যদি এতিয়াৰ আধাৰো আধা প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলেহেঁতেন! লেখাটোৰ কিবাকিবি সলনি কৰাবলৈ বন্ধুজনৰ প্ৰত্যক্ষ আৰু পৰোক্ষ, কেইবাটাও সুবিধা আছিল। সময়মতে তেখেতে সেই সুবিধা নোলোৱাৰ কাৰণে তেখেতেও দুখ পালে, ময়ো দুখ পালো।

আৰু এটা কথা, মোৰ লেখাটো প্ৰান্তিকলৈ পঠোৱাৰ আগতে পাৰমেক পঢ়িবলৈ দিছিলো। কিন্তু মোৰ বন্ধুজনে মোক তাচ্ছিল্য কৰি লিখা চিঠিখন মোক পঢ়িবলৈ নিদিলে! আনকি, চিঠি এখন পঠাইছোঁ বুলিও জানিবলৈ নিদিলে। সি যিকি নহওক, বন্ধুজনক আমোদ আৰু আনন্দ দিবলৈ গৈ মই অনিচ্ছাকৃতভাৱে তেখেতক মনোকষ্ট দিলো,— তেখেতে ইচ্ছাকৰি সেইখিনি মোক সুদে-মূলে ওভোতাই দিলে।

—যোগেশ্বৰ বৰা, বিশ্বনাথ চাৰিআলি

## ভেলোৰত অসাধু এজেন্ট

ভেলোৰলৈ প্ৰতি সপ্তাহতে অসমৰপৰা বহুতো ৰোগী চিকিৎসাৰ কাৰণে যায়। ৰোগীৰ লগত দুই-এজন মানুহ যাবলগা হয়। ভেলোৰৰ ওচৰত থকা ৰেল ষ্টেছন কালাপাটি। ভেলোৰত নমাৰ পাছত ৰোগীৰ লগত যোৱা যাত্ৰী এটা বিশেষ প্ৰতিষ্ঠানৰ প্ৰতি সহজে আকৃষ্ট হয়। ৰেলৰ টিকট কিনি আসন সংৰক্ষণ কৰাৰ ব্যৱস্থা তেওঁলোকে কৰি দিবলৈ প্ৰতিশ্ৰুতি দি অসমৰ যাত্ৰীক যথেষ্ট অসুবিধাত পেলোৱা বুলি যোৱা ২-১-৮৭ তাৰিখে ট্ৰিবান্দ্ৰম এক্সপ্ৰেছত আহোঁতে কেইবাজনো যাত্ৰীয়ে মোৰ আগত দুখ প্ৰকাশ কৰিলে। তেওঁলোকৰ কাৰ্যপন্থা এনেধৰণৰ : প্ৰতিটো টিকটৰ বাবে ৮০ টকা ছাৰ্ভিছ চাৰ্জ, ভেলোৰৰপৰা কালাপাটিলৈ গৈ টিকট কৰিবলৈ টেক্সি ভাড়া, কালাপাটিৰ পৰা গুৱাহাটীলৈ বা অসমৰ অন্যান্য ঠাইলৈ টিকটৰ ভাড়া তেওঁলোকে অগ্ৰিম হিচাপে লয়। ৰেলৰ নিৰ্দিষ্ট সময়ৰ আগতে টিকট কেইটা দি আসন সংৰক্ষণ হৈ গৈছে বুলি তেওঁলোকে যাত্ৰীসকলক পঠিয়াই দিয়ে। কেতিয়াবা তেওঁলোক লগতে মাদ্ৰাজলৈও আহে। মাদ্ৰাজ ৰেলষ্টেছনতে আমি সংৰক্ষৰ কাগজ আনোগৈ বুলি গৈ মানুহজন নোহোৱা হয়। কেতিয়াবা তেওঁলোকে দিয়া সংৰক্ষণৰ কাগজ-পাতি ভুৱা বুলি টিকট পৰীক্ষকে ধৰা পেলায়। আপোনাৰ আলোচনীৰ জৰিয়তে ভেলোৰলৈ যোৱা সকলো যাত্ৰীকে এই এজেন্টসকলৰ ক্ষেত্ৰত সাৱধান হ'বলৈ অনুৰোধ কৰিলো।

অসমৰ পৰ্যটন বিভাগে অসমৰ ৰোগী আৰু যাত্ৰীসকলৰ টিকট সংৰক্ষণ আৰু অন্যান্য ব্যৱস্থা কৰিবলৈ ভেলোৰত এটা পৰ্যটন সেৱা আগবঢ়োৱা কাৰ্যালয় স্থাপন কৰিব লাগে। ৰোগী আৰু লগৰীয়া যাত্ৰীক সহায় কৰিবলৈ আৰু বিপদৰপৰা ৰক্ষা কৰিবলৈ এইটো এটা উপযুক্ত ব্যৱস্থা হ'ব। যি সকল যাত্ৰীয়ে এনে দুৰৱস্থাত পৰিছে তেখেত সকলে পোনপটীয়াকৈ মন্ত্ৰাসকললৈ এইবোৰ জনোৱা উচিত।

—ডঃ পবিত্ৰ কুমাৰ শৰ্মা,
গুৱাহাটী বিশ্ববিদ্যালয়

## হলো উঠিল টকো গছত

অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগম লিমিটেডৰদ্বাৰা প্ৰকাশিত শিশুপাঠ্য 'কুঁহি পাঠ' প্ৰথম ভাগত এখন চিত্ৰসহ এষাৰি কথা আছে। ইয়াত গছ এজোপাত ওপৰলৈ উঠি যোৱা বান্দৰ এটাৰ চিত্ৰ এখন দি লিখা আছে —'হলো উঠিল টকো গছত লগাই খদো মদো, জো জো কৰি নিয়ৰ সৰিল হ'ল জলো জপো'। হলো জাতীয় বান্দৰ নেদেখা ল'ৰা ছোৱালীয়ে হলো এনেকুৱাই বুলি ভাবি আছে। প্ৰকৃততে চিত্ৰত দেখুউৱাৰ নিচিনাকৈ হলোৱে গছত উঠিব নোৱাৰে। হাত পাকৈত এই জন্তুৱে হাত দুখনেৰে গছৰ ডালত (হেলো হেচো কৰি) ওলমিহে ফুৰে। ই টকৌ গছত উঠি খদো মদো লগোৱাটোও অসম্ভৱ। আকৌ, টকৌ গছৰপৰা কেতিয়াও জো জো কৈ নিয়ৰ নপৰে আৰু হলোৰ মিহি নোমাল গাটোও নিয়ৰত তিতি জলো জপো হব নোৱাৰে। মুঠতে এই গোটেই কথাখিনিয়েই বাস্তৱ ক্ষেত্ৰত অসম্ভৱ। অথচ এই কথাখিনিয়ে ল'ৰা-ছোৱালীবিলাকৰ বাবে আটাইতকৈ মনোগ্ৰাহী।

—প্ৰতাপ হাজৰিকা,
লক্ষী বাণী মন্দিৰ, দুলীয়াজান

## মোমাইকটা গড়

'মোমাইকটা গড়'ৰ অৱস্থা আজি পুতৌ লগা। আমাৰ কথা হ'ল,— যেনেকৈ আমিনগাঁৱত চিলাৰায়ৰ মূৰ্ত্তি স্থাপন কৰি তেওঁৰ স্মৃতি যুগমীয়া কৰা হৈছে, তেনেকৈ লাচিত বৰফুকনৰো মূৰ্ত্তি এটা স্থাপন কৰিব লাগে। তাৰ বাবে আমি জালুকবাৰীৰ ছোৱালী হাইস্কুলৰ সন্মুখখিনিয়েই উপযুক্ত ঠাই বুলি ভাবোঁ। কিয়নো মোমাইকটা গড়টো বৰ্ত্তমান যিদৰে একশ্ৰেণীৰ লোকে ধ্বংস কৰিছে তালৈ চাই আৰু কেইবছৰমানৰ পাছত গড়টোৰ অস্তিত্বই নাইকিয়া হ'বগৈ। গতিকে তাতে বৰফুকনৰ এটি মূৰ্ত্তি স্থাপন কৰিলে সেই কামটো এইজনা বীৰৰ স্মৃতি ৰক্ষাত সহায়ক হ'ব বুলি আমাৰ ধাৰণা।

—লক্ষীনন্দন কাটকী,
দ'লহাট, উ. লক্ষীমপুৰ





OKDISCD

## এওঁলোক কোন বাৰু ?

যোৱা ২৯।২।৮৬ তাৰিখে দুপৰীয়া আমি ভাত খাবলৈ বহিছোঁ। তেনেতে আমাৰ ঘৰলৈ এজন প্ৰায় ১৬-১৭ বছৰীয়া ল'ৰা আহিল। আমি আটায়ে বাহিৰলৈ ওলাই আহিলো। ল'ৰাজনে মোনাৰ পৰা এখন কাগজ উলিয়াই দিলে। "এওঁৰ ঘৰৰ সকলোৰে জিভা কটা। এওঁৰো জিভা কটা। দেউতাক নাই। গতিকে এই দুৰ্ভগীয়া ল'ৰা-ছোৱালী কেইটাৰ কাৰণে আপোনালোকৰ পৰা ১০ টকা বা ৫ টকা দান বিচৰা হৈছে।" কাগজখনৰ ওপৰৰ চুকত ৰাষ্ট্ৰীয় প্ৰতীকটো ছপা কৰা আছে। তাৰ পাছত ল'ৰাজনে এখন বহী উলিয়াই দিলে। তাত চহী কৰি আমি পইচা দিব লাগে। মই ল'ৰা জনক দুটকা উলিয়াই দিলো। তেওঁ লবলৈ অমান্তি হ'ল। তেওঁ কাগজখনৰ ১০ টকা ৫ টকা লিখা ঠাইলৈ আঙুলিয়াই দিছে। অৰ্থাৎ তেওঁ দাবী কৰিছে— তেওঁক ৫ টকা বা ১০ টকা দিব লাগে, নাইবা বেছি দিব লাগে। তাতকৈ কম দিলে নলয়। ওচৰৰ মানুহৰ ঘৰলৈ গৈ শুনিলো তেওঁলোকেও ২ টকা, ৩ টকা দিছিল, কিন্তু তেওঁ ন'ললে।

আজিকালি অসমত এনেকুৱা লোকৰ সংখ্যা বৃদ্ধি পাইছে। এওঁলোক প্ৰকৃততে কোন বাৰু ? —মিণ্টু কুমাৰ হাজৰিকা, কেন্দুগুৰি, যোৰহাট

## নিজৰ ঠাইৰ নামত অহংকাৰ

কেইদিনমান আগেয়ে মই গুৱাহাটীৰপৰা ঘৰলৈ বেচৰকাৰী বাছত গৈ আছিলো। ৰঙিয়াত বোৱাৰ লগে-লগে এজাক স্নুমথিৰা বেপাৰীয়ে বাছখন আগুৰি ধৰিলে আৰু বাছৰ বন্ধ হৈ থকা খিৰিকিবোৰ বাহিৰৰ পৰা থপৰিয়াই খুলি চিঞৰিবলৈ ধৰিলে— "এ কমলা, এ কমলা"! ঠিক তেনেতে দেখিবলৈ পালো, বাছৰ ভিতৰত বহি থকা যাত্ৰী এজনে "উহ উহ" কৈ সোঁ হাতখন পিহিবলৈ ধৰিলে। মই বুজি পালো যে বাহিৰৰপৰা হঠাৎ খিৰিকিখন খুলি দিয়াত হাঁতোৰাডাল যাত্ৰীজনৰ হাততে লাগিল। যাত্ৰীজনে বেপাৰীজনক ক'লে, —"হেৰ খিৰিকিখন এনেকৈ কিয় খুলিছ ? বেপাৰ কৰ ভালকৈ কৰিবি"। মানুহজনে কবলৈহে পালে, বেপাৰীজনে (বয়স ৩২ মান হ'ব) লগে লগে কৈ উঠিল, "কি হ'ল ? তই মৰিলি নেকি ? ভালকৈ কথা কবি। তোৰ বাপেৰৰ বাছ নেকি ? ৰঙিয়াৰ মানুহ চিনা নাই ? আহ, নামি আহ ছালা কুকুৰ।" লগতে মাক-ভনীয়েকক ধৰি অশ্লীল গালি। বেপাৰীজন ইমানতে ক্ষান্ত নাথাকিল। বাছখন যেতিয়া পুনৰ চলিবলৈ ধৰিলে, তেতিয়া বেপাৰীজনে দৌৰি আহি যাত্ৰীজনৰ গাত্ৰৈল থু এথেপা মাৰি দিলে। যাত্ৰীজন কিন্তু তেতিয়াও নিৰৱেই থাকিল।

ৰঙিয়াৰ নাম জ্বলোৱা এই বেপাৰীবোৰক কোনে শুধৰাব ? চৰকাৰে ? নে ৰঙিয়াবাসী ৰাইজে ? বেপাৰীজনে যদি "ৰঙিয়াৰ মানুহ চিনা নাই ?" —বুলি গৰ্ব নকৰিলেহেঁতেন, তেতিয়া হয়তো কথাটো বেলেগ হ'লহেঁতেন। —শৈলেন শৰ্মা, পাটাছাৰকুছি

## ভেদাভেদ পৰিহৰি

আজিকালি বয়সৰ সৰু ডাঙৰৰ প্ৰভেদটো যেন ক্ৰমে নাইকিয়া হৈ আহিছে। আগৰ দিনত কলেজত পঢ়া ল'ৰাক হাইস্কুলত পঢ়া ল'ৰাই সন্মান কৰিছিল আৰু ভয়ো কৰিছিল। কিন্তু আজি-কালি দেখা যায়,— হাইস্কুলত পঢ়া ল'ৰা আৰু কলেজত পঢ়া লৰাই একেলগে ছিগাৰেট খায়, ছোৱালী জোকায়। কিয় এনে হৈছে ? ডাঙৰে সৰুক লাই নিদিলে সৰুৱে সাহ কৰিবনে ? ককায়েকে ভাল কাম কৰিলে ভায়েকেও নিশ্চয় ভাল কাম কৰিবলৈ যত্ন কৰিব। আৰু আজি-কালি প্ৰায়বিলাক অভিভাৱকেই লৰা-ছোৱালীৰ নৈতিক চৰিত্ৰৰ ওপৰত বেছি গুৰুত্ব নিদিয়ে যেন লাগে। পঢ়াত চোকা হলেই সকলো ফালে হ'ব বুলি ধৰি লয়। কিন্তু নৈতিক চৰিত্ৰ অবিহনে এজন ছাত্ৰ বা এজনী ছাত্ৰীয়ে ভৱিষ্যতে সৰ্বাংগীন উন্নতি কৰিব নোৱাৰে। —সুশীল বৰা, উত্তৰ লক্ষীমপুৰ মহাবিদ্যালয় উ. লক্ষীমপুৰ

## হায়দৰাবাদৰ ফুটপাথত অসমীয়া গ্ৰন্থ

সাধাৰণতে হায়দৰাবাদ চহৰৰ ফুটপাথত কিছুমান অতি পুৰণি কিতাপ বিক্ৰি কৰা হয়। এইটো এচাম মানুহৰ ব্যৱসায়। সেই কিতাপবোৰৰ মাজত অসমীয়া ভাষাৰ উপন্যাসো পোৱা যায় আৰু পাৰ্যমানে অসমীয়া ভাষাৰ কিতাপ কেইখন আমি কিনি আনো। এনেকৈ কিতাপ বিচাৰোঁতে এদিন কিতাপবোৰৰ মাজত অসমীয়া ভাষাৰ দুখন অতি মূল্যবান গ্ৰন্থ পৰিথকা দেখা পাওঁ। গ্ৰন্থ দুখনৰ নাম হ'ল "শংকৰদেৱ" (লেখক ডিম্বেশ্বৰ নেওগ) আৰু "জ্যোতিপ্ৰসাদ ৰচনাৱলী" (১৯৮১ চনত অসম প্ৰকাশন পৰিষদৰ দ্বাৰা প্ৰকাশিত ; মূল্য প্ৰতিখনে ষাঠি টকা)। মই মোৰ দুজন বন্ধুৰে লগ লাগি মুঠতে ৫খন গ্ৰন্থ কিনি আনো আৰু বাকী থকা অসমীয়া ভাষাৰ সেই একেনামৰ গ্ৰন্থকেইখন পাছত কিনিম বুলি সংৰক্ষণ কৰিথবলৈ বেপাৰীজনক কওঁ। বেপাৰীজনক মই সুধিলো,—তেওঁলোকে এই গ্ৰন্থবোৰ ক'ৰ পৰা পায় ? তেতিয়া বেপাৰীজনে ক'লে যে অসমৰ কিছুমান কিতাপ বিক্ৰেতাই তেওঁলোকক এইবোৰ কিতাপৰ যোগান ধৰে। —অৰবিন্দ কলিতা, অন্ধ্ৰপ্ৰদেশ কৃষি বিশ্ববিদ্যালয়, ৰাজেন্দ্ৰনগৰ, হায়দৰাবাদ-৩০

## ছপাশাল, পাঠ্যপুথি আৰু প্ৰশ্নকাকত

শ্ৰীললিত চন্দ্ৰ সভাপণ্ডিতৰ "ছপাশাল, পাঠ্যপুথি আৰু প্ৰশ্নকাকত" শীৰ্ষক চিঠিখনি (১৬।২।৮৭) সময়োপযোগী হৈছে।

যোৱা ১৯-১-৮৭ তাৰিখৰপৰা ২৩-১-৮৭ তাৰিখলৈ অসম নিম্ন বুনিয়াদী বৃত্তি পৰীক্ষা অনুষ্ঠিত হৈ যায়। উক্ত পৰীক্ষাৰ বাবে ছপা কৰা প্ৰশ্ন কাকতসমূহৰ বানান বিভ্ৰাট, বাক্য গাঁথনি লক্ষ্য কৰিবলগীয়া।

"কিতাপ এখন অঁকা" "কচুপাত এটা অঁকা" "এটা ধতুৰা ফুল অঁকা" ইত্যাদি প্ৰশ্নসমূহ লক্ষণীয়। হোৱা উচিত আছিল— আঁকা ; এটাৰ সলনি এপাহ।

এনেধৰণৰ প্ৰশ্নকাকতৰ দ্বাৰা কোমলমতীয়া ছাত্ৰ-ছাত্ৰীৰ অনিষ্ট সাধন কৰা হৈছে। —ভৰত সন্দিকৈ, ঢকুৱাখানা

## আখৰ মচিলে কি হ'ব ?

অলপতে দুলীয়াজানলৈ গৈছিলো। তাত দেখিলো,—মূল পথৰ দুয়োকাষে থকা অসমীয়া, হিন্দী আৰু ইংৰাজী তিনিওটা ভাষাতে লিখা জাননী ফলকবোৰত কোনোবাই (অসমীয়া ভাষা প্ৰেমী ?) হিন্দী আৰু ইংৰাজী আখৰবোৰ মচি দিছে। এনে কৰাৰ কাৰণ নুবুজিলো। আমি অসমীয়া হোৱাৰ লগতে ভাৰতীয়ও। গতিকে ৰাষ্ট্ৰভাষা হিচাপে হিন্দী আমাক পদে-পদে লাগিবই। আৰু ইংৰাজী হৈছে গোটেই বিশ্বতে বহুলভাৱে ব্যৱহৃত ভাষা। এই ভাষাৰ গুৰুত্ব নুবুজাটো মূৰ্খামিহে মাথোন। যদিহে জাননী ফলকত অসমীয়া ভাষাটো নাথাকিলহেঁতেন, তেতিয়া কথাটো বেলেগ হ'লহেঁতেন। যিহেতু অসমীয়া ভাষাতো কথাখিনি লিখা আছে, গতিকে এনে কৰা অযুক্তিকৰ। যিজনে এই কাম কৰিছে তেওঁক আকৌ জাননী ফলকখন আগৰ দৰে কৰি দিবলৈ অনুৰোধ কৰিলো। —দিলীপ ডেকা, ডিব্ৰুগড়



## চৰকাৰী পুখুৰীৰ দুৰৱস্থা

দৰংজিলাৰ মঙলদৈ মহকুমাৰ ভকতপাৰাৰ নিচেই ওচৰতে থকা চৰকাৰী "অভয় পুখুৰী"টোৰ মাটি প্ৰায় ১০০ বিঘা মান হব। আজি কেইবছৰমান আগৰে পৰা কিছুমান ন-পমুৱাই পুখুৰীটোৰ মাটি দখল কৰি আছে। দিনক-দিনে পুখুৰীটোৰ অৱস্থা একেবাৰে বেয়ালৈ গৈছে। উক্ত এলেকাৰ বিধায়কক এই সম্পৰ্কে জনোৱা হৈছিল। তেওঁ কি পন্থা হাতত ললে জনা নগ'ল। বৰ্তমান জানিব পাৰিছো যে অসম চৰকাৰে বেদখলকাৰীক উচ্ছেদ কৰিবলৈ নতুন এখন আইন প্ৰণয়ন কৰিছে। নতুন আইনৰ জৰিয়তে উল্লিখিত পুখুৰীটোৰ মাটি বেদখলকাৰীক অনতিপলমে উচ্ছেদ কৰিবলৈ চৰকাৰক অনুৰোধ কৰিলো। —এম. ফাৰুক হাজৰিকা মঙলদৈ মহাবিদ্যালয়

## শ্বহীদ বেদী

বৰ্তমান অসমৰ বিভিন্ন স্কুল কলেজ বা ৰাজহুৱা স্থানত নানা আকৃতিৰ শ্বহীদ বেদী সজা দেখা গৈছে। এইবোৰ সজোৱাত যি ধন ব্যয় হৈছে সেই ধন ৰাইজ বা স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীৰ দান-বৰঙণিৰ জৰিয়তে সংগ্ৰহ কৰা হৈছে। বৰ্তমান কোনো উৎসৱ বা অনুষ্ঠান আদি হ'লেই সেইবোৰত চাকি ধূপ জ্বলাই, ফুল দি শ্বহীদ সকলৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। এইবোৰত শ্বহীদ সকলৰ কোনো নাম ধাম আদি পোৱা নাযায়। ভৱিষ্যতে ইয়াৰে কিছুমান হয়তো পৰিচৰ্যাৰ অভাৱত পেলনীয়া বস্তুত পৰিণত হব। তেতিয়া এইবোৰৰ দ্বাৰা শ্বহীদ সকলক অসন্মান কৰাহে হব। এনেকৈ য'তে-ত'তে নকৰি যদি জিলা ভিত্তিত একোটাকৈ বা গোটেই ৰাজ্যখনৰ ভিতৰত এটা শ্বহীদ বেদী নিৰ্মাণ কৰি তাত শ্বহীদসকলৰ সম্পূৰ্ণ তালিকা এখন খোদিত কৰা হ'লহেঁতেন তেনেহলে শ্বহীদসকলৰ স্মৃতি জীয়াই ৰখাৰ লগতে পৰ্যটকৰ বাবে এটা আকৰ্ষণীয় বস্তুৰ সৃষ্টি কৰা হ'লহেঁতেন। —সমীৰ গোস্বামী, মাজদিয়া, নলবাৰী

## ভ্ৰাম্যমান আৰু ব্যৱসায়িক থিয়েটাৰৰ জন্মদাতা

মৰিয়নী মহাবিদ্যালয়ৰ ম. মইনুদ্দিন আলিয়ে ভ্ৰাম্যমান আৰু ব্যৱসায়িক থিয়েটাৰৰ জন্মদাতা কোন জানিব খুজিছে। (১।১১।৮৬)। যাত্ৰাপাৰ্টি আৰু থিয়েটাৰৰ পাৰ্থক্য আছে। তেখেতে উল্লেখ কৰা বৰপেটাৰ তিথিৰাম বায়নে ১৮৬০ চনত গঠন কৰা নাট্যদলটো যাত্ৰাপাৰ্টিহে আছিল ; থিয়েটাৰ পাৰ্টি নাছিল। যাত্ৰাপাৰ্টিবোৰ সেই সময়ত সাধাৰণতে ব্যৱসায়ী আছিল। উনবিংশ শতিকাত আনকি বিংশ শতিকাৰ দ্বিতীয় দশকলৈকে ব্যৱসায়িক ভিত্তিত কোনো থিয়েটাৰ পাৰ্টি নাছিল।

আমি জনামতে পাঠশালা নাট্য সমিতিয়ে ১৯২৩ চনত সৰ্ব প্ৰথম ভ্ৰাম্যমান থিয়েটাৰ পাৰ্টি হিচাপে জন্মলাভ কৰে। তেওঁলোকৰ মঞ্চোপযোগী নিজা সা সঁজুলি আছিল। কামৰূপৰ বিভিন্ন ঠাইত অভিনয় কৰি এই দলটোৱে যশস্যা অৰ্জন কৰিছিল। তাৰ কেইবা বছৰৰো পাছত, ১৯৩০ চনত স্বৰ্গীয় ব্ৰজনাথ শৰ্মাই 'কহিনুৰ অপেৰা' খোলে। ইয়াৰ পূৰ্বে তেওঁ প্ৰযোজনা কৰা 'শিলা কালিকা অপেৰা' যাত্ৰাৰ দলহে আছিল। কহিনুৰ অপেৰাই ব্যৱসায়ী ভিত্তিত থিয়েটাৰ কৰিছিল ; কিন্তু তেওঁলোকৰ নিজা মঞ্চ নাছিল ; আনৰ মঞ্চত অভিনয় কৰিছিল।

পাঠশালা নাট্য সমিতি অসমৰ ব্যৱসায়ী তথা ভ্ৰাম্যমান প্ৰথম থিয়েটাৰ পাৰ্টি। —মুনীন্দ্ৰনাথ শৰ্মা, পাঠশালা

## খৃষ্টমাছৰ মাছ

প্ৰান্তিকত প্ৰকাশিত "চ'ত বহাগৰ মাছ" শীৰ্ষক চিঠিখন পঢ়ি দুটামান কথা লিখাৰ আগ্ৰহ হ'ল। কাৰবি আংলং জিলাৰ নীলিপ উন্নয়ন খণ্ডতে কালিয়ণী নামৰ নদীখন অৱস্থিত। কেৱল শিলেৰে বাম হৈ পৰা খৰস্ৰোতা এই পাহাৰী নদীখনত প্ৰচুৰ পৰিমাণে শিলঘৰীয়া, পিঠিয়া আদি মাছ পোৱা যায়। প্ৰতিবছৰে নৱেম্বৰ-ডিচেম্বৰ মাহত এই নদীত মাছ-নিধন-পৰ্ব পুৰামাত্ৰাই চলে। বিশেষকৈ এক্সমাছৰ সময়ত নগাৰাজ্যৰপৰা বহুতো নগালোকে জীপে-জীপে আহি উক্ত নদীৰ মুখত গেমাক্‌ছিন, এনাড্ৰিন আদি বিষাক্ত ৰাসায়নিক দ্ৰব্য দিয়াৰ ফলত অগণন মাছ মৃত্যুৰ মুখত পৰে। খবৰ লৈ জানিবপৰা গ'ল যে খৃষ্টমাছৰ সময়ত নগালোক আহি মাছ চিকাৰৰ প্ৰমোদ-বিহাৰ কৰে। নদীখনত বিষাক্ত ৰাসায়নিক ঔষধ দি নদীৰ নামনিভাগত বস্তাই-বস্তাই মাছ সংগ্ৰহ কৰি জীপেৰে কঢ়িয়াব পৰাখিনি লৈ যায়। মাছ ইমানেই মৰে যে বাকী মাছখিনি নদীত গা ধুবলৈ যোৱা প্ৰতিজন মানুহেই কম আয়াসতে দহ-বাৰটাকৈ সংগ্ৰহ কৰি আনিব পাৰে। বনবিভাগে এই মাছ হত্যা ৰোধ কৰিব নোৱৰাৰ কাৰণ সম্পৰ্কে খবৰ লৈ জনা গ'ল যে বন্দুক-বাৰুদেৰে সজ্জিত নগালোকৰ জীপ তালাচী কৰিবলৈ তালাচী চকীৰ নিৰস্ত্ৰ ৰখীয়াৰ হেনো সাহসে নুকুলায়। বনবিভাগে অতিসোনকালে "সংৰক্ষিত এলেকা" ঘোষণা কৰি উক্ত নদীত মাছ মৰা ৰোধ কৰাটো জৰুৰী হৈ পৰিছে। —অনিল হাজৰিকা, দক্ষিণ শৰণীয়া, গুৱাহাটী

## পানী-ঘড়ি

কিছুদিন ধৰি মই বাতৰি কাকত, আলোচনী আদিত এটা বিজ্ঞাপন মন কৰি আছিলো। বিজ্ঞাপনটো আছিল এনেধৰণৰঃ মাত্ৰ পঁচিছ টকাত ৬ বছৰৰ গেৰাণ্টিযুক্ত সাতাইছ জুৱেলৰ স্বয়ংক্ৰিয় ঘড়ি আপুনি পাব পাৰে। ডাক খৰচ ১০ টকা মাত্ৰ। Vaishali Trading Co. P.O. Lalbigha (Gaya)।" এনেয়েও মোৰ এটা ঘড়িৰ আৱশ্যক আছিল। যথাসময়ত মই এটা ঘড়ি মগালো। ঘড়ি ডাকঘৰলৈ আহিল। মই পয়ত্ৰিছ টকাদি ডাকঘৰৰ পৰা পাৰ্ছেলটো আনিলো। পিছে পাৰ্ছেল খুলি মই অবাক। ঘড়িৰ পৰিবৰ্তে খেৰৰ মাজত কাগজৰ টোপোলাৰ ভিতৰত সৰু সৰু ১০টা কাচৰ বটল। বটলৰ ভিতৰত আছে কিছুমান তেলজাতীয় ৰঙা পদাৰ্থ। খঙৰ ভমকত মই বাকচসহ বটল কেইটা চুৰা পাতনিলৈ দলিয়াই দিলো। —ঋতুৰাজ গোস্বামী, মাৰ্ঘেৰিটা, চেণ্ডণবাৰী, ডিব্ৰুগড়

## বামুণী মৈদাম শুদ্ধ, বামুণী মৈদান ভুল

গুৱাহাটীৰ পূব অঞ্চলৰ এডোখৰ ঠাইৰ নাম বামুণী মৈদাম। কিন্তু বহুতে চিঠি-পত্ৰ, ছাইন ব'ৰ্ড, কথা-বতৰা আদিত বামুণী মৈদান ব্যৱহাৰ কৰা দেখা আৰু শুনা গৈছে। এই ভুলটো এতিয়াই সমূলঞ্চে আঁতৰ কৰিব লাগে। এইটো টান কামো নহয়, ডাঙৰ কামো নহয়, "কৰ্তৃপক্ষৰ চোকা দৃষ্টি আকৰ্ষণ" কৰিবলগীয়া কথাও নহয়। আমি সকলোকে শুদ্ধ নামটো মনত ৰাখিবলৈ, ছাইনব'ৰ্ড, লেটাৰ হে'ড আদি শুদ্ধ কৰিবলৈ অনুৰোধ জনালো। এই অঞ্চলৰ ৰাইজে বাটে-ঘাটে কথাটো কোৱা-কুই কৰি শুদ্ধ নামটো প্ৰতিষ্ঠা কৰাত সহায় কৰিব বুলি আশা কৰিলো। একেদৰেই চাণ্ডমাৰি বা চান্দমাৰী ভুল চানমাৰিহে শুদ্ধ। —ৰাজেন বৰা বামুণী মৈদাম, গুৱাহাটী



OKDISCD

## ক'লা বুঢ়া নাচ

উজনি অসমৰ মায়ামৰীয়া ধৰ্মীয় সম্প্ৰদায়ৰ অন্তৰ্ভুক্ত মৰাণসকলৰ মাজত বহুতো সাংস্কৃতিক সমল লুকাই আছে। সেই বিলাকৰ ভিতৰত ক'লা বুঢ়াৰ নাচৰ কথা কবলৈ লৈছো। মৰাণসকলে. বিয়াৰ সময়ত দৰা-কইনাক নোওৱাৰ পাছত ৰাইজৰ মাজত বহিবলৈ দি এই নাচ নাচে। সাধাৰণতে দৰা-কইনা নোৱাওঁতে কলহ বা ছুণৰি লোৱা ছোৱালীয়ে এই নাচ নাচে। অৱশ্যে কেতিয়াবা পুৰুষেও নচা দেখা যায়। নাচনীৰ হাতত এডাল যাঠি আৰু মূৰত এখন ডলাত তুবৰি, চাউল আদি থাকে। নাচনীয়ে ঢোলৰ ছেৱে-ছেৱে যাঠি ঘূৰাই-ঘূৰাই নাচে। এই নাচৰ ঢোলৰ ছেও অন্যতকৈ বেলেগ। নাচৰ শেষত নাচনীয়ে দৰা-কইনাৰ আগত বহি তুবৰিৰে দৰা-কইনাৰ গা স্পৰ্শ কৰে। এজনে নাচনীক নানা ধৰণৰ প্ৰশ্ন সোধে আৰু আমৰ ঠানিৰে হাতত কোবায়। নাচনীৰ উত্তৰে ৰাইজক হাঁহিৰ খোৰাক যোগায়।

এই নাচ সম্পৰ্কে ড' নিৰ্মল প্ৰভা বৰদলৈৰ 'অসমৰ লোক সংস্কৃতি' গ্ৰন্থত চমু উল্লেখ আছে; তাৰ বাহিৰে আন' ক'তো পোৱা নাযায়। '—যতীন মৰাণ, ডিব্ৰুগড়

## হাহিচন্দ্ৰ গুৰুদাস আৰু লোকগীত

'নলবাৰী জিলাৰ নামবৰভাগ মৌজাৰ ভোজকুছি গাঁৱৰ স্বৰ্গীয় হাহিচন্দ্ৰ গুৰুদাস নামৰ এজন ব্যক্তিৰ দ্বাৰা ৰচিত 'গুৰুদাসী বৰগীত' নামৰ পুথি এখন ১৯৫০ চনত (ভাঃ ১৩৫৭ চনৰ ৫ জেঠত) ছপা আকাৰত প্ৰকাশ হৈ ওলাইছিল। এই পুথিৰ ভালেমান গীত বৰ্তমান 'কামৰূপী লোকগীত' হিচাপে গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ পৰা প্ৰচাৰ হৈ আছে। তাৰ ভিতৰত 'দয়াময়, কৰা দয়া হৰি পৰম মংগল' 'মই কিনো অভাগীয়া' 'যাছু তই কি কাম কৰিলি' 'এ দয়াময়, দয়াময় তোমাৰ মহিমা বিপৰীত' 'কান্দে হৰিণী পহু কৃষ্ণক সুমৰি' আদি জনপ্ৰিয় আৰু বহুল প্ৰচাৰিত গীতসমূহ আছে। কিন্তু পৰিতাপৰ কথা এয়ে যে ইয়াৰ কিছুমান গীতক বিকৃত কৰাৰ উপৰিও শেষত থকা গীতিকাৰৰ পৰিচয়সূচক শাৰীকেইটা কেইটামান গীতৰ বাহিৰে বেছি ভাগতেই গোৱা শুনা নাযায়। ইয়াৰ ফলস্বৰূপে তেওঁৰ অৱদানখিনিক পাহৰাৰ লগতে নামটোকো পাহৰণিৰ গহ্বৰলৈ ঠেলি দিয়া হৈছে।

গুৰুদাস ৰচিত পুথিখনিৰ প্ৰথম প্ৰকাশৰ এহাজাৰখন বিভিন্ন ঠাইত সিঁচৰতি হৈ পৰাৰ সম্ভেদ পোৱা গৈছিল যদিও বৰ্তমান ই দুষ্প্ৰাপ্য হৈ পৰিছে। পুথিখন দ্বিতীয়বাৰ প্ৰকাশ হোৱা নাই। প্ৰথম প্ৰকাশৰ এখন বৰ্তমান মোৰ হাতত আছে। কোনো প্ৰতিষ্ঠিত লোকগীত গায়ক-গায়িকাই ইচ্ছা কৰিলে অবিকৃত ৰূপত এই গীত পৰিবেশন কৰাৰ বাবে গীতৰ সংখ্যা উল্লেখ কৰি তলৰ ঠিকনাত যোগাযোগ কৰিব পাৰে।

—মহেশ্বৰ বৰ্মণ,
ফ্ৰি লান্স সাংবাদিক নিকাছি—৭৮১৩৭২
জিলা—নলবাৰী (অসম)

## গণতান্ত্ৰিক মূল্যবোধ আৰু ৰাজনৈতিক সহনশীলতা

গণতান্ত্ৰিক ৰাষ্ট্ৰ এখনৰ শান্তি নিৰাপত্তা আৰু প্ৰগতিৰ বাবে ৰাজনৈতিক সহনশীলতা অপৰিহাৰ্য। এই সহনশীলতাৰ অভাৱ গণতান্ত্ৰিক মূল্যবোধৰ অৱসান আৰু স্বেচ্ছাচাৰিতাৰ উদয়নৰ পৰিচায়ক।

স্বেচ্ছাচাৰিতা আৰু অগণতান্ত্ৰিক উৎপীড়নৰ তিক্ত অভিজ্ঞতাৰ প্ৰতিক্ৰিয়াত নতুন ৰাজনৈতিক প্ৰজন্মত সচেতন মহল বাককৈয়ে আশান্বিত হৈছিল যে দুষ্ট ৰাজনীতিকৰ ক্ৰীড়াংগনত পৰিণত হোৱা ৰাজ্যখনত শান্তি আৰু গণতান্ত্ৰিক প্ৰমূল্য পুনৰ প্ৰতিষ্ঠা হ'ব। কিন্তু দুৰ্ভাগ্যজনক কথা,— বৰ্তমান চৰকাৰৰ শাসনকালতো সুস্থ মতামতক সন্মান জনোৱাসকল বিপৰ্যস্ত। প্ৰান্তিক'ত প্ৰকাশ হোৱা 'গণতান্ত্ৰিক মূল্যবোধ আৰু ৰাজনৈতিক সহনশীলতা' শীৰ্ষক প্ৰবন্ধৰ নিবন্ধকাৰ শ্ৰীপৰাগ কুমাৰ দাসৰ মন্তব্যৰ লগত আমিও একমত যে গণতান্ত্ৰিক প্ৰক্ৰিয়াত যিকোনো বিষয়তে ব্যক্তিভেদে মতানৈক্য প্ৰতিষ্ঠা হোৱাটো অতি স্বাভাৱিকেই নহয়, যুক্তিসংগতো। যিকোনো বিষয়তে, বিশেষকৈ একাধিক ব্যক্তিৰ স্বাৰ্থ বিজড়িত অৰ্থাৎ জনস্বাৰ্থ জড়িত বিষয়ত, সমৰ্থন আৰু বিৰোধিতা দুয়োটাই হ'ব লাগে। যুক্তিৰ আলমত বিষয়ৰ সমৰ্থন আৰু বিৰোধিতা হ'লে, বিষয়টোৰ সদগুণ (merit) আৰু বদগুণ (demerit) ওলাই পৰে। কোনো এটা সিদ্ধান্তৰপৰা সুফল পাবলৈ তাৰ সকলো সদগুণ আৰু বদগুণ বিবেচনা কৰিবই লাগিব। জুয়ে যে সকলো সংহাৰ কৰিব পাৰে; এই কথা জুইক গঢ়ন আৰু সৃষ্টিমূলক কামত প্ৰয়োগ কৰাৰ আগতে জানি ল'ব লাগিব। সেয়েহে যিকোনো বিষয়ৰ সদগুণ আৰু বদগুণ জানিবৰ বাবে বিষয়টো পক্ষপাতিত্বহীন আলোচনাৰ বাবে মুকলি থাকিব লাগিব। এই মূল পাৰ্থক্যৰ বাবেই গণতন্ত্ৰ স্বৈৰতন্ত্ৰতকৈ শ্ৰেয়।

সাম্প্ৰতিক অসমত অংকুৰিত হৈ ঠন ধৰি উঠা ৰাজনৈতিক অসহিষ্ণুতা ৰাজ্যখনৰ ভৱিষ্যতৰ বাবেই অপকাৰী। ৰাজ্যখনৰ কল্যাণৰ বাবেই আমি সকলো সুস্থ মতামতকেই সন্মান জনাব লাগিব,— সি শাসকীয় পক্ষৰে হওক বা বিৰোধী পক্ষৰে হওক; আৰু সেই মত-অমতৰ ওপৰতে অৱলম্বন কৰি ৰাজ্যখনৰ কল্যাণমূলক সিদ্ধান্তসমূহ গ্ৰহণ কৰিব লাগিব। তাৰ অন্যথা এজন দেশপ্ৰেমিকৰ কৰ্তব্য পালন কৰি আছোঁ বুলি আত্মতুষ্টি লাভ কৰি থাকি সময়ত নিজকে দেশবিদ্বেষীৰ ভূমিকাত আবিষ্কাৰ কৰিব লগা হ'ব; —কিন্তু তেতিয়া বহুত পলম হৈ যাব; সংশোধন অসম্ভৱ হৈ পৰিব। সেয়ে সকলোৱে চিন্তা কৰক আৰু বিশ্লেষণ কৰি চাওক -- নিজৰ কৃতকৰ্ম আৰু কৰণীয় কৰ্মৰাজিৰ বিষয়ে।

—জগদীশচন্দ্ৰ দাস,
কুশলনগৰ, গুৱাহাটী-৭৮১০২১

## বিয়া নাম লোকগীত হয়নে নহয় ?

আমাৰ এটা স্থানীয় সাংস্কৃতিক অনুষ্ঠানত এজন প্ৰতিযোগীয়ে লোকগীত প্ৰতিযোগিতাত এটা বিয়া নাম পৰিবেশন কৰিলে। বিচাৰকসকলে বিয়া নামটো বিচাৰত নধৰিলে। তাৰ কাৰণ জানিব খোজাত তেখেতসকলে সন্তোষজনক সমিধান দিব নোৱাৰিলে।

বিয়া নাম লোকগীতৰ ভিতৰত নপৰে নে কি ? '—প্ৰদীপ শৰ্মা, বিহপুৰীয়া-৩

## 'প্ৰান্তিক'ৰ দীৰ্ঘায়ু কামনা

মই যোৱা এমাস ধৰি 'প্ৰান্তিক'ৰ এগৰাকী নিয়মীত পাঠক। বছৰ খানত আগতেও মই এই 'প্ৰান্তিক'ক একেবাৰে মাঝাৰী ধৰণৰ পত্ৰিকা বুলি ভাবিল। কিন্তু এতিয়া 'প্ৰান্তিকৰ'ৰ গুনগত পৰিবৰ্তণ হৈছে। এতিয়া ই নিঃসন্দেহে বহুত গধুৰ, অথচ বৈচিত্ৰ পৰিপূৰ্ণ। ই অসমীয়াৰ চিন্তা-ভাবনাৰ জগতত অসাধাৰণ বিকাশ ঘটোৱাৰ বাবত পত্ৰিকাটোৰ অবদান অপিৰিমেয়। মই নিজে এজন বেঙলী হই বজাৰৰপৰা সবৰ আগতে কোনমতে ধাৰ-ওধাৰ কৰি পত্ৰিকাখন ঘৰত আনো। কিন্তু তথাপি ই টনাটনি পৰি যায়, যে কোনে আগতে পৰিব। পৰিশেষত পত্ৰিকাৰ পৰিচালক গোষ্ঠী তথা মোৰ মৰমৰ 'প্ৰান্তিক'ৰ দীৰ্ঘজীবন কামনা কৰো। —তাপস ভৌমিক, উচ্চ মাধ্যমিক, তিনিচুকিয়া





# ৰাজীবৰ ভাবমূৰ্তি অবনমিত

প্ৰধান মন্ত্ৰী ৰাজীব গান্ধীৰ ৰাজহুৱা ভাবমূৰ্তি লাহে লাহে অবনমিত হৈছে। যোৱা কেইমাহমান ধৰি দেশত চলি থকা ৰাজনৈতিক বাক-বিতণ্ডাৰ পৰিপ্ৰেক্ষিতত মাদ্ৰাজৰ 'দি হিন্দু' কাকত আৰু অপাৰেশ্যনছ ৰিছাৰ্ছ গ্ৰুপে নগৰীয়া অঞ্চলত চলোৱা এটা সমীক্ষাত এই কথা প্ৰকাশ পাইছে।

সমীক্ষাটো অনুসৰি— যোৱা তিনি মাহত ৰাজীবৰ কামকাজৰ কেনেদৰে মূল্যাংকণ কৰিব খোজে বুলি সোধা এটা প্ৰশ্নৰ উত্তৰত শতকৰা ৩৭·৯ ভাগেই বেয়া (poor), শতকৰা ১২·৩ ভাগেই অতি বেয়া (very poor), বুলি কয়। ইয়াৰ বিপৰীতে শতকৰা ৩০·৯ ভাগে মোটামুটিভাৱে ভাল (fair), শতকৰা ১৬·৭ ভাগে ভাল (good) আৰু শতকৰা ২·২ ভাগে অতি ভাল (excellent) বুলি কয়।

ৰাষ্ট্ৰপতি গিয়ানী জাইল সিং আৰু প্ৰধান মন্ত্ৰী ৰাজীব গান্ধীৰ মাজত চলি থকা বিতৰ্ক সম্পৰ্কত প্ৰকৃততে কোন দোষী বুলি সোধা এটা প্ৰশ্নৰ উত্তৰত শতকৰা ৩৫·৯ ভাগেই ৰাজীব গান্ধীকে দোষী বুলি কয়। শতকৰা ১৩·৬ ভাগেহে ৰাষ্ট্ৰপতি গিয়ানী জাইল সিঙৰ দোষ বুলি কয়। অৱশ্যে শতকৰা ৩০·৯ ভাগে দুয়োজনৰ গাতে দোষ বুলি ভাবে।

সমীক্ষাটো ১১খন মহানগৰীকে ধৰি ৩৫টা চহৰীয়া অঞ্চলৰ ২০৭১ জন প্ৰাপ্তবয়স্ক লোকৰ মাজত চলোৱা হৈছিল।

* ৰাষ্ট্ৰপতি গিয়ানী জাইল সিঙে প্ৰধান মন্ত্ৰী ৰাজীব গান্ধীৰ সৈতে তেওঁৰ সাংবিধানিক সম্বন্ধৰ বিষয়ে চলি থকা বিতৰ্কৰ লগত নিজকে আৰু জড়িত নকৰিবলৈ, আৰু বিষয়টো পৰৱৰ্তী ৰাষ্ট্ৰপতি গৰাকীলৈ এৰি থৈ যাবলৈ সিদ্ধান্ত লৈছে। প্ৰধান মন্ত্ৰীৰ ৬ মে'ৰ চিঠিখনৰ উত্তৰত শ্ৰীসিঙে এই কথা প্ৰকাশ কৰে। অৱশ্যে তেওঁ যিকোনো বিষয়ত চৰকাৰৰপৰা তথ্য বিচৰাৰ অধিকাৰৰ কথা পুনৰ উল্লেখ কৰে।

চিঠিখনত ৰাষ্ট্ৰপতিয়ে লিখিছে যে যিহেতু আৰু দুমাহৰ ভিতৰতে তেওঁৰ কাৰ্যকালৰ অন্ত পৰিব, গতিকে তেওঁ এই বিষয়ৰ বিতৰ্ক অধিক কালৰ বাবে চলি থকাটোৰ কোনো যুক্তি নাই বুলি ভাবে। ৰাষ্ট্ৰপতি গৰাকীয়ে হেনো ৰাষ্ট্ৰীয় স্বাৰ্থৰ কথা চিন্তা কৰি এই সিদ্ধান্ত লোৱা হৈছে বুলি লিখিছে।

## বেংক ডকাইতি, স· অ· ছাত্ৰ সন্থা আৰু কিছুমান যুৱকৰ উদ্ভণ্ডালি

যোৱা এঘাৰ মে'ৰ দিনা ফঁাচী বজাৰৰ ইউনিয়ন বেংক অৱ ইণ্ডিয়াৰ ৪৬ লাখ টকা লুটি নিয়া কাৰ্যই সমগ্ৰ অসমতে বিশেষ চাঞ্চল্যৰ সৃষ্টি কৰিছিল। একে তৎপৰতাৰে পুলিছেও ৪৬ টকাৰ ৩৫·৬১ লাখ টকা উদ্ধাৰ কৰাৰ লগতে চাৰিজন লোককো গ্ৰেপ্তাৰ কৰে। উল্লেখযোগ্য যে গ্ৰেপ্তাৰ কৰা কেইজনৰ দুজন হ'ল সদৌ অসম ছাত্ৰ সন্থাৰ এটা গোটৰ উপদেষ্টা।

এনে ধৰণৰ এটা গুৰুতৰ অপৰাধত সদৌ অসম ছাত্ৰ সন্থাৰ কেইজনমান সদস্য পোনপটীয়াকৈ জড়িত থকা কাৰ্যই জনমানসত সংগঠনটোৰহে বদনাম আনিলে। আৰু এইটো প্ৰমাণ কৰিলে যে স· অ· ছা· স·ত বিভিন্ন ধৰণৰ অসৎ লোকৰ অনুপ্ৰবেশ ঘটিছে। যোৱা কিছুদিন ধৰি কেতবোৰ যুবকে স· অ· ছা· স· অথবা অন্যান্য সংগঠনৰ নাম কৈ বিভিন্ন ঠাইত ভাবুকি দি বল পূৰ্বক দান-বৰঙণি সংগ্ৰহ কৰিবলৈ লৈছে। প্ৰকাশিত বাতৰি অনুসৰি গুৱাহাটীৰ ফটাশিল আমবাৰীত বহাগী বিদায়ৰ বাবে ৫০০১ টকা চান্দা বিচাৰোঁতে এজন দোকানীয়ে অসমৰ্থতা প্ৰকাশ কৰাত মাৰধৰ কৰা, গুৱাহাটীৰে বেলতলা অঞ্চলত নিজকে ছাত্ৰ বুলি পৰিচয় দিয়া দুজন যুৱকৰ দ্বাৰা দোকান-হোটেল আদিত উৎপাত কৰি দোকানীসকলক মাৰধৰ কৰা আদি কাৰ্যকলাপে সংগঠনটোৰ ভাবমূৰ্তিহে ম্লান কৰিছে। তদুপৰি সামান্য কাৰণতে বিভিন্ন ঠাইত বন্ধ দিয়া কাৰ্যয়ো জনসাধাৰণৰ ক্ষোভ বঢ়াই তুলিছে। বামুণীমৈদাম আৰু মুনমাটি অঞ্চলৰ ৰাইজে কোৱাকুই কৰিবলৈ লৈছে,— "অপৰাধী কেইটামানক সুৰক্ষা দিবলৈকে তেওঁলোকে বন্ধ দিছিল নেকি ?" প্ৰান্তিকলৈ অহা বিভিন্ন চিঠি পত্ৰসমূহত ৰাইজৰ অসন্তুষ্টিৰ ভাব স্পষ্ট। এই ক্ষেত্ৰত যোৱা ৯ মে'ৰ অবিভক্ত শিৱসাগৰ জিলা বন্ধ সম্পৰ্কত অহা দুখন চিঠিৰ কথা উল্লেখ কৰিব পাৰি। বন্ধৰ ফলত কাৰিকৰী শিক্ষা পৰিষদে অসমৰ অভিযান্ত্ৰিক আৰু চিকিৎসা মহাবিদ্যালয়বোৰত নাম ভৰ্তিৰ বাবে পতা বাছনি পৰীক্ষা দিয়াৰপৰা বঞ্চিত হোৱা কেইজনমান ছাত্ৰই লিখিছে যে যানবাহন ব্যৱস্থা ব্যাহত হোৱা বাবে বহু ল'ৰা-ছোৱালীয়ে বিছ-পঁচিছ কিল'মিটাৰ দূৰৈৰ গাঁৱৰপৰা গৈ নগৰত থকা পৰীক্ষা গৃহত বহিব নোৱাৰিলে। আৰু এই চৰম দুৰ্ভাগ্যৰ বলি হ'ল গাঁৱৰ দুখীয়া ছাত্ৰ-ছাত্ৰীসকল, যাৰ নিজা বৰীয়াকৈ এখন ছাইকেলো নাই। ফলত তেওঁলোক জীৱনৰ লক্ষ্যত উপনীত হোৱাৰ প্ৰথমটো পদক্ষেপতে বৰ বেয়াকৈ হতাশাগ্ৰস্ত হ'ল। বন্ধৰ দিনটো ঘোষণা কৰাৰ আগতে, ই যেন ছাত্ৰ-ছাত্ৰীসকলৰ বিশেষ একো হানি কৰিব নোৱাৰে,— সেইটো বিবেচনা কৰাটো নেতাসকলৰ কৰ্তব্য হ'ব লাগিছিল। পত্ৰ লেখকসকলে প্ৰশ্ন কৰিছে,— ছাত্ৰসকলৰ সমস্যাক নিজৰ সমস্যা বুলি নভবা এইবোৰ কোন শ্ৰেণীৰ নেতা ?··· প্ৰতিযোগিতামূলক মনোভাবেৰে নিজকে সাজু কৰা ছাত্ৰ-ছাত্ৰীসকলে অকল এটা পৰীক্ষা দিনেই হেৰোৱা নাই, ই হয়তো তেওঁলোকৰ জীৱন-নাটৰ দৃশ্যপটো সলনি কৰি দিব পাৰে। আনহাতে শিৱসাগৰৰ কমলা শইকীয়াই লিখিছে,—"যেতিয়া কোনো



OKDISCD

গুৰুত্বপূৰ্ণ ঘটনা এটা সংঘটিত হয় আৰু উপযুক্ত তদন্তৰ ব্যৱস্থা প্ৰশাসনীয় বিভাগে বা চৰকাৰে লোৱাত উদাসীনতা প্ৰকাশ কৰে তেতিয়া সংশ্লিষ্ট ৰাইজ বা অনুষ্ঠানে প্ৰতিবাদ জনোৱাটো স্বাভাৱিক; কিন্তু ৬ মে' তাৰিখে নিমাতী-দক্ষিণপাট পাৰঘাটৰ ফেৰিৰ ওপৰত হোৱা হত্যাকাণ্ডৰ পৰিপ্ৰেক্ষিতত তৎকালীনভাৱে মুখ্যমন্ত্ৰীয়ে তেওঁৰ কেবিনেটৰ অন্যতম মন্ত্ৰী ললিত ৰাজখোৱাক তদন্ত কৰি ঘটনাৰ বুজ লবলৈ আৰু স্থানীয় প্ৰশাসনেও দণ্ডাধীশ পৰ্যায়ত তদন্ত কৰিবলৈ সিদ্ধান্ত লোৱাৰ পাছত, অবিভক্ত শিৱসাগৰ জিলাৰ নামত চৰাইদেউ, যোৰহাট, গোলাঘাট, শিৱসাগৰ, মাজুলী মহকুমাত যোৰহাটৰ ছাত্ৰসন্থাৰ বিষয়ববীয়াই ৯ মে'ৰ দিনা হঠাতে ১২ ঘণ্টাৰ বন্ধৰ ঘোষণা দিয়াৰ কি যুক্তি থাকিব পাৰে? ...উল্লেখযোগ্য যে যোৱা ছবছৰীয়া আন্দোলনৰ সময়ত ছাত্ৰ ছাত্ৰীৰ এবছৰ অধ্যয়ন লোকচান হ'ল; অসংখ্য বন্ধ, হৰতাল আদিৰ মাজেদি অৰ্থনৈতিক আৰু সামাজিকভাৱে ৰাজ্যৰ বিস্তৰ ক্ষতি হ'ল; এইবোৰৰ বিনিময়ত এটা চৰকাৰ গঠন হোৱাৰ পাছত সেই চৰকাৰে একো কৰিব নোৱাৰিলেও ৰাইজে নিজস্বভাৱেই এতিয়া সুস্থ আৰু শান্তিপূৰ্ণ অৱস্থা এটা গঢ়ি তুলিবলৈ চেষ্টা কৰিছে। তেনে অৱস্থাত যোৰহাটৰ ছাত্ৰ-সন্থাৰ নামত দুজনমান ছাত্ৰই অঞ্চলৰ অন্যসকল ছাত্ৰৰ লগত (বন্ধ ঘোষণা কৰা এলেকা) আলোচনা নকৰাকৈ ১২ ঘণ্টীয়া বন্ধ ঘোষণা কৰি ব্যৱসায়-বাণিজ্য-উৎপাদন, পঢ়াশুনাৰ ক্ষতি, সচৰাচৰ জীৱনযাত্ৰা ব্যাহত কৰাৰ কোনো যুক্তি নাই।"

সদৌ অসম ছাত্ৰসন্থাই ইতিমধ্যে বেংক ডকাইতিৰ লৈতে জড়িত যুবককেইজনক সন্থাৰপৰা বহিষ্কাৰ কৰিছে আৰু ঢুনমাটি আৰু বামুণী মৈদাম শাখা দুটাও ভংগ কৰি দিছে।

এটা বিবৃতিত সন্থাই সমাজবিৰোধী কাৰ্যকলাপত জড়িত থকাৰ প্ৰমাণ পোৱা কোনো সদস্যকে প্ৰশ্ৰয় দিয়া নহ'ব বুলি দৃঢ়তা প্ৰকাশ কৰিছে। সভাপতি কেশৱ মহন্ত আৰু ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক ভাৰ্গৱ দাসে কয়, "সদৌ অসম ছাত্ৰ সন্থাই অসমৰ প্ৰায় ২৫ লাখ ছাত্ৰক প্ৰতিনিধিত্ব কৰে। এজন সদস্যৰ (ঢুনমাটিৰ) এনে অপৰাধ গোটেই ছাত্ৰ সমাজৰ বাবে কলংকস্বৰূপ। এনে অপৰাধক গৰিহণা দিয়াটো প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰে নৈতিক দায়িত্ব। সদৌ অসম ছাত্ৰ সন্থাই দায়িত্ব পালন নকৰিলে অসমৰ বৃহত্তৰ সমাজখনৰ অপকাৰ হ'ব আৰু সময়ে ছাত্ৰ সন্থাৰ বুৰঞ্জী আৰু ঐতিহ্য ম্লান কৰি পেলাব। ...সন্থাৰ লগত ঐক্য-সংহতি প্ৰকাশ কৰি অসমৰ অগণন কৃষক-শ্ৰমিক, কৰ্মচাৰী আৰু আবাল-বৃদ্ধ বনিতাই সীমাহীন নিৰ্যাতন বুৰ পাতি লৈ আহিছে। তেনে এক সংগঠনত অপৰাধীৰ স্থান নাই আৰু থাকিব নোৱাৰে।"

* নতুন দিল্লীত মুখ্য নিৰ্বাচনী আয়ুক্ত আৰ. ভি. পেৰি শাস্ত্ৰীক সাক্ষাৎ কৰা অসম জাতীয়তাবাদী যুব ছাত্ৰ পৰিষদৰ এটা প্ৰতিনিধি দলৰ আগত শ্ৰীশাস্ত্ৰীয়ে কয় যে বিদেশী লোকৰ নাম যাতে অন্তৰ্ভুক্ত হ'ব নোৱাৰে তালৈ লক্ষ্য ৰাখি পৰৱৰ্তী সাধাৰণ নিৰ্বাচনৰ আগতেই অসমৰ ভোটাৰ-তালিকা সংশোধন কৰা হ'ব।

শ্ৰীশাস্ত্ৰীৰ হাতত দিয়া এখন স্মাৰক পত্ৰত দলটোৱে নাগৰিকৰ জন্ম-মৃত্যুৰ বিতং তথ্য সম্বলিত এখন ৰাষ্ট্ৰীয় পঞ্জীয়ন বহী ৰাখিবলৈ দাবী জনায়। এই পঞ্জীয়ন বহীৰ ভিত্তিত ভোটাৰ তালিকা যুগুত কৰাৰ ওপৰতো দলটোৱে গুৰুত্ব আৰোপ কৰে।

* চৰকাৰী চাকৰিত নিযুক্তিৰ ক্ষেত্ৰত অসম মন্ত্ৰী সভাৰ এচাম সদস্যই গ্ৰহণ কৰা পক্ষপাতিত্বমূলক দৃষ্টি ভংগীত সদৌ অসম ছাত্ৰ সন্থাই তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰিছে। সন্থাৰ কাৰ্যনিৰ্বাহকৰ এটা প্ৰস্তাৱৰ আধাৰত প্ৰকাশ কৰা এটা বিবৃতিত সভাপতি আৰু সাধাৰণ সম্পাদকে কয় তোমালোকৰ ৰাজনীতিৰ পৰিবৰ্ত নতুন ৰাজনীতি স্থাপনৰ প্ৰতিশ্ৰুতি বহন কৰা আঞ্চলিক দলৰ চৰকাৰ কেইজনমান মন্ত্ৰীৰ ঠেক দৃষ্টি ৰাজ্যখনৰ নিবনুৱাসকলক ক্ষুণ্ণ কৰি তুলিছে। বিবৃতিটোত তেওঁলো মন্ত্ৰী-বিধায়কৰ পৰিচয়ৰ যোগে নিযুক্তি পোৱাৰ দুৰ্ব্যৱস্থাৰ অৱসা ঘটাবলৈ দাবী জনায়।

* উত্তৰ লক্ষীমপুৰ, ডিব্ৰুগ আদিকে ধৰি সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চল যোৱা ১৮ মেৰ পুৱা ৭-২৪ বজা এক মজলীয়া ধৰণৰ ভূমিকম্প জোকাৰণি অনুভূত হয়। অৰুণাচ প্ৰদেশৰ ৰাজধানী ইটানগৰত এ জোকাৰণি প্ৰায় এক মিনিট ধ চলে। গুৱাহাটী, তেজপুৰ, শিলচৰ কহিমা, শ্বিলং, আইজল আদি বিভি ঠাইত জোকাৰণি কুৰিৰপৰা পঞ্চা ছেকেণ্ডলৈকে অনুভূত হয়। ভূমিকম্প টোৰ উৎপত্তিস্থল সম্পৰ্কে সঠিকৈ জানিব পৰা নাই যদিও শ্বিলঙ ভূকম্পণ নিৰীক্ষণ কেন্দ্ৰৰ মতে ইয়া উৎপত্তিস্থল শ্বিলঙৰপৰা ১৮৫ কিল মিটাৰ দক্ষিণ-পূবত। নিৰীক্ষণ কেন্দ্ৰ টোৰ মতে ৰিছটাৰ স্কেলত ভূমিকম্প টোৰ মান হ'ল ৫.৮। ভূমিকম্পটো ফলত ক্ষয়-ক্ষতিৰ কোনো বাত পোৱা হোৱা নাই।

* জাপানে ইয়াৰ ঘৰ সজা মাটিৰ অভাৱ দূৰ কৰাৰ অৰ্থে মাটি তলত ঘৰ সজাৰ উপায় সম্প অধ্যয়ন চলাই আছে। টকিঅ আছাহি শ্বিমবান নামৰ বাতৰি-কাক খনৰ মতে মাটিৰ তলৰ ঘৰবোৰ শব্দ ৰোধী (sound-proof), হ'ব আ পাৰমাণৱিক যুদ্ধৰ সময়ত আশ্ৰয়স্থ হিচাপে কামত আহিব। তদুপ ভূমিকম্পৰ ফলতো এনেবোৰ ঘৰ ক্ষতি কম হ'ব।

জাপানে ইতিমধ্যে এই বিষয় অধ্যয়ন চলোৱাৰ অৰ্থে এক সংস্থা গঠন কৰি দিছে।





# কুলদীপ নায়াৰৰ
## বিশেষ প্ৰবন্ধ

ফিলিপাইনছৰ ৰাষ্ট্ৰপতি কʼৰাজন একুইনোৱে য'লৈকে যায় দুখন কিতাপ লগত লৈ যায়; এখন বাইবেল আৰু আনখন হ'ল মহাত্মা গান্ধীৰ লিখনিসমূহৰ উদ্ধৃতি থকা কিতাপ। তেওঁৰ ৰাজহুৱা সভাৰ বক্তৃতাসমূহত, আনকি কেবিনেটৰ বৈঠকসমূহতো, প্ৰশাসন কাৰ্যত মূল্যবোধ আৰু মানব অধিকাৰৰ গুৰুত্ব বুজাবলৈ এই কিতাপ দুখনৰপৰা উদ্ধৃতি দিয়ে।

আগৰ ৰাষ্ট্ৰপতি ফাৰ্ডিনাণ্ড মাৰ্কোছে ৰাষ্ট্ৰব্যৱস্থাটোক যিদৰে পাশবিক কৰি তুলিছিল, তেনেকুৱা নকৰা এগৰাকী মানুহক জনসাধাৰণে একুইনোৰ মাজত বিচাৰি পাইছে। এতিয়া প্ৰতিদ্বন্দ্বীসকলৰ দুৱাৰত মাজ নিশা গৈ টকিওৱা নহয়, বিনা বিচাৰে কাকো আটক কৰি ৰখা নহয়। তেওঁ স্বেচ্ছাই ডিক্ৰি জাৰী কৰাৰ ক্ষমতা পৰিত্যাগ কৰিছে আৰু ৰাষ্ট্ৰপতিৰ কাৰ্যকালো ছবছৰত সীমিত কৰি দিছে।

তেওঁৰ আটাইতকৈ বেয়া সমালোচকসকলেও তেওঁৰ বিৰুদ্ধে দুৰ্নীতিৰ কোনো অভিযোগ অনা নাই। মাৰ্কোছে অসৎ উপায়েৰে ১০০০ কোটি ডলাৰ আহৰণ কৰিছিল। জনসাধাৰণৰ বাবে মুকলি কৰি দিয়া তেওঁৰ প্ৰাসাদ মালাকানাঙক এখন ছুপাৰ ষ্ট'ৰৰ দৰেই লাগে। জনসাধাৰণে চোৱাৰ বাবে মুকলি কৰি দিয়া এই প্ৰাসাদৰ আলমাৰীবোৰ কাপোৰ-কানি, জোতা, প্ৰসাধন আৰু অন্যান্য সামগ্ৰীৰে ঠাহ খাই আছে। মই তেওঁৰ পত্নী ইমেল্ডাৰ জোতাবোৰৰ ১,২০০ যোৰলৈকে গণ্তি কৰিলো। তাৰ পাছত বাদ দিলো।

শ্ৰীমতী একুইনোৱে এই প্ৰাসাদটোত থাকিবলৈ অস্বীকাৰ কৰিলে। তেওঁ সাধাৰণভাৱে জীৱন যাপন কৰে। তেওঁ এগৰাকী ধাৰ্মিক আৰু সংমনোভাৱৰ লোক। ভগবানৰ স্তুতি-বন্দনা কৰিয়েই তেওঁ দেশৰ দুখ দূৰ কৰিব পাৰিব বুলি অনুভৱ কৰা যেন লাগে।

ফিলিপাইনছৰ জনসংখ্যা ৬৫ নিযুত (অন্ধ্ৰপ্ৰদেশৰ সমান)। অধিকাংশ লোকেই অতি দুখীয়া আৰু ব্যাপক হাৰত বৃদ্ধি পোৱা নিবনুৱা সমস্যাৰে

### একুইনো : প্ৰাৰ্থনা আৰু আশাৰে

জৰ্জৰিত। কমিউনিষ্ট (এওঁলোকেই বাস্তৱিকতে দেশৰ উত্তৰ অংশ নিয়ন্ত্ৰণ কৰে) আৰু মুছলমানসকলে (এওঁলোকে দক্ষিণ অংশত আধিপত্য চলায়) চলোৱা বিদ্ৰোহাত্মক কাৰ্যকলাপো আছে।

প্ৰায় ১০,০০০ লোকেৰে ফিলিপাইনছৰ কমিউনিষ্ট পাৰ্টিৰ কেন্দ্ৰীয় কমিটিৰ সশস্ত্ৰ শাখা নিউ পিপলছ আৰ্মি (NPA) গঠিত। আন বামপন্থী মঞ্চ নথকাৰ কাৰণে আনকি ছছিয়েলিষ্ট সকলো কমিউনিষ্ট পাৰ্টিতে আছে। শ্ৰীমতী একুইনো যেতিয়া ক্ষমতালৈ আহে তেতিয়া এই পাৰ্টি আৰু তেওঁৰ মাজত আলোচনা অনুষ্ঠিত হয় যদিও সি বিফল হয়। কমিউনিষ্টসকলৰ হিংসাত্মক কাৰ্যকলাপ আগতকৈ এতিয়া কম, কিন্তু বিদ্ৰোহীসকলে যে মেনিলা চহৰৰ বুকুতে এজন পুলিছৰ লোকক হত্যা কৰিব পাৰে (মই তাত থকাৰ দিনাই ঘটনাটো ঘটিল), সেই কথাই দুশ্চিন্তাৰ উদ্ৰেক কৰা উচিত। এজন কমিউনিষ্ট নেতাই কৈছে: "মাৰ্কোছৰ ফেছিবাদী আমোলৰ ৰক্তাক্ত অধ্যায়ৰ পাছত এতিয়া মাৰ্কিন-একুইনো আমোলে প্ৰতিক্ৰিয়াশীল শাসনৰ হিংসাত্মক ইতিহাস অব্যাহত ৰখাৰ বাবেই থিয় দিছে।"

মুছলমানসকলো তেওঁলোকৰ সংগ্ৰাম পৰিত্যাগ কৰিবলৈ ইচ্ছুক নহয়। লিবিয়াৰপৰা পোৱা অস্ত্ৰশস্ত্ৰৰে (ইয়াৰে কেতবোৰ অত্যাধুনিক) সজ্জিত ১২,০০০ লোক আৰু মুছলমান অধ্যুষিত অঞ্চলসমূহত পোৱা ব্যাপক সমৰ্থনৰ বলত তেওঁলোক এক গুৰুত্বপূৰ্ণ শক্তিৰূপে পৰিগণিত হৈছে। তেওঁলোকৰ প্ৰতিনিধি ম'ৰ' নেশ্যনেল লিবাৰেশ্যন ফ্ৰণ্টৰ (MNLF) লৈতে শ্ৰীমতী একুইনোৰ আলোচনা বিফল হয়। তেওঁলোকে দাবী কৰা মতে দেশৰ ৭৩খন প্ৰদেশৰ ২৩খনলৈ স্বায়ত্বশাসন দিবলৈ শ্ৰীমতী একুইনো ইচ্ছুক নহয়। তেওঁ ১১খন প্ৰদেশলৈহে, আৰু তাকো সেইবোৰত গণভোট হোৱাৰ পাছতহে, এনে মৰ্যাদা দিবলৈ ইচ্ছুক।

মুছলমানসকলে বৰ্তমান এক সশস্ত্ৰ সংগ্ৰামত কমিউনিষ্টসকলৰ লৈতে যোগ দিয়াৰ ভাবুকি দিছে। এইকথা আচৰিত যেনেই লাগিব; কিন্তু কেৰালাত মুছলিম লিগ আৰু কমিউনিষ্টসকল যে এসময়ত সহযোগী আছিল সেই কথাও মনত পেলাব লাগিব। তেওঁলোকৰ সংগ্ৰামৰ বাবে আৰৱ সমৰ্থন থকা যেন লাগে। শ্ৰীমতী একুইনোৰ লৈতে আলোচনা বিফল হোৱাটো ঘোষণা কৰি এম. এন. এল. এফে যিখন প্ৰেছ বিজ্ঞপ্তি প্ৰকাশ কৰিছিল তাত প্ৰিণ্ট-লাইন এইদৰে আছিল: "অ'. আই. ছি. মুখ্য কাৰ্যালয়, জেদ্দা, ছৌদি আৰব।" কথাটো গুৰুত্বপূৰ্ণ।

জনসাধাৰণৰ তিনি-চতুৰ্থাংশই গাঁৱত বাস কৰে। ইয়াত বৃহৎ মাটিৰ মালিকানাৰ ফলত (একুইনোৰ নিজৰে ১৫,০০০ একৰ আছে) কৃষকসকলৰ বাবে কম মাটিহে ৰৈছেগৈ। একুইনোৱে ভূমি সংস্কাৰৰ আশ্বাস দিছে,



OKDISCD

কিন্তু যিকোনো মাটি অধিগ্ৰহণৰ বাবে মাটিৰ মালিকসকলক বজাৰৰ মূল্য দিয়াটো তেওঁ বিচাৰে। ইয়াৰ অৰ্থ হ'ল ভূমি সংস্কাৰ বেছ ব্যয়সাপেক্ষ হ'ব। তেওঁ বিদেশী ৰাষ্ট্ৰৰপৰা ইয়াৰ বাবে ধন অহাটো আশা কৰে। কিন্তু এনে বৃহৎ পৰিমাণৰ উদাৰতা লাভ কৰাৰ সম্ভাৱনা কম। অলপতে ফ্ৰান্সৰ সংসদী সদস্যৰ এটা প্ৰতিনিধি দলৰ আগত বিষয়টো উলিয়াওঁতে তেওঁলোকৰপৰা উপহাসমূলক সঁহাৰিহে পোৱা গ'ল।

কমিউনিষ্ট আৰু মুছলমানসকলৰ বিদ্ৰোহাত্মক কাৰ্যকলাপ সীমিত হৈ আছে যদিও ই শ্ৰীমতী একুইনোৰ বাবে কথাবোৰ যথেষ্ট জটিল কৰি পেলাইছে। তেওঁ কৈছে যে বিদ্ৰোহীৰ সমস্যাটো কেৱল সামৰিক আমোলৰ যোগেদি সমাধান কৰিব নোৱাৰি। তেওঁ লগতে উপলব্ধি কৰিছে যে অৰ্থনৈতিক উন্নয়নৰ অবিহনে "আমি আমাৰ গণতন্ত্ৰ অব্যাহত ৰাখিব নোৱাৰিব পাৰোঁ।" কিন্তু তেওঁৰ মূল শক্তি সোঁপন্থী সৈন্য বাহিনী আৰু কেথলিকসকলৰ (জনসংখ্যাৰ শতকৰা ৮৫ ভাগ) মাজত তেওঁৰ প্ৰতি সমৰ্থন আদায় কৰিবলৈ চেষ্টা কৰা গীৰ্জাসমূহৰ হেঁচা এনে ধৰণৰ যে তেওঁ কোনো উল্লেখযোগ্য ব্যৱস্থা গ্ৰহণ কৰিব পৰা নাই।

মই যেতিয়া মেলিনাত আছিলো তেতিয়া শ্ৰমিকসকলে ন্যূনতম বেতন ১০ পিছ' (৭ টকা) বৃদ্ধি কৰিবলৈ কৰা দাবী তেওঁ অগ্ৰাহ্য কৰা শুনিছিলো। কিন্তু সেই দাবী অগ্ৰাহ্য কৰাৰ ২৪ ঘণ্টাৰ পাছতে তেওঁ সৈন্যবাহিনী আৰু আৰক্ষীবাহিনীৰ বেতন ১৫ পিছ'লৈ বঢ়াই দিছিল। (উল্লেখযোগ্য যে ফিলিপাইনছৰ প্ৰতিৰক্ষা বিভাগৰ অধীনত এই বাহিনী দুটা হ'ল এটা যুটীয়া শক্তি)।

"তেওঁ যিটো শ্ৰেণীৰ লোক সেই শ্ৰেণীটোৰ পৰা তেওঁ আঁতৰি আহিব নোৱাৰে।" —এখন নিৰপেক্ষ বাতৰি কাকতৰ সম্পাদকে মোক ক'লে। উল্লেখযোগ্য চাকৰিসমূহ তেওঁৰ ভায়েক আৰু দেওৰেকহঁতক দিয়াৰ ফলত তেওঁ "প্ৰথমতে পৰিয়ালটোৰ বাবেহে" বোলা অভিযোগটোহে অধিক দৃঢ় কৰা হ'ল। ব্যাপক হাৰত শুনা এটা অভিযোগ হ'ল, —দেশখনত কেইজনমান নিৰ্দিষ্ট ব্যক্তিয়ে শাসন কৰা এটা ব্যৱস্থা চলি আছে; এতিয়া সেই নিৰ্দিষ্ট ব্যক্তি-কেইজনৰ ঠাইলৈ এই নিৰ্দিষ্ট ব্যক্তি-কেইজন আহিছে, —কথা ইমানেই।

তথাপি, এতিয়াও একুইনোৰ ওপৰতে আশা ন্যস্ত কৰা হৈছে। আনকি তেওঁক সমালোচনা কৰা শিক্ষাবিদ, সাংবাদিক আৰু উদাৰপন্থীসকলেও তেওঁৰ কোনো বিকল্প দেখা নাই। "হঠাতে যদি তেওঁ মৰি থাকে, তেতিয়া কি হ'ব ?" —মই এই প্ৰশ্নটো প্ৰতিদিনেই ৰাতিপুৱা দৈনিক বাতৰিসমূহ আলোচনা কৰিবলৈ শিক্ষিত-সম্ভ্ৰান্তলোকসকল গোট খোৱা এটা ক্লাৱত কৰিছিলো। তেওঁলোকৰ প্ৰায় প্ৰত্যেকেই ক'লে: "বিশৃংখলা"। কেইজনমানে ফিলিপাইনছৰ উপৰাষ্ট্ৰপতি ছালভাড'ৰ লৰেলৰ ওপৰতো আস্থা প্ৰকাশ কৰিলে। এৰে'। একুইনোৰ ভাবধাৰাৰে পক্ষপাতী: "প্ৰথম সমস্যা শান্তি আৰু শৃংখলা; দ্বিতীয় সমস্যা অৰ্থনৈতিক উদ্ধাৰ। দুয়োটাৰে মাজত সম্পৰ্ক আছে।"

আমেৰিকা আৰু গীৰ্জাৰ ওপৰতে বহু কথা নিৰ্ভৰ কৰিছে। ৫০ বছৰৰো অধিক কাল দেশখন শাসন কৰা আমেৰিকাই নিজৰ ছাপ থকা শিক্ষা ব্যৱস্থা এটা এৰি থৈ গৈছে। আনকি ক্ষমতা গ্ৰহণৰ পাছত শ্ৰীমতী একুইনোৱে সংশোধন কৰা সংবিধানখনো প্ৰকৃতাৰ্থত এখন আমেৰিকান সংবিধান। তদুপৰি, মাৰ্কিন যুক্তৰাষ্ট্ৰই ফিলিপাইনছত ১৯৯০ চনলৈকে লিজত (lease) লোৱা নৌ আৰু বিমান ঘাটিসমূহে দেশখনক ৱাশ্বিংটনৰ ওচৰত দায়বদ্ধ কৰি ৰাখিছে।

যিহেতু বাস্তৱিকতে প্ৰতিজন ফিলিপাইনবাসীৰে সপোন হ'ল আমেৰিকাত গৈ থিতাপি লোৱা, (দেশখনক আমেৰিকা যুক্তৰাষ্ট্ৰৰ এখন প্ৰদেশ কৰিবলৈ মুকলিভাৱে দাবী কৰা এটা শক্তিশালী জনমতো আছে), গতিকে ৱাশ্বিংটনৰ সমৰ্থন অথবা বিৰক্তি প্ৰকাশে ফিলিপাইনছৰ পৰিবেশ উজ্জ্বল বা মেঘাচ্ছন্ন কৰি তুলিব পাৰে। প্ৰকৃততে আমেৰিকাই দেশখনক বান্ধি ৰখা ৰচিডাল চুটি কৰি ৰাখিব খোজে। যিক্ষেত্ৰত পাকিস্তানলৈ ৪২০ কোটি ডলাৰ সাহায্য আগবঢ়োৱা হৈছে, সেইক্ষেত্ৰত ফিলিপাইনছে ১৫০ নিযুত ডলাৰহে পাইছে; আৰু তাকো আধা কৰা হৈছে।

আমেৰিকাৰ সৈতে একেশাৰীতে আছে গীৰ্জা, অৰ্থাৎ ধৰ্মভিত্তিক শক্তি। এই গীৰ্জা শক্তিশালী। মাৰ্কোছৰ দিনত কাৰ্ডিনেল ছিনৰ আহ্বানত হাজাৰ হাজাৰ লোক ৰাস্তালৈ ওলাই আহিছিল। "পথৰ শক্তি" সচাঁকৈয়ে ফিলিপাইনছৰ ৰাজনীতিৰ এটা উপাদান হৈ পৰিছে। ইয়াৰ দ্বাৰা জনসাধাৰণ প্ৰত্যক্ষ বিবাদৰ মুখলৈ আগবাঢ়ি আহে। যিহেতু তেওঁলোকে মাৰ্কোছক ক্ষমতাচ্যুত কৰিলে। গতিকে এতিয়া তেওঁলোকে জানে,— তেওঁলোকৰ শক্তি কিমান।

গীৰ্জাই যোৱা ছিনেট নিৰ্বাচনৰ সময়ত এখন "যাজকীয় চিঠি"ৰে শ্ৰীমতী একুইনোৰ প্ৰাৰ্থীসকলক ভোট দিবলৈ গোহাৰি জনালে। (একুইনোৰ কোনো ৰাজনৈতিক দল নাই। তেওঁৰ ২৪ জন ছিনেট প্ৰাৰ্থীক প্ৰতিদ্বন্দ্বিতা কৰা সকলৰ মাজৰ পৰাই বাছি লৈছিল)। গীৰ্জাই "ঈশ্বৰ বিহীন আদৰ্শ"ৰ সপক্ষে ভোট নিদিবলৈ জনসাধাৰণক আহ্বান জনাই কমিউনিষ্টসকলকো পোনপটীয়াকৈ আক্ৰমণ কৰিছিল। গীৰ্জাৰ দ্বাৰা নিয়ন্ত্ৰিত টেলিভিশ্যন আৰু অনাতাঁৰ কেন্দ্ৰসমূহে কমিউনিষ্ট প্ৰাৰ্থীসকলক প্ৰচুৰ পৰিমাণে সমালোচনা কৰিছিল। (ফিলিপাইনছত চৰকাৰী আৰু ৰাজহুৱা দুয়ো ধৰণৰে টিভি আৰু অনাতাঁৰ ব্যৱস্থা আছে।)

মাৰ্কোছে যাৰ সহায়ত দেশখন শাসন কৰিছিল সেই সেনাবাহিনীও

৩৩ পৃষ্ঠাত চাওক



# নিউক্লীয় বিতৰ্ক

# মেড

ডঃ কুলেন্দু পাঠক

ইংৰাজী Mad শব্দটোৰ সাধাৰণ অৰ্থ আমি আটায়ে জানো। নিউক্লীয় যুদ্ধ বিষয়ক আলোচনাতো MAD শব্দটো ব্যৱহাৰ কৰা হয়। "Mutually Assured Destruction" (পাৰস্পৰিক ধ্বংসৰ প্ৰতিশ্ৰুতি) বাক্যাংশৰ সংক্ষিপ্ত ৰূপ হ'ল MAD. মানৱ জাতিয়ে নিজৰ সৃষ্টিৰ দ্বাৰা সম্পূৰ্ণভাৱে নিজকে ধ্বংস কৰিব পাৰে —এই সত্যৰ বাস্তৱ ৰূঢ়তা আমি বহুতে অনুভৱ নকৰোঁ যদিও নিউক্লীয় ধ্বংসকাণ্ড, পৰৱৰ্তী দীঘলীয়া ৰাতি আৰু শীতকালে সমগ্ৰ জীৱজগতকে বিপদাপন্ন কৰিব পাৰে।

জুলাই ১৬, ১৯৪৫ চন। সময় ৰাতিপুৱা চাৰে পাঁচ বাজিছে। নিউ মেক্সিকোৰ মৰুভূমিত ৰাতিপুৱাৰ সূৰ্যতকৈ সহস্ৰ গুণ উজ্জ্বল, এক মানৱ-নিৰ্মিত সূৰ্য ক্ষণিকৰ বাবে জ্বলি উঠিছিল; সেই উজ্জ্বলতাত বিমূঢ় অ'পেনহাইমাৰৰ মুখেৰে ওলাইছিল গীতাৰ শ্লোক! মানুহে, বিজ্ঞানীসকলে প্ৰমিথিউজৰ দৰে পৰমাণুৰ শক্তি আহৰণ কৰিলে। জুই চুৰ কৰি আনি মানুহক দিয়া বাবে দেৱতাৰ শাপত প্ৰমিথিউজে প্ৰতিটো দিন ভয় আৰু নিপীড়নৰ মাজেদি কটাব লগীয়া হৈছিল। [ওখ পাহাৰত শিলৰ খুটা এটাত তেওঁক শিকলিৰে বান্ধি থোৱা হৈছিল। ৰাতিপুৱা শগুণে খুটিয়াই তেওঁৰ দেহ ক্ষত-বিক্ষত কৰিছিল। দিনটোৰ উৎপীড়নৰ পাছত ৰাতি তেওঁৰ দেহাটোৱে শান্তি পাইছিল যদিও নিতৌ পুৱা অত্যাচাৰৰ পুনৰাবৃত্তি ঘটিছিল।] সামগ্ৰিকভাৱে মানৱ জাতিৰো আজি একে ধৰণৰ অৱস্থা। ক'ৰবাত অকণমান ভুল, সামান্য অসতৰ্কতাৰ ফলত যদি জমা কৰি থোৱা হাজাৰ-হাজাৰ মেগাটন* বোমাৰ এক শতাংশও বিস্ফোৰিত হয়, তেন্তে কেইবা কোটিও মানুহৰ তৎক্ষণাৎ মৃত্যু ঘটিব, কেইবা কোটিও মানুহ গুৰুতৰভাৱে আহত হ'ব আৰু আকাশ ছানি পেলোৱা ধোঁৱা আৰু ধুলিয়ে পৃথিৱীলৈ সূৰ্যৰ পোহৰ অহাত বাধা দিয়াৰ ফলত সমগ্ৰ পৃথিৱীলৈ এক অভাৱনীয় শীত কাল নামি আহিব; পৃথিৱীৰ গড় উষ্ণতা ১৫° ছেলচিয়াছৰ পৰা বৰফ বিন্দুৰ (O°C) বহুত তললৈকে নামি যাব।

ৰুছিয়াৰ হাইড্ৰ'জেন বোমাৰ পিতৃপুৰুষ, আৰু ১৯৭৫ চনৰ নোবেল শান্তি বঁটা বিজয়ী বিজ্ঞানী ছাখাৰভে ১৯৮৩ চনত লিখিছিল:

..."all out nuclear war would mean the destruction of the contemporary civilisation, hurl man back centuries, cause the death of hundred of millions of people and with a certain degree of probability, would cause man to be destroyed as a biological species and could even cause the annihilation of life on earth.

Clearly it is meaningless to speak of victory in a large scale nuclear war which is a collective suicide... it is impossible to win a nuclear war."

**ইতিহাসৰ পাত লুটিয়াই:** আজিও বহুতো মানুহে প্ৰশ্ন কৰে, "বিজ্ঞানীসকলে কিয় বাৰু নিউক্লীয় বা এটম বোমা সৃষ্টি কৰিছিল? আনকি আইনষ্টাইনৰ দৰে শান্তিপ্ৰিয়, নমস্য ব্যক্তিয়েও এই বোমা নিৰ্মাণত কিয় বাধা নিদিলে?"

এইখিনিতে এটা সাধাৰণ ভুল ভাঙি দিয়া উচিত হ'ব। বহুতে আইনষ্টাইনৰ বিখ্যাত ভৰ-শক্তিৰ সমতুল্যতাৰ ফৰমুলাটোকে ($E = mc^2$) পৰমাণুবোমাৰ আৰম্ভণি বুলি ভাবে। এই ফৰমুলাৰ বাবেই আইনষ্টাইনক পৰমাণুবোমাৰ সৃষ্টিকৰ্তা বুলি ধৰিলোৱাতকৈ গতি আৰু মহাকৰ্ষণ সূত্ৰৰ বাবে নিউটনক ক্ষেপণাস্ত্ৰ আৰু উপগ্ৰহ-বিজ্ঞানৰ পিতৃ বুলি ধৰা বেছি যুক্তিসংগত হ'ব। প্ৰকৃততে আইনষ্টাইনৰ নাম প্ৰথম পৰমাণুবোমাৰ লগত জড়িত তেওঁৰ এখন বিখ্যাত চিঠিৰ বাবেহে। ১৯৩৯ চনত তেওঁ আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰেছিডেণ্ট ৰুজভেল্টলৈ এখন চিঠি লিখিছিল। সেই চিঠিখনৰ খচৰা তেওঁৰ হৈ লিও জিলাৰ্ড নামৰ বিজ্ঞানী এজনে প্ৰস্তুত কৰিছিল আৰু আইনষ্টাইনে চিঠিখনত চহী কৰিছিল। তেওঁ লিখিছিল: "জিলাৰ্ড

**যি সময়ত আফ্ৰিকাৰ দুৰ্ভিক্ষ-পীড়িত জনগণক দিব লাগিছিল এমুঠি অন্ন, তৃতীয় বিশ্বৰ আগবাঢ়িব খোজা দেশবোৰ প্ৰতি আগবঢ়াব লাগিছিল সহায়ৰ হাত, সেই সময়ত উন্নত দেশৰ শক্তিশালী, মুনাফাখোৰ মিলিটেৰি উদ্যোগ-গোষ্ঠীয়ে প্ৰতিটো জাতিৰ হাততে তুলি দিছে যুদ্ধৰ মাৰণাস্ত্ৰ।**

* এক-মেগাটন = দহলাখ টন TNT বিস্ফোৰকৰ।



OKDISCD

আৰু ফার্মিৰ কামৰ পৰা অনুমান কৰিব পাৰি যে নিউক্লীয় শক্তি ব্যৱহাৰ কৰি পৰম শক্তিশালী বোমা তৈয়াৰ কৰা সম্ভৱপৰ।”

আইনষ্টাইনৰ ফৰমুলা বা বিজ্ঞানৰ দ্বাৰা নহলেও আইনষ্টাইনৰ চিঠিয়ে নিউক্লীয় যুদ্ধসজ্জাৰ প্ৰতিযোগিতা আৰম্ভ কৰি দিয়ে। প্ৰথমতে এই প্ৰতিযোগিতা চলিছিল যুদ্ধোন্মত্ত হিটলাৰৰ জাৰ্মানি আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজত। হিটলাৰৰ উৎপাতত জাৰ্মানিৰ বিজ্ঞানীসকল পলাই নোযোৱা হলে এই প্ৰতিযোগিতাত কোনে জয়লাভ কৰিলেহেঁতেন, সেই বিষয়ে অনুমান কৰা টান।

জিলাৰ্ড আৰু অন্যান্য বিজ্ঞানীয়ে অনুৰোধ কৰাৰ দৰে কোনোবা জনশূন্য ঠাইত বোমাৰ ভয়াবহ ধ্বংসক্ষমতা আমেৰিকাই দেখুৱাব নোৱাৰিলেহেঁতেন নে? এনে প্ৰশ্নৰ উত্তৰত কোৱা হয় যে জাপানক আগতীয়াকৈ জনালে, বোমা পেলাব খোজা ঠাইতে আমেৰিকা আৰু মিত্ৰ শক্তিৰ কেইবা লাখো যুদ্ধবন্দীক থৈ দিব বুলি আমেৰিকাই ভয় কৰিছিল; বা কিবা কাৰণত বোমা বিফল হলে হিতে বিপৰীত হব পাৰে বুলিও ভাবিছিল। তদুপৰি আমেৰিকাৰ হাতত তেতিয়া আছিল সৰ্বমুঠ তিনিটা বোমা। গতিকে এটা বোমা হিৰোছিমা আৰু আনটো নাগাছাকিত পেলোৱা হয়।

জিলাৰ্ডৰ ট্ৰেজেডি, মানৱজাতিৰ ট্ৰেজেডি: ইনফৰ্মেশ্যন তত্ত্বৰ যুগ-সৃষ্টিকাৰী গৱেষণাপত্ৰ এখনৰ লেখক, লিও জিলাৰ্ডৰ জন্ম হাংগেৰিত। তেওঁ উচ্চ শিক্ষা জাৰ্মানিত লাভ কৰে। ১৯৩৩ চনত হিটলাৰে জাৰ্মানিৰ শাসন ব্যৱস্থা দখল কৰাৰ প্ৰায় লগে লগে তেওঁ জাৰ্মানি ত্যাগ কৰি ইংলণ্ডলৈ গুচি যায়। সেই বছৰতে আধুনিক পৰমাণুবিজ্ঞানৰ পিতৃস্বৰূপ ৰদাৰফ'ৰ্ডে বক্তৃতা প্ৰসংগত কৈছিল যে 'পাৰমাণৱিক শক্তিৰ ব্যৱহাৰ কেতিয়াও সম্ভৱপৰ হৈ নুঠিব।" এই বক্তৃতা জিলাৰ্ডে শুনিছিল। 'কেতিয়াও হব নোৱাৰে'—এনে অবৈজ্ঞানিক বক্তব্য জিলাৰ্ডে ভাল নাপাইছিল। গতিকে তেওঁ পাৰমাণবিক শক্তি সম্পৰ্কে চিন্তা-চৰ্চা আৰম্ভ কৰিলে। ১৯৩৪ চনত তেওঁ চেইন-ৰিয়েকশ্যন (chain reaction) আৱিষ্কাৰ কৰে।

পাৰমাণৱিক বা নিউক্লীয় শক্তিৰ সম্ভাব্য বিভীষিকা সম্পৰ্কে জিলাৰ্ডৰ মনত সন্দেহ নাছিল। ইতিমধ্যে দ্বিতীয় মহাসমৰ আৰম্ভ হৈছিল। জিলাৰ্ডে নিউক্লীয় শক্তি সম্পৰ্কীয় গৱেষণা গোপন হৈ থকাটোকে বিচাৰিছিল। তেওঁ নিজৰ গৱেষণা আৰু চেইন ৰিয়েকশ্যন সম্পৰ্কীয় পেটেণ্ট মহাযুদ্ধ শেষ নোহোৱালৈকে গোপনে ৰাখিবলৈ প্ৰতিজ্ঞাবদ্ধ হৈছিল। ফ্ৰান্সৰ জুলিয়'কুৰি, ইটালিৰ ফাৰ্মি আদি বিজ্ঞানীসকলকো নিউক্লীয় গৱেষণাৰ ফলাফল প্ৰকাশ নকৰিবলৈ তেওঁ অনুৰোধ কৰিছিল। কিন্তু ১৯৩৯ চনত জাৰ্মানিৰ নিউক্লীয় গৱেষণাৰ অগ্ৰগতিৰ কথা গম পাই তেওঁ আইনষ্টাইনৰ চিঠিখন নিজে লিখি, আইনষ্টাইনৰ চহী লৈ ৰুজভেল্টলৈ পঠিয়াই দিলে।

১৯৪৫ চনত বোমা সাজু হ'ল। আৰম্ভ হ'ল জিলাৰ্ডৰ অন্যমুখী প্ৰচাৰ অভিযান। তেওঁ অনুৰোধ কৰিলে—জাপান আৰু অন্যান্য দেশৰ প্ৰতিনিধি মাতি বোমাৰ ভয়াবহ ধ্বংসলীলা দেখুৱাব লাগে; সাধাৰণ মানুহৰ ওপৰত ইয়াক প্ৰয়োগ কৰিব নালাগে। কিন্তু মিলিটেৰি, যুদ্ধ পিপাসু নায়কৰ হাতত এনে অস্ত্ৰ এটা তুলি দিয়াৰ পাছত, তেওঁলোকক বন্ধ কৰাৰ উপায় বিজ্ঞানীসকলৰ হাতত নাছিল।

বিজ্ঞানীৰ আৱিষ্কাৰে হিৰোছিমা নগৰীৰ হাজাৰ-হাজাৰ মানুহৰ থিতাতে মৃত্যু ঘটালে, হাজাৰ-হাজাৰ মানুহ চিৰকাললৈ পংগু আৰু বেমাৰী হ'ল, জন্ম হ'ল বিকলাংগ শিশুৰ। ১৯৪৫ চনৰ ৬ আগষ্টৰ ৰাতিপুৱা ৮-১৫ বজাত মানব ইতিহাসৰ এক ট্ৰেজিক অধ্যায়ৰ আৰম্ভ হ'ল।

এই ট্ৰেজেডিৰ এজন নায়ক জিলাৰ্ড এতিয়াও জীৱিত। পৰবৰ্তীকালত তেওঁ পদাৰ্থবিজ্ঞানৰ গৱেষণা বাদ দি জীৱবিজ্ঞানৰ গৱেষণাত মনোনিবেশ কৰে।

১৯৪৫ চনৰ ১৪ আগষ্টৰ দিনাখন জাপানে আত্মসমৰ্পণ কৰে আৰু দ্বিতীয় মহাসমৰৰ অন্ত পৰে। কিন্তু নিউক্লীয় বোমাৰ বিভীষিকাৰ অন্ত নপৰিল। ইউৰোপত প্ৰাধান্য বিস্তাৰক কেন্দ্ৰ কৰি আমেৰিকা আৰু ৰুছিয়াৰ মাজত প্ৰতিযোগিতা আৰম্ভ হয় আৰু এই মনোভাৱে নিউক্লীয় অস্ত্ৰ প্ৰতিযোগিতাৰো বেগ বঢ়াই আনে। এই প্ৰতিযোগিতাকে 'আৰ্ম-ৰে'ছ' অৰ্থাৎ যুদ্ধাস্ত্ৰৰ দৌৰ বুলিও কোৱা হয়। এই দৌৰৰ কেইবাটাও ধাপ আছে। যেনে:

(ক) ১৯৪৫—১৯৫৭ চন: আমেযুক্ত ৰাজ্যৰ নিৰংকুশ প্ৰাধান্য।

(খ) ১৯৫৭—১৯৬২: যুক্তৰাজ্যৰ প্ৰাধান্য-যুগৰ অৱসান; ৰুছিয়াৰ দ্ৰুত অগ্ৰগতি।

(গ) ১৯৬৩—৭০ যুক্তৰাজ্য আৰু ৰুছিয়াৰ সমপৰ্যায় লাভ


(ঘ) ১৯৭০-৭৭→... ... নিউক্লীয় যুদ্ধাস্ত্ৰৰ আৰু ক্ষেপণাস্ত্ৰৰ ক্ষেত্ৰত সমতা স্থাপন

(ঙ) ১৯৭৭-১৯৮৪ ৰুছিয়াৰ শক্তি বৃদ্ধি আৰু দুই শক্তিৰ মাজত যুদ্ধাস্ত্ৰৰ সমতা স্থাপনৰ চেষ্টাত আলোচনা। ৰেগানৰ দ্বাৰা SDI বা Star-War প্ৰগ্ৰেমৰ সূচনা।

১৯৪৯ চনত আমেৰিকাৰ হাতত এশৰপৰা দুশৰ ভিতৰত্ত নিউক্লীয় বোমা আছিল। এনে বোমা পেলাবলৈ ৪০০০ মাইল দূৰত্ব অতিক্ৰম কৰিব পৰা B-29 বোমাৰু বিমান সাজু আছিল। ১৯৪৯ চনত ৰুছিয়াৰ প্ৰথম নিউক্লীয় (বা এটম) বোমা বিস্ফোৰিত কৰা হয়। ১৯৫২ চনৰ নৱেম্বৰ মাহত আমেৰিকাই বহুত বেছি শক্তিশালী তাপ-নিউক্লীয় বা হাইড্ৰজেন বোমা সফলতাৰে পৰীক্ষা কৰে। এবছৰ ঘুৰ নৌহওঁতেই ৰুছিয়া ১৯৫৩ চনৰ আগষ্ট মাহত একেধৰণৰ পৰীক্ষাত সফল হয়। পঞ্চাছৰ দশকত নিউক্লীয় বোমা আৰু বোমাৰু বিমানৰ ক্ষেত্ৰত আমেৰিকাৰ প্ৰাধান্য অব্যাহত থাকে।

পাৰস্পৰিক সন্দেহ আৰু নিজস্ব প্ৰভাৱ আৰু প্ৰাধান্য বিস্তাৰৰ চেষ্টাই দুই বৃহৎ শক্তিক নিউক্লীয় অস্ত্ৰ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত ওচৰ চাপি আহিবলৈ নিদিয়াকৈ ৰাখে। ১৯৪৬ চনৰ বাৰুখ প্লানৰ কথাকে উল্লেখ কৰিব পাৰি। আমেৰিকাই প্ৰস্তাৱ দিলে যে আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক ডেভেলপমেণ্ট অথৰিটি এটা গঢ়ি তুলি তেওঁলোকৰ হাতত নিউক্লীয় বোমা আৰু শক্তি সম্পৰ্কীয় সকলো দায়িত্ব আৰু ক্ষমতা অৰ্পণ কৰা হওক। এই অথৰিটি প্ৰতিষ্ঠা হোৱাৰ পাছত সকলো ধৰণৰ নিউক্লীয় অস্ত্ৰ ধ্বংস কৰি পেলাব পাৰি। সেই সময়ত এনে অনুষ্ঠান এটাত পাশ্চাত্যৰ দেশসমূহৰ প্ৰাধান্য সহজে স্থাপিত হ'লহেঁতেন। গতিকে ৰুছিয়া সেই প্ৰস্তাৱত মান্তি নহ'ল; —তেওঁলোকে প্ৰস্তাৱ দিলে যে প্ৰথমতে সকলো ধৰণৰ নিউক্লীয় যুদ্ধাস্ত্ৰ ধ্বংসহে কৰিব লাগে। এই প্ৰস্তাৱত আমেৰিকা মান্তি হব নোৱাৰিলে, কাৰণ যুদ্ধবিধ্বস্ত ইউৰোপক* ৰুছিয়াৰ গৰাহৰ পৰা (আমেৰিকাৰ মতে) ৰক্ষা কৰিবলৈ নিউক্লীয় বিভীষিকাই আছিল আমেৰিকাৰ প্ৰধান সম্বল। এনেদৰে নিউক্লীয় যুদ্ধাস্ত্ৰ নিয়ন্ত্ৰণৰ বাবে বহুত আলোচনা-বিলোচনা হৈছে যদিও দুই মহাশক্তিৰ জিঅ'-পলিটিকেল (Geo-Political) দৃষ্টিভংগী বেলেগ হোৱা বাবে চকুত পৰা বিধৰ অগ্ৰগতি হোৱা নাই। বিশ্বাস আৰু সহযোগিতাৰ ঠাইলনি সন্দেহ আৰু প্ৰতিযোগিতাৰ মাজেদিহে দুই মহাশক্তিৰ আলোচনা-বিলোচনা চলে।

* সেই সময়ৰ এটা মিলিটেৰি কৌতুক আছিল এনে ধৰণৰ: প্ৰশ্ন—ৰুছিয়াৰ ৰেড আৰ্মিয়ে পেৰিছ দখল কৰিব খুজিলে তেওঁলোকক কি কি আহিলা লাগিব। উত্তৰ—'জোতা' (সৈন্যৰ বাবে)।




কিমান নিউক্লীয় যুদ্ধাস্ত্ৰ ব্যৱহাৰ-যোগ্য হৈ আছে, এনে ধৰণৰ সঠিক ধাৰণা কৰা বৰ টান। চিত্ৰত হাৰ্ভাৰ্ড নিউক্লীয় অধ্যয়ন গ্ৰুপে কৰা "এষ্টিমেট" দেখুউৱা হৈছে।

পঞ্চাছৰ দশকত অতি দ্ৰুত হাৰত নিউক্লীয় যুদ্ধাস্ত্ৰৰ বিকাশ ঘটে। হিৰোছিমাত ব্যৱহৃত বোমাতকৈ হাজাৰগুণ বেছি ক্ষমতাসম্পন্ন বোমাৰ সংখ্যা বাঢ়ে। ১৯৫৬-৫৭ চনত ৰুছিয়াই উপগ্ৰহ স্থাপন আৰু আন্তঃমহাদেশীয় ক্ষেপণাস্ত্ৰৰ (Inter Continental Ballistic Missile: ICBM) ক্ষেত্ৰত বিশেষ সফলতা লাভ কৰে। ১৯৬২ চনলৈকে নিউক্লীয় যুদ্ধাস্ত্ৰৰ ক্ষেত্ৰত সামগ্ৰিকভাৱে আমেৰিকাৰ প্ৰাধান্য বলবৎ আছিল যদিও ক্ষেপণাস্ত্ৰৰ বিকাশে এই প্ৰাধান্যৰ গুৰুত্ব যথেষ্ট কমাই দিয়ে। —এই সময়ত আমেৰিকাই শক্তিশালী বোমাৰু বিমান আৰু ৰুছিয়াই আন্তঃমহাদেশীয় ক্ষেপণাস্ত্ৰৰ বিকাশৰ ওপৰত গুৰুত্ব দিয়ে আৰু দুয়োদেশে এই দুই দিশত নিজৰ নিজৰ প্ৰাধান্য স্থাপন কৰে। এনে প্ৰাধান্য কম-বেছি পৰিমাণে পৰবৰ্তী কালতো অব্যাহত থাকে। কিন্তু পঞ্চাছ দশকতো নিউক্লীয় যুদ্ধাস্ত্ৰৰ ক্ষেত্ৰত আমেৰিকা বহুত আগবাঢ়ি আছিল।

এই সময়তে প্ৰতিৰক্ষাৰ ত্ৰিধাৰা (Triad) নীতি আমেৰিকাই প্ৰবৰ্তন কৰে। তেওঁলোকে ICBM অৰ উপৰিও SLBM (Submarine Launched Ballissic Missilles) আৰু দূৰগামী ষ্ট্ৰেটেজিক বোমাৰু বিমানৰ সমন্বিত প্ৰতিৰক্ষা গঢ়ি তোলে।

এই কালছোৱাত ক্ৰমান্বয়ে জনসাধাৰণৰ মাজত নিউক্লীয় বোমাৰ বিৰুদ্ধে মত গঢ়ি উঠে আৰু ১৯৬৩ চনত সীমিত পৰীক্ষা নীতি গৃহীত হয়। এই নীতি অনুসৰি মাটিৰ তলতহে নিউক্লীয় বোমা পৰীক্ষা কৰি চাবপৰা যাব। উল্লেখযোগ্য যে বায়ু মণ্ডলত কৰা পৰীক্ষাৰ ফলত ক্ৰমান্বয়ে তেজস্ক্ৰিয়তাৰ পৰিমাণ বৃদ্ধি পাই আহিছিল। ১৯৬৩ চনৰ নিউক্লীয় বেলেন্ছ বা ডিটেৰেন্ছৰ পৰিমাণ আছিল এনেকুৱা



OKDISCD

| | ৰুছিয়া | আমেৰিকা যুক্তৰাষ্ট্ৰ |
|---|---|---|
| ICBM (নিক্ষেপক) | ৪৪ | ২২৯ |
| SLBM (নিক্ষেপক) | ৯৭ | ১৪৪ |
| ষ্ট্ৰেটেজিক বোম্বাৰ | ১৫৫ | ১৬০০ |

এই সময়ত নিক্ষেপণৰ সঁজুলি আৰু বোমাৰ সংখ্যাৰ ফালৰপৰা আমেৰিকাৰ প্ৰাধান্য নিঃসন্দেহে চকুত পৰা বিধৰ আছিল। সেয়েহে বহুতো ঐতিহাসিকে ক'ব খোজে যে কিউবা-সংকটৰ (১৯৬২) সময়ত নিউক্লীয় সমৰ এখনত আমেৰিকাৰ সন্মুখীন হোৱাৰ সামৰ্থ্য ৰুছিয়াৰ নাছিল।


তালিকা-১

| | ৰুছিয়া | আমেৰিকা যুক্তৰাষ্ট্ৰ |
|---|---|---|
| ICBM (নিক্ষেপক) | ১৩৯৮ (৮২০)* | ১০১৮ (৫৫০)* |
| SLBM ( ,, ) | ৯২১ (৩৫২)* | ৬৭২ (৬৪০)* |
| ষ্ট্ৰেটেজিক বোমাৰ | ১৬০ (৫৩)** | ৫১৮ (১১৭)** |
| মুঠ নিক্ষেপাস্ত্ৰ | ২৪৮০ | ২২০৮ |
| নিক্ষেপাস্ত্ৰত সাজু কৰি ৰখা নিউক্লীয় যুদ্ধাস্ত্ৰৰ সংখ্যা | ১০,০০০ | ১৪,৮০০ |

* এটা তৰাৰে চিন দিয়া সংখ্যাবোৰে MIRV ক্ষেপণাস্ত্ৰৰ সংখ্যা সূচাইছে। দুটা তৰাৰে চিন দিয়া সংখ্যাবোৰ ক্ৰুইজ মিছাইল যুক্ত বোমাৰু বিমানৰ সংখ্যা। সাধাৰণ যুদ্ধ বা কৌশলমূলক যুদ্ধৰ বাবে সাজু থকা যুদ্ধাস্ত্ৰ আৰু ক্ষেপণাস্ত্ৰ এই হিচাপত ধৰা হোৱা নাই।

সত্তৰৰ দশকত এই অৱস্থাৰ দ্ৰুত পৰিবৰ্তন ঘটে। ৰুছিয়াই যুদ্ধকালীন গতিত প্ৰচেষ্টা চলাই মাৰণাস্ত্ৰৰ ভাৰসাম্য বা বেলেন্‌ছ গঢ়ি তোলে। সত্তৰৰ দশকৰ শেষৰ ফালে দুই মহাশক্তিৰ অৱস্থান আছিল এনেকুৱা:

| | ৰুছিয়া | আমেৰিকা যুক্তৰাষ্ট্ৰ |
|---|---|---|
| ICBM (নিক্ষেপক) | ১৩০০ | ১০৫৪ |
| SLBM (নিক্ষেপক) | ২৪০ | ৬৫৬ |
| ষ্ট্ৰেটেজিক বোম্বাৰ | ১৪০ | ৫২০ |
| যুদ্ধাস্ত্ৰ/বোমা | ১৮০০ | ৪০০০ |
| মুঠ মেগাটন | ৩১০০ | ৪৩০০ |




যুদ্ধাস্ত্ৰ (Warheads) থাকিলেই নহ'ব, সেইবোৰ যথাস্থানত নিক্ষেপ কৰিবলৈ ক্ষেপণাস্ত্ৰ, বিশেষ বোমাৰু বিমান আদিও লাগিব। আমেৰিকা যুক্তৰাষ্ট্ৰ (—) আৰু ৰুছিয়াৰ (···) ICBM (Inter-Continental Ballistic Missile), SLBM (Submarine Launched Ballistic Missiles) আৰু পোনে পোনে আমেৰিকাৰ পৰা ৰুছিয়া বা ৰুছিয়াৰ পৰা আমেৰিকা পাব পৰা অতি শক্তিশালী বোমাৰু বিমানৰ (B-47 আমেৰিকাৰ) তুলনামূলক লেখচিত্ৰ। অন্য দেশৰ মাটিত থোৱা ক্ষেপণাস্ত্ৰ আৰু বিমানৰ সংখ্যা ইয়াত ধৰা নাই।


এই দশকত MIRV (Multiple Independently Targetable Re-entry Vehicle) নামৰ ক্ষেপণাস্ত্ৰৰ বিকাশ ঘটে। এই ক্ষেপণাস্ত্ৰৰ পৰা কেইবাটাও যুদ্ধাস্ত্ৰ/বোমা বিভিন্ন সময় আৰু দিশত পঠিয়াব পাৰি। ইতিমধ্যে দুয়ো দেশে ABM (Anti Ballistic Missile) অৰ্থাৎ ক্ষেপণাস্ত্ৰ বিধ্বংসী ব্যৱস্থাও গঢ়ি তোলে; এনে সমৰসজ্জা আশীৰ দশকৰ আৰম্ভণিলৈকে মাটি, পানী, বায়ু, ভূগৰ্ভ আৰু সমুদ্ৰ গৰ্ভতে চলি আছিল। যুদ্ধৰ প্ৰয়োজনত মহাকাশৰ ব্যৱহাৰে আৰম্ভ কাহানিবাই হৈছিল যদিও প্ৰেছিডেণ্ট ৰেগানৰ ষ্ট্ৰেটেজিক ডিফেন্‌ ইনিছিয়েটিভ (SDI) ব্যৱস্থাই নিউক্লী যুদ্ধৰ পৰিসৰ মহাকাশলৈ বঢ়াই নি বুলি আশংকা কৰা হৈছে। ৰুছিয়া মতে:

SDI is an extensive milli tary program for developin strike weapons and deployin them in space, and attemp to turn the outer space int a potential theatre of wa to gain military superiorit through space.

ইতিমধ্যে হাজাৰ-কোটি টকা SD আঁচনিত (গৱেষণামূলক) খৰচ ক হৈছে। ১৯৮৬ চনত ৰুছিয়া আ আমেৰিকাৰ ষ্ট্ৰেটেজিক বেলেন্‌ছ তুলনা তালিকা ১অত দেখুউৱা হৈছে।

এই তালিকাৰপৰা বুজিব পা যে ষ্ট্ৰেটেজিক বেলেন্‌ছ আৰু মে (পাৰস্পৰিক ধ্বংসৰ প্ৰতিশ্ৰুতি) ক্ষেত্ৰ দুয়ো মহাশক্তি সমানে আগবাঢ়ি আছে। এইখিনি যুদ্ধাস্ত্ৰ আৰু নিক্ষে পাস্ত্ৰ ব্যৱহাৰ কৰি কেইবাখনো পৃথি ৰীৰ সভ্যতা ধ্বংস কৰি দিব প ক্ষমতা তেওঁলোকে আহৰণ কৰিছে কিন্তু আমাৰ পৃথিৱী মাত্ৰ এখনে এইখন পৃথিৱীৰ জলবায়ু, মাটি, ইক ছিষ্টেম ধ্বংস কৰি আমি বাচি থাকি ক'ত?

এই প্ৰতিযোগিতা চলিয়েই থাকিব নে? বৃহৎ শক্তি দুটাৰ মাজৰ পাৰস্পৰিক সন্দেহ, ভয়, দৃষ্টিভংগীৰ পাৰ্থক্য আৰু অনিশ্চয়তাৰ মনোভাৱ থকালৈকে এই 'মেড' প্ৰতিযোগিতাৰ অন্ত হোৱাৰ সম্ভাৱনা কম। দুই বৃহৎ শক্তিৰ জাতীয় দৰ্শন, সামগ্ৰিক জিঅ'-পলিটিকেল ধাৰণা আৰু মিলিটেৰি-উদ্যোগ-চক্ৰৰ পৰিৱৰ্তন নহলে, সামগ্ৰিক যুদ্ধাস্ত্ৰ প্ৰতিযোগিতাৰ (arm-race) শেষ হ'ব নোৱাৰে। নিউক্লীয় অস্ত্ৰৰ উৎপাদন, সংস্থাপন আৰু ক্ষেপণ যুদ্ধমত্তা এই প্ৰতিযোগিতাৰ প্ৰধান উপাদান। উল্লেখযোগ্য যে ১৯৫১ চনৰেপৰা অস্ত্ৰ প্ৰতিযোগিতা প্ৰায় একে ধৰণৰ মনোভাৱেৰে পৰিচালিত হৈছে। তেতিয়া প্ৰেছিডেণ্ট ট্ৰুমেনে হাইড্ৰ'জেন বোমা সম্পৰ্কীয় আলোচনাত প্ৰশ্ন তুলিছিল, "ৰুছিয়ানসকলে এই বিধ বোমাৰ তৈয়াৰ কৰিব পাৰিব নে?" সকলো বিশেষজ্ঞই উত্তৰ দিছিল —"পাৰিব।" তেতিয়া প্ৰেছিডেণ্টে কছিল, "তেনেহলে আমাৰ হাত-ভৰি




আমেৰিকা (—) আৰু ৰুছিয়াৰ ভঁৰালত ক্ৰমান্বয়ে জমা হোৱা নিউক্লীয় মাৰণাস্ত্ৰৰ লেখচিত্ৰ। দুয়ো দেশৰ Equivalent হোৱা বোমাৰ Total Megaton অৰ (TEM) পৰিমাণ বহুত হাজাৰ মেগাটন পাৰ হৈ গৈছে। ফ্ৰান্স, ইংলণ্ড আৰু চীনৰ ভঁৰালতো কিছু সংখ্যক বোমা মজুত আছে। এই সংখ্যা প্ৰতিবছৰে বাঢ়ি আছে।

*নিউক্লীয় সমস্যাৰ সহজ সমাধান এটাও নাই। তথাপি ভয়, সন্দেহ আৰু তথাকথিত ধৰ্মযুদ্ধ-মানসিকতাৰ (ধৰ্মক্ষেত্ৰে কুৰুক্ষেত্ৰে···) পৰা ব্যক্তি, সমাজ আৰু দেশ মুক্ত হ'ব পাৰিলেহে নিউক্লীয় বিভীষিকাৰ পৰা আমি লাহে-লাহে মুক্তি পাব পাৰিম।*

আৰ্ন্ধা। আমিও সেই দিশত আগবাঢ়িব লাগিব।" এনে মনোবৃত্তিৰেই আৰ্ম-ৰে'ছ চলিছে; পৃথিৱীৰ মানুহ আৰু মানৱ সভ্যতা এক অজানিতে আত্মঘাতী ঘটনাৰ পিনে আগবাঢ়ি যাব লাগিছে।

আমি এই প্ৰবন্ধত ষ্ট্ৰেটেজিক অৰ্থাৎ গুৰুত্ব-আৰোপিত অস্ত্ৰৰ বিষয়েহে আলোচনা কৰিছোঁ। এইবোৰৰ উপৰিও যুদ্ধত ব্যৱহৃত আৰু অনিউক্লীয় অস্ত্ৰৰ প্ৰতিযোগিতা চলিয়েই আছে। এই বিধ প্ৰতিযোগিতাৰ ফলত অৰ্থনৈতিক দিশত পিছপৰা জাতিসমূহৰ অগ্ৰগতি ব্যাহত হৈছে। যুদ্ধাস্ত্ৰৰ প্ৰস্তুতকাৰীসকলক মৃত্যুৰ সদাগৰ বুলি কব পাৰি। যুদ্ধাস্ত্ৰৰ প্ৰতিযোগিতাৰ ফলত তৃতীয় বিশ্বৰ দেশসমূহ, লেটিন আমেৰিকাৰ দেশবোৰ আকণ্ঠ ঋণত পোত যাবলৈ আৰম্ভ কৰিছে। ১৯৮৪ চনত আমেৰিকাৰ পেণ্টাগনে প্ৰায় ১৫০০ কোটি ডলাৰ বা ২২৫০০ কোটি টকা মূল্যৰ অস্ত্ৰ-শস্ত্ৰৰ অৰ্ডাৰ দিয়ে আৰু এই অতি বৃহৎ অংকৰ অৰ্ডাৰৰ আধা লাভ কৰে মাত্ৰ ২৫ টা প্ৰতিষ্ঠানে। সেইবোৰৰ ভিতৰত লক্‌হিড, জেনেৰেল ডাইনামিকছ, ৰক্‌ৱেল ইণ্টাৰনেশ্যনেল মেকডোনেল ডগলাছ প্ৰভৃতি আন্তঃৰাষ্ট্ৰীয় কৰ্পৰেশ্যনো আছে। বৰ্তমানে পাশ্চাত্যৰ দেশসমূহ আৰু ৰুছিয়াৰ ৰপ্তানি সামগ্ৰীৰ তালিকাত সামৰিক আহিলা-পাতিয়ে অতি গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰিছে। যি সময়ত আফ্ৰিকাৰ দুৰ্ভিক্ষ-পীড়িত জনগণক দিব লাগিছিল এমুঠি অন্ন, তৃতীয় বিশ্বৰ আগবাঢ়িব খোজা দেশবোৰ প্ৰতি আগবঢ়াব লাগিছিল সহায়ৰ হাত, সেই সময়ত উন্নত দেশৰ শক্তিশালী, মুনাফাখোৰ মিলিটেৰি উদ্যোগগোষ্ঠীয়ে প্ৰতিটো জাতিৰ হাততে তুলি দিছে যুদ্ধৰ মাৰণাস্ত্ৰ। বিগত দশকত আমেৰিকাই কেইবা হাজাৰো কোটি টকা মূল্যৰ

OKDISCD

যুদ্ধাস্ত্ৰ ৰপ্তানি কৰে। কম বেছি পৰিমাণে এই মৰণৰ বেহাত ইংলণ্ড, জাৰ্মানি, ফ্ৰান্স, ইটালি, ছেকোশ্লোভাকিয়া ৰুছিয়া আদি দেশো লিপ্ত। কাৰণ মৰণৰ বেহাত মুনাফা যথেষ্ট : লোভ সামৰিব নোৱাৰাকৈ যথেষ্ট। গতিকে অনগ্ৰসৰ দেশসমূহে স্বাস্থ্য, খাদ্য, শিক্ষা আদি শিতানত তুলনামূলকভাৱে কম ধন খটুৱাই, ধন খটুৱাইছে সামৰিক আহিলা সংগ্ৰহ কৰাত। ছৌডি আৰবে তেল বেচি প্ৰচুৰ টকা পাইছে সঁচা; কিন্তু F-5, F-15 এৰেকছ আদি বিমানাস্ত্ৰ, M-60 টেংক, বৰ্মযুক্ত যান আদি আমেৰিকাৰ পৰা কিনোতে তেওঁলোকে প্ৰায় ৪৩০০ কোটি ডলাৰ খৰচ কৰিছে। গতিকে তেলৰ দামৰ জৰিয়তে পৃথিৱীৰ জনগণৰ পৰা শুহি অনা টকাৰ অধিকাংশ সোমালগৈ কেইটামান বিত্তশালী কৰ্পৰেশ্যনৰ প্ৰেৱাত। ইৰাক-ইৰানৰ যুদ্ধৰ ফলতো একেধৰণৰ ঘটনা ঘটিছে। যুদ্ধাস্ত্ৰ নিৰ্মাতাসকলে অস্ত্ৰৰ যোগান বন্ধ কৰা হলে এই যুদ্ধৰ যৱনিকা কাহানিবাই পৰিলেহেঁতেন।

নিউক্লীয় মহাযুদ্ধ এখন বন্ধ কৰি ৰাখিবলৈ দুয়ো মহা শক্তিয়ে যত্ন নকৰাকৈ থকা নাই। নানা ধৰণৰ আলোচনা-বিলোচনা, সীমিতকৰণ চুক্তি (Salt 1, Salt 11, Geneva Protocol, Antarctic Treaty, Outer-space Treaty, Nuclear Non Proliferation Treaty. Limited Test Ban Treaty ইত্যাদি) আৰু হটলাইন আদিৰ জৰিয়তে নিউক্লীয় বিভীষিকাৰ প্ৰাদুৰ্ভাৱ কমাব খোজা হৈছে। এনে প্ৰচেষ্টা দুৰ্বল হলেও আদৰণীয়; তথাপি কাৰ্যকলাপৰ পৰা গম পোৱা যায় যে দুয়ো শক্তি এতিয়াও Principle of Deterence অত সমানে বিশ্বাসী। ১৯৪৫ চনতে আৰম্ভ হোৱা নিউক্লীয় বিভীষিকাৰে বিশ্বযুদ্ধ বন্ধ কৰাৰ যত্ন অব্যাহত আছে। নিজৰ দেশৰ প্ৰতিৰক্ষা ব্যৱস্থা শক্তিশালী কৰি প্ৰথম খুন্দাতে অন্য দেশৰ কংকাল ভাঙি দিব পৰা আঘাত হনাৰ বাসনাও কমি যোৱা নাই। মানব জাতিৰ বাবে অলপ আশা এইবাবেই আছে যে প্ৰতিৰক্ষা আৰু আক্ৰমণৰ ক্ষেত্ৰত দুয়ো মহাশক্তিৰ মাজত এক পৰিবৰ্তনশীল সমতুল্যতা প্ৰতিষ্ঠিত হৈছে। কিন্তু ক'ৰবাত অলপ ভুল বুজাবুজি, অলপ যান্ত্ৰিক বিজুতি বা অন্য অঞ্চলত চলা সীমিত যুদ্ধৰ ফলত ফিৰিঙতিৰ পৰাই খাণ্ডৱ দাহ হ'ব পাৰে। আমেৰিকা আৰু ৰুছিয়াই (এটা সমীক্ষা অনুসৰি) প্ৰায় দহ হাজাৰ মেগাটন পৰিমাণৰ বোমা যি কোনো সময়তে ব্যৱহাৰ কৰিব পৰাকৈ মজুত কৰি ৰাখিছে। তাৰে এক শতাংশ হ'ল এশ মেগাটন। এই এশ মেগাটন ৮২০০ টা হিৰোছিমা বোমাৰ সমান। আমেৰিকা আৰু ৰুছিয়াৰ উপৰিও আনবোৰ দেশৰ হাততো প্ৰায় এশ মেগাটন পৰিমাণৰ বোমা আছে বুলি অনুমান কৰিব পাৰি। এখন যুদ্ধত যদি মাত্ৰ এশ মেগাটন পৰিমাণৰ বোমা ব্যৱহাৰ হয়, তেন্তে কিছু সংখ্যক মানুহ বাচি যাব; কিন্তু পৃথিৱীৰ জলবায়ু আৰু ইক'ছিষ্টেম ecosystem এনেদৰে বিধ্বস্ত হ'ব যে আজিৰ সভ্যতা বাচি নাথাকিব। নিউক্লীয় ধ্বংসকাণ্ডৰ পাছত নামি আহিব ধূলি-ধোঁৱাই আবৰা, দীঘলীয়া ৰাতি আৰু নিউক্লীয় শীত কাল।

নিউক্লীয় বলিয়ালি আৰু ভীতিৰ মাজেদি মানবজাতি কিমান আগবাঢ়ি যাব পাৰিব ? এই প্ৰশ্নৰ উত্তৰ দিয়া টান। নিউক্লীয় সমস্যাৰ সহজ সমাধান এটাও নাই। তথাপি ভয়, সন্দেহ আৰু তথাকথিত ধৰ্মযুদ্ধ-মানসিকতাৰ (ধৰ্মক্ষেত্ৰে কুৰুক্ষেত্ৰে···) পৰা ব্যক্তি, সমাজ আৰু দেশ মুক্ত হ'ব পাৰিলেহে নিউক্লীয় বিভীষিকাৰ পৰা আমি হয়তো লাহে লাহে মুক্তি পাব পাৰিম। আমেৰিকা আৰু ৰুছিয়াৰ হাজাৰ-হাজাৰ বোমাৰ তথাকথিত ষ্ট্ৰেটেজিক ভাৰসাম্য, তৃতীয় বিশ্বৰ দুখন বিবদমান দেশৰ কেইকুৰিমান বোমাৰ (অদূৰ—ভৱিষ্যতত) আঞ্চলিক ভাৰসাম্য আদিয়ে মানব জাতিৰ কোনো হিত সাধ নকৰে। লগতে আমি মনত ৰাখি লাগিব যে কোনো প্ৰকাৰৰ যুদ্ধয়ে নিউক্লীয় যুগত ধৰ্মযুদ্ধ ৰূপে পৰিগণি হ'ব নোৱাৰে। বহুতো সমীক্ষকৰ মতে আমাৰ ভৱিষ্যত এনেকুৱা :

(Jonathan schell : Th Fate of the Earth)

If we are honest wit ourselves, we have to adm that unless we rid ourselv of our nuclear arsenals, holocust not only mig occur but will occur—if n to-day, then tomorrow ; if n this year, then the nex We have come to live borrowed time ; every year continued human life earth is a borrowed yea every day a borrowed day.

তথাপি আমি আশাবাদী হ লাগিব। প্ৰতিদিনে মানবচৰিত্ৰ দুৰ্বলতা আঁতৰাই বিশ্বাস, সহযো আৰু সহঅৱস্থানৰ পৰিবেশ গঢ়ি তুলি পাৰিলেহে নিউক্লীয় বিভীষিকাৰ প আমি মুক্তি লাভ কৰিব পাৰিম।


বাণী শৰ্মাৰ
বন্দিনী বাসনা
ঐতিহাসিক প্ৰেমৰ কাহিনীৰ অনুপম সংকলন
দাম : আঠ টকা
পৰিবেশক : গ্ৰন্থপীঠ
পানবজাৰ/গুৱাহাটী—১



# অসমৰ গেছ সম্পদ আৰু অসম গেছ কোম্পানি

ৰানু বৰুৱা

অসমৰ প্ৰায় ২,০০,০০০ হেক্টৰ মাটিৰ চাহসম্পদ, ৩০০০ হেক্টৰ মাটিৰ বনাঞ্চলৰ বনসম্পদ, বছৰি উদ্ঘাটন হোৱা ৫০,০০,০০০ মেট্ৰিক টন খাৰুৱা তেল, বছৰি জলাই দিয়া ৩০,০০,০০,০০০ ঘন মিটাৰ প্ৰাকৃতিক গেছ, ১২,০০০ মেগাৱাট পৰিমাণৰ জলবিদ্যুৎ শক্তি উৎপাদনৰ সামৰ্থ্য থকা ব্ৰহ্মপুত্ৰৰ জলসম্পদ আৰু বহু অমূল্য প্ৰাকৃতিক সম্পদৰ মাজত থাকিও আমি আজি এইবোৰৰ পৰা বহু দূৰত। অসমতেই বছৰি চাহ উৎপন্ন হয় প্ৰায় ২৬০ নিযুত কিল'গ্ৰাম, অথচ অসমৰ মানুহে চাহ (নিম্নমানৰ!) কিনি খাব লাগে দিল্লী-কলিকাতাৰ বজাৰৰ মূল্যতকৈ বেছি মূল্যত। দেশৰ আধাতকৈয়ো বেছি তেল ইয়াতেই উৎপন্ন হয়, অথচ ইয়াতেই তেলৰ ব্যৱহাৰ আটাইতকৈ কম। কেৱল জলবিদ্যুতৰপৰাই পাব পৰা ১২,০০০ মেগাৱাট বিদ্যুৎ শক্তিৰ বিপৰীতে অসমৰ বহু অঞ্চল এতিয়াও অন্ধকাৰত হৈ থাকিবলগীয়া অৱস্থা। আমাৰ সম্পদসমূহৰ ব্যৱহাৰৰ পূৰ্ণ সুযোগ সুবিধা আমি ল'ব পৰা নাই।



নামৰূপত গেছ লাইনৰ সংযোগস্থল। ইয়াৰ পৰা বিভিন্ন উদ্যোগিক প্ৰতিষ্ঠানলৈ পাইপেৰে গেছৰ যোগান ধৰা হয়

আজিৰ দিনত একোটা অঞ্চলৰ সামগ্ৰিক প্ৰগতি নিৰ্ণয় কৰাৰ কেতবোৰ সূচক হৈছে, অঞ্চলটোৰ জনমূৰি আয়, বিদ্যুৎ শক্তিৰ ব্যৱহাৰ, চিকিৎসকৰ সংখ্যা, বাট-ঘাটৰ অৱস্থা, সাক্ষৰতাৰ হাৰ ইত্যাদি। সেই দিশৰ পৰা চাবলৈ গলে অসম তথা অসমীয়াৰ অৱস্থা অতি পুতৌ লগা। অসমৰ জনমূৰি আয় হ'ল ৮৪৮ টকা। ভাৰতৰ আন ৰাজ্যৰ তুলনাত অসমৰ স্থান হ'ল তলফালৰপৰা ষষ্ঠ। অসমে জনমূৰি বিদ্যুৎ শক্তি ব্যৱহাৰ কৰে ৪২ ইউনিট, সৰ্বভাৰতীয় গড় ১৫৪ ইউনিট।

আন আন সম্পদবোৰৰ দৰেই ৰাজ্যখন উপেক্ষিত হ'ব লগা হৈছে প্ৰাকৃতিক গেছৰ ক্ষেত্ৰতো। খাৰুৱা তেলখিনিৰ সিংহভাগটো পাইপ লাইনেৰে বাহিৰলৈ উলিয়াই নিয়া হয়। গেছখিনিৰ ক্ষেত্ৰত তাকে হয়তো হঠাতে কৰিব নোৱাৰি অবাবতে জ্বলাই দিয়া হৈছে।

প্ৰাকৃতিক গেছ খাৰুৱা তেলৰ দৰেই ভূগৰ্ভত থকা এবিধ অমূল্য খনিজ সম্পদ। প্ৰাকৃতিক গেছ দুই প্ৰকাৰে পোৱা যায় : (১) যুক্ত অৱস্থাৰ প্ৰাকৃতিক গেছ (Associated gas) আৰু (১) মুক্ত অৱস্থাৰ প্ৰাকৃতিক গেছ (Free gas)। প্ৰথম বিধ গেছ পোৱা হয় তেল খাদৰপৰা খাৰুৱা তেল আহৰণ কৰোঁতে অৰ্থাৎ খাৰুৱা তেলৰ লগত মিহলি হৈ থকা অৱস্থাত, আৰু দ্বিতীয় বিধ কিছুমান খাদৰপৰা কেৱল প্ৰাকৃতিক গেছৰ ৰূপতেই পোৱা যায়। অসমৰ প্ৰাকৃতিক গেছৰ অধিকাংশই হ'ল মিথেন (৮৬–৯০%)। ইয়াৰ উপৰিও কম পৰিমাণে ইথেন (৮–৯%), প্ৰপেন (২–৩·৫%) আৰু বিউটেন (০·৭–১·৭%) যোগ হিচাপে পোৱা যায়। খাৰুৱা তেলৰ পিছতেই শক্তিৰ উৎস, ইন্ধন, নানা পেট্ৰ'কেমিকেল সামগ্ৰীৰ কেঁচামাল ৰূপে প্ৰাকৃতিক গেছৰ চাহিদা বিশ্বত অত্যধিকভাৱে বৃদ্ধি পাইছে। বিশ্বৰ চাৰিও কোণত মকৰাজালৰ দৰে গঢ়ি উঠিছে অসংখ্য হ্ৰস্ব দীৰ্ঘ দুৰত্বৰ গেছ পৰিবাহিত পাইপ লাইন। বিশ্বৰ ঔদ্যোগিক জগতত বৰ্তমান প্ৰবল আলোড়ন তোলা প্ৰাকৃতিক গেছ আজি এশ বছৰৰ আগতেই অসমতো উদ্ঘাটিত হৈছিল। ষাঠিৰ দশকত এই অঞ্চলত অইল ইণ্ডিয়া আৰু অ'. এন. জি. ছি.এ চলোৱা বিস্তৃত তেল অনুসন্ধানৰ ফলত প্ৰাকৃতিক গেছৰো এক বিশাল ভাণ্ডাৰ আৱিষ্কাৰ হয়। তেতিয়াৰেপৰা তেলৰ লগতে গেছৰো সমানে উৎপাদন হ'বলৈ ধৰিলে। প্ৰাকৃতিক গেছখিনিৰ ব্যৱহাৰৰ প্ৰতি চকু ৰাখিবলৈ তেতিয়া কেন্দ্ৰীয় তথা ৰাজ্যিক চৰকাৰৰ অৱসৰ নাছিল; সকলোৰে চকু আছিল সেই অমূল্য পনীয়া সোণৰূপী খাৰুৱা তেলখিনিলৈহে।



OKDISCD


যি কি নহওক, আমেৰিকা যুক্ত-ৰাষ্ট্ৰৰ মেৰ্ছাছ স্নোডগ্ৰাছ এছোছিয়েট-ছৰ পৰামৰ্শক্ৰমে প্ৰাকৃতিক গেছখিনিৰ উপযুক্ত দিহা লগাবলৈ ভাৰত চৰকাৰে ১৯৫৮ চনত শ্ৰীএছ. এছ. খেৰাৰ নেতৃত্বত এখন কমিটি গঠন কৰি দিয়ে। খেৰা কমিটিৰ অনুমোদনৰ ভিত্তিত ড' জি. পি. কানেৰ অধক্ষ্যতাত গঠিত আন এখন কমিটিয়ে নাহৰকটীয়া তৈল তথা গেছ ক্ষেত্ৰৰ কাষতে এটা গেছ-ভিত্তিক ৰাসায়নিক সাৰ কাৰখানা আৰু এটা তাপ-বিদ্যুৎ প্ৰকল্প স্থাপনৰ পৰামৰ্শ আগবঢ়ায়।

প্ৰাকৃতিক গেছক উপজীব্য কৰি অসমত মাত্ৰ কেইটামান উদ্যোগহে গঢ়ি উঠিছে। তাৰ ভিতৰত নামৰূপ সাৰ কাৰখানা, নামৰূপ আৰু লাকুৱা তাপ-বিদ্যুৎ প্ৰকল্প, অসম পেট্ৰ'কেমি-কেলছ লিমিটেডেই প্ৰধান। ইয়াৰ উপৰিও কেইখনমান চাহ বাগিচা আৰু দুলীয়াজানত থকা ৰন্ধন গেছ প্ৰকল্প-টোত কম পৰিমাণে প্ৰাকৃতিক গেছ ব্যৱহাৰ কৰা হয়। যি পৰিমাণৰ গেছ পোৰা যায়, তাৰ তুলনাত এইকেইটা উদ্যোগক নগণ্য বুলিও কব পাৰি। প্ৰাকৃতিক গেছৰ ওপৰতেই ভিত্তি কৰি উজনি অসম অঞ্চলত এক বৃহৎ ঔদ্যোগিক চক্ৰ গঢ়ি উঠাৰ সম্ভাৱনা পূৰ্ণমাত্ৰাই আছিল আৰু আছে।

অজ্ঞাত কিছু কাৰণত ভাৰত চৰ-কাৰে আজি কেইবছৰমানৰ আগলৈকে বিদ্যুৎ শক্তিৰ উৎপাদন বা ঘৰুৱা ইন্ধন হিচাপে বা চাহ বাগিচাবোৰত প্ৰচলিত ইন্ধনৰ সলনি প্ৰাকৃতিক গেছ ব্যৱহাৰ কৰিবলৈ অনুমতি দিয়া নাছিল। তাৰ সলনি কেন্দ্ৰীয় চৰকাৰে প্ৰাকৃতিক গেছৰপৰা ৰাসায়নিক সামগ্ৰী উৎপাদন কৰিবলৈহে সিদ্ধান্ত গ্ৰহণ কৰি-ছিল। কিন্তু বিশ্বৰ গেছ সম্পদ থকা প্ৰায়বোৰ ৰাষ্ট্ৰই মাত্ৰাধিক্য ব্যয়ৰ বাবে প্ৰাকৃতিক গেছক ৰাসায়নিক উদ্যোগৰ কেচাঁমাল কৰাতকৈ ঘৰুৱা বা ঔদ্যো-গিক ইন্ধন সামগ্ৰী ৰূপে ব্যৱহা[ৰ] কৰাতহে সৰ্বাধিক গুৰুত্ব দিয়ে।

অসমত হিন্দুস্থান সাৰ নিগম আ[ৰু] অসম পেট্ৰ'কেমিকেলছে সামান্[য] পৰিমাণে ব্যৱহাৰ কৰাৰ পাছত বা[কী] হোৱা বৃহৎ পৰিমাণৰ গেছখিনি জ্বলা[ই] দিবৰ বাবেহে কেন্দ্ৰই অয়ল ইণ্ডিয়[া] আৰু অ'. এন. জি. ছি.ক মুকলিভাৱে কৰ্তৃত্ব প্ৰদান কৰিলে। যদি কেন্দ্ৰী[য়] চৰকাৰ প্ৰাকৃতিক গেছৰপৰা ৰাস[া]য়নিক উদ্যোগ স্থাপন কৰাৰে পক্ষপাতী আছিল, তেন্তে অসমত আজিকোপতি অধিক গেছ ভিত্তিক ৰাসায়নিক উদ্যোগ গঢ়ি উঠা উচিত আছিল।

প্ৰাকৃতিক গেছখিনিক অসমত ঘৰুৱা বা ঔদ্যোগিক ইন্ধন হিচাপে যিসময়ত ব্যৱহাৰ কৰাত বাধা আৰোপ কৰা হৈছিল, তেনেসময়তে ১৯৭৬ চনৰে পৰা বৰোদা মিউনিছিপেলিটিয়ে প্ৰা[য়] ৪১,০০০ জনসাধাৰণলৈ পাইপেৰে গে[ছ]







ইন্ধন ৰূপে যোগান ধৰিছিল। অসমত ইয়াৰ বাবে অথচ অনুমতি দিয়া নহ'ল। অসমৰ ৰাইজক অসমৰে সম্পদ এটাৰ সুফলৰ ভাগৰপৰা বঞ্চিত কৰিবলৈ বৰং তাক জ্বলাই পুৰি নিঃশেষ কৰি দিবলৈহে কেন্দ্ৰই ঔপনিবেশিক নীতি গ্ৰহণ কৰিলে।

এইদৰে কেন্দ্ৰীয় চৰকাৰেই আঞ্চলিক বৈষম্য গঢ়ি তোলা নাইনে? এইবিলাক বৈষম্যৰ বিৰুদ্ধে মাত মাতিলে কেন্দ্ৰই অসমবাসীক আঞ্চলিক-তাবাদী, ঠেক মনোভাবৰ ইত্যাদি আখ্যা দিয়ে। কিন্তু এই "আঞ্চলিক-তাবাদ"ৰ মনোভাবটো কেন্দ্ৰীয় চৰ-কাৰেই আমাৰ মগজুত সুমুৱাই দিয়া নাইনে?

পূৰ্বতেই উল্লেখ কৰি অহা হৈছে যে, খাৰুৱা তেল উদঘাটন কৰাৰ লগতে যুক্ত অৱস্থাত থকা প্ৰাকৃতিক গেছো ভূগৰ্ভৰ পৰা ওলাই আহে। এনে যুক্ত অৱস্থাৰ প্ৰাকৃতিক গেছ অয়ল ইণ্ডিয়াৰ তেলপথাৰত প্ৰতি টন খাৰুৱা তেলৰ লগত ৪৩০অৰ পৰা ৪৭০ ঘন মিটাৰকৈ, আৰু অ'. এন. জি. ছি.ৰ তেলপথাৰত ১৯০ৰ পৰা ২৪০ ঘন-মিটাৰকৈ, ওলায়। বৰ্তমান অয়ল ইণ্ডিয়া আৰু অ'. এন. জি. ছি.ৰ তেল-পথাৰৰ পৰা বছৰি প্ৰায় ক্ৰমান্বয়ে ১৩৫০ আৰু ৮৬৫ নিযুত ঘন মিটাৰকৈ এনে গেছ উৎপন্ন হয়। কেৱল অস-মতেই বছৰি গেছ উৎপাদন হয় প্ৰায় ২০০০ নিযুত ঘন মিটাৰতকৈও অধিক। কিন্তু তাৰে প্ৰায় এহেজাৰ নিযুত ঘন মিটাৰ গেছ প্ৰতিবছৰে জ্বলাই দিয়া হৈছে। পৰিসংখ্যাৰ পৰা দেখা গৈছে, অয়ল ইণ্ডিয়াৰ গেছ জ্বলোৱাৰ পৰিমাণ বছৰি ৪৩০অৰ পৰা ৮০০ নিযুত ঘন মিটাৰ পৰ্যন্ত হয়। আনহাতে অ'. এন. জি. ছি.ৰ ক্ষেত্ৰত দেখা গৈছে যে ১৯৫৯ চনত জ্বলোৱা ১১ নিযুত ঘন মিটাৰ গেছৰ বিপৰীতে বৰ্তমান অ'. এন. জি. ছি.-এ বছৰি ৩০৩ নিযুত ঘন মিটাৰকৈ গেছ জ্বলাবলৈ ধৰিছে।

দৈনিক এশ টন এম'নিয়া বা এহেজাৰ টন ইউৰিয়া ৰাসায়নিক সাৰ উৎপাদন কৰিবলৈ ০'৭২ নিযুত ঘন মিটাৰ প্ৰাকৃতিক গেছৰ আৱশ্যক। এই হিচাপত কেৱল অয়ল ইণ্ডিয়ায়েই তিনিটা সাৰ কাৰখানাৰ প্ৰয়োজনৰ জোখাৰে প্ৰাকৃতিক গেছ জ্বলাই আছে।



দুলিয়াজানৰ গেছ কমপ্ৰেছৰ কেন্দ্ৰ। দিনে-নিশাই চলি থকা এই কেন্দ্ৰটোৱে অকল দুলিয়াজানৰ পৰাই পোৱা ২'৩৮ নিযুত ঘন মিটাৰ গেছ লৈ কাম কৰে

অহৰ্নিশে গেছ জ্বলোৱা হৈছে বুলি আমি আক্ষেপ কৰিছোঁ। এই আক্ষেপৰ যুক্তি আছেনে? অয়ল ইণ্ডিয়াৰ অপাৰেশ্যন ডিৰেক্টৰ ড' প্ৰণৱ ভৰালীৰ মতে এৰাব নোৱৰা কাৰণতহে গেছখিনি জ্বলাই দিয়া হৈছে। এই গেছখিনি পুনৰ ব্যৱহাৰৰ বাবে তেলখাদত ইনজেক্ট কৰাৰ ব্যৱস্থা আছে, যদিও সকলোখিনি জমা কৰি থব নোৱাৰি। আৰু মাটিৰ তলত জমা কৰি থোৱা গেছখিনি কেনেবাকৈ ওলাই-ওলাই নোহোৱাও হ'ব পাৰে। প্ৰাকৃতিক গেছ জ্বলোৱাৰ আন এটা প্ৰধান কাৰণ হ'ল, নামৰূপ সাৰকাৰ-খানা আৰু তাপ-বিদ্যুৎ কেন্দ্ৰই ব্যৱ-হাৰৰ প্ৰতিশ্ৰুতি দিয়া (committed) গেছৰ শতকৰা ৬০ ভাগহে ব্যৱহাৰ কৰি আহিছে।

প্ৰাকৃতিক গেছ, খনিজ তেল আদি ক্ষয়িষ্ণু সম্পদ। এইবোৰ পদাৰ্থৰ ভঁৰাল সদায় সমানে পুষ্ট হৈ নাথাকে। আৰু কেইবছৰমানৰ ভিতৰতে হয়তো ইয়াৰ সঞ্চয় ভাণ্ডাৰ নিঃশেষ হৈ যাব। বিশেষজ্ঞৰ হিচাপ মতে অসমত মুঠতে ২৩ হেজাৰ নিযুত ঘন মিটাৰ গেছ মজুত আছে। কিন্তু বছৰত প্ৰায় ১০০০ নি. ঘ. মিটাৰকৈ জ্বলালে আৰু কিমান দিন?

অৱশ্যে ষাঠিৰ দশকৰ প্ৰথম ভাগতেই ৰাজ্য চৰকাৰে প্ৰাকৃতিক গেছখিনিৰ বিষয়ে কিছু চিন্তা-চৰ্চা কৰিছিল এই চিন্তা-চৰ্চাৰ ফলতেই ১৯৬১ চনৰ ৩১ মাৰ্চত অসম চৰকাৰৰ উদ্যোগত অসম গেছ কোম্পানি নামেৰে এটি কোম্পানি গঠন কৰা হয়। কোম্পানিটো গঠন কৰাৰ মূল উদ্দেশ্য আছিল উজনি অসমৰ তেলপথাৰত,

বিশেষকৈ নাহৰকটীয়া, মৰাণ অঞ্চলত উৎপন্ন হোৱা প্ৰভূত পৰিমাণৰ প্ৰাকৃতিক গেছ কামত লগোৱা আৰু ইয়াৰ ওপৰত ভিত্তি কৰি উদ্যোগ গঢ়ি তোলা। প্ৰথম অৱস্থাত কোম্পানিটোৱে অসমত উৎপন্ন হোৱা সকলো প্ৰাকৃতিক গেছকে বিতৰণ কৰাৰ অনুমতি পায়। সেই মৰ্মে কোম্পানিটোৱে প্ৰথমে নামৰূপ তাপ-বিদ্যুৎ প্ৰকল্প আৰু বৰ্তমানৰ হিন্দুস্থান সাৰ নিগমৰ নামৰূপ সাৰ কাৰখানালৈ গেছ পৰিবহন কৰাৰ কাম সুকলমে সম্পাদন কৰে।

তালিকা ১

অসম গেছ কোম্পানিয়ে বৰ্তমান বিভিন্ন তেলক্ষেত্ৰৰ পৰা গ্ৰহণ কৰা গেছৰ পৰিমাণ

| | | |
|---|---|---|
| (ক) নাহৰকটীয়া-দুলীয়াজান তেলপথাৰ | ১·৫০ নিযুত | ঘনমিটাৰ/দৈনিক |
| (খ) মৰাণ তেলপথাৰ | ০·৩৯ ” | ” |
| (গ) কুচিজান তেলপথাৰ | ০·১৪ ” | ” |
| (ঘ) লাকুৱা তেলপথাৰ | ০·৪৫ ” | ” |
| (ঙ) শান্তি অ'. ছি. এছ | ০·০০৩ ” | ” |
| (চ) কঠালগুৰি অ'. ছি. এছ. | ০·০০৪ ” | ” |
| মুঠ— | ৩·৪৮৭ নি. ঘ. | মি./দৈনিক |

দুলীয়াজানত প্ৰধান কাৰ্যালয় থকা অসম গেছ কোম্পানিৰ মূল কাম হৈছে তৈলক্ষেত্ৰৰ পৰা গেছ সংগ্ৰহ আৰু শোধন কৰি পাইপ লাইনেৰে পৰিবহন আৰু যোগান ধৰা। ইতিমধ্যে যোৱা ২৫ বছৰত কোম্পানিটোৱে অসমৰ তৈলক্ষেত্ৰসমূহত অবিৰতভাৱে উৎপাদিত গেছখিনিক কামত লগাব পৰা নাই, আৰু তেওঁলোকৰ ভৱিষ্যত কাৰ্যপন্থা কেনে ধৰণৰ,— এই বিষয়ে জানিবলৈ আমি গেছ কোম্পানিৰ কাষ চাপিছিলোঁ। এইটো কথা অনস্বীকাৰ্য যে ২৫ বছৰ অতিক্ৰম কৰা অসম চৰকাৰৰে এটা ঔদ্যোগিক প্ৰতিষ্ঠান অসম গেছ কোম্পানিটোৰ বিষয়ে অসমৰ ৰাইজে বিশেষ একোৱেই নাজানে। গেছ কোম্পানিটোৰ কাৰ্যাৱলী, কোম্পানিটোৰ ভৱিষ্যত আঁচনি, কোম্পানিটো সদায় এনেদৰেই থাকিবনে কি আদি অতিকৈ দৰকাৰী কথাবোৰৰ বিষদ আলোচনা আমাৰ মাজত নোহোৱাৰ মূল কাৰণ কোম্পানিটো সম্পৰ্কে আমাৰ অজ্ঞতা।

কোম্পানিটোৰ পৰিচালনাৰ দায়িত্ব বহন কৰে এখন দহজনীয়া বৰ্ড অৱ ডাইৰেক্টৰছে। অসম চৰকাৰেই এই পৰিচালনা বৰ্ডলৈ বিভিন্ন বিভাগৰ পৰা প্ৰতিনিধি মনোনীত কৰে। তদুপৰি বৰ্ডত গ্ৰাহকশ্ৰেণীৰো প্ৰতিনিধিত্ব থাকে।

কোম্পানিটোৱে বৰ্তমানৰ উজ[নি] অসমৰ কেইবাটাও সৰু-ডাঙৰ উদ্যো[গ] খণ্ডলৈ কেঁচামাল আৰু প্ৰজ্বাল[ক] হিচাপে পাইপ লাইনেৰে প্ৰাকৃতি[ক] গেছৰ যোগান ধৰি আছে। কোম্পা[নি]টোৱে পৰিচালনা কৰা গেছ পাই[প] লাইনৰ মুঠ দৈৰ্ঘ্য হ'ব প্ৰায় ৩৮ কিল'মিটাৰ। কোম্পানিটোৱে নাম[-]ৰূপৰ হিন্দুস্থান সাৰ নিগমৰ সা[ৰ] কাৰখানাটোৰ দুটা গোটলৈ প্ৰতিদি[নে] ক্ৰমে ০.১১ আৰু ০.৭২ নিযুত ঘ[ন] মিটাৰ, অসম পেট্ৰ'কেমিকেলছ লিমি[-]টেডলৈ দিনে ১৩৪,০০০ ঘন মিটা[ৰ] নামৰূপ তাপ-বিদ্যুৎ প্ৰকল্পলৈ ৮৮৭,০০[০] ঘন মিটাৰ আৰু কেইবাখনো চা[হ] বাগিচালৈ গেছৰ যোগান ধৰে, (তালিকা—১)।


কেৱল গেছখিনিকে অয়ল ইণ্ডি[য়া] আৰু অ'. এন. জি. ছিৰ পৰা [ল]ৈ আন আন উদ্যোগবোৰলৈ ইহাত সৰবৰাহ কৰি থকাটোৱেই কোম্পানিটো[ৰ] যোৱা ২৫ বছৰত একমাত্ৰ কা[ম] হৈছে। কিন্তু যোৱা ২৫ বছ[ৰ] কোম্পানিটোৰ যোগেদি কেন্দ্ৰ আ[ৰু] ৰাজ্য চৰকাৰে ৰাজ্যখনৰ গেছ সম্প[দৰ] পূৰ্ণ বিকাশ ঘটাই আৰ্থ-সামাজি[ক] দিশটোৰ প্ৰভূত পৰিবৰ্তন সাধি[ব] পাৰিলেহেঁতেন। পিছে কোম্পানিটো[ক] গেছভিত্তিক কোনো এটা ঔদ্যোগি[ক] প্ৰকল্প লবলৈ উৎসাহিত কৰা নহ'[ল]। আমি জানিব পৰা মতে অসম গে[ছ] কোম্পানিয়ে আজি ভালেমান বছ[ৰ] পৰা ৰন্ধন গেছ উৎপাদনৰ বা[বে]

তুলিয়াজান আৰু নাহৰকটীয়াৰ মাজত বুঢ়ীদিহিং নৈৰ দলঙৰ কাষেদি পাইপ লাইন নিয়া হৈছে





কেন্দ্ৰীয় চৰকাৰৰ অনুমতি-পত্ৰ লাভৰ বাবে চেষ্টা কৰি আছিল; কিন্তু কোনো অজ্ঞাত কাৰণত অয়ল ইণ্ডিয়াকহে ইয়াৰ বাবে অনুমতি দিয়া হ'ল। শেষত বটলিং আৰু ব্যৱসায়ৰ বাবে আবেদন কৰিও কোম্পানিটো বিফল হ'ব লগা হয়। উল্লেখযোগ্য যে, অসম গেছ কোম্পানিয়েই গুৱাহাটী আৰু বঙাইগাঁও শোধনাগাৰত উৎপাদন হোৱা ৰন্ধন গেছ পোন প্ৰথমবাৰৰ বাবে উত্তৰ-পূব ভাৰতত জনপ্ৰিয় কৰি তোলে।



চাকৰিয়ালৰ সংখ্যা বাঢ়ি গৈছে। লগে লগে বাঢ়িছে আবাস-গৃহৰ সংখ্যা

কোম্পানিটোৰপৰা পোৱা তথ্য মতে কোম্পানিটোৰ লাভৰ পৰিমাণ যোৱা ছটা বছৰত প্ৰায় ২৫৫·৬২ লাখ টকা। লাভজনক অৱস্থাত চলি থকা কোম্পানিটো সম্প্ৰসাৰণ কৰাৰ যথেষ্ট থল থকা সত্ত্বেও কিছুমান মহলে কোম্পানিটোৰ ভৱিষ্যত আঁচনিবোৰ বাধাপ্ৰাপ্ত কৰি ৰাখিছে। তথাপি গেছ কোম্পানিটোৱে নিজাববীয়াকৈ কিছুমান পৰিকল্পনা বাস্তৱায়িত কৰাৰ যো-জা কৰিছে। শেহতীয়াকৈ তেওঁলোকে লব খোজা বৃহৎ আঁচনিখন হৈছে দুলীয়াজানৰ পৰা নিউবঙাইগাঁৱলৈকে এটা গেছ ট্ৰাংক পাইপ লাইন নিৰ্মাণ কৰা আৰু গেছ পৰিবাহিত কৰা।

## প্ৰস্তাৱিত দুলীয়াজান-নিউবঙাইগাঁওলৈ গেছ ট্ৰাংক পাইপ লাইন

এতিয়া শুনিবলৈ পোৱা গৈছে যে, প্ৰাকৃতিক গেছ জ্বলাই দিয়া বন্ধ কৰি এতিয়া ব্যৱহাৰৰ বাবে দুলীয়াজানৰ পৰা নিউবঙাইগাঁৱলৈকে এডাল গেছ ট্ৰাংক পাইপ লাইন বহুউৱা হ'ব। অৰ্থাৎ এই পাইপলাইনটোৰে প্ৰবাহিত কৰিবলৈ চেষ্টা চলোৱা হৈছে অনায়াসে কেইবাটাও সাৰ কাৰখানা, তাপ-বিদ্যুৎ প্ৰকল্প আৰু পেট্ৰ'কেমিকেল প্ৰকল্প চলি থাকিব পৰা পৰিমাণৰ প্ৰাকৃতিক গেছ। কিন্তু দুলীয়াজানৰপৰা নিউবঙাইগাঁৱলৈকে এই পাইপলাইনৰ কাষে-কাষে কেইটা সাৰ কাৰখানা, তাপ-বিদ্যুৎ প্ৰকল্প বা পেট্ৰকেমিকেল প্ৰকল্পৰ দিহা কৰা হৈছে? গেছ পাইপলাইনেৰে পৰিবাহিত হ'বলগীয়া গেছখিনিৰ ব্যৱহাৰ কেনে ধৰণে হ'ব? এইবোৰ প্ৰশ্নৰ সুনিশ্চিত উত্তৰৰ প্ৰয়োজন।

১৯৮২ চনৰ শেহৰফালে ভাৰত চৰকাৰৰ পেট্ৰলিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰণালয়ে উজনি অসমৰ প্ৰাকৃতিক গেছৰ ভাণ্ডাৰৰ অনুসন্ধান আৰু ব্যৱহাৰ্যতাৰ ক্ষেত্ৰত পৰামৰ্শ দিবলৈ এটা গেছ টাস্ক ফৰ্ছ (Gas Task Force) গঠন কৰি দিয়ে। গেছ টাস্ক ফ'ৰ্ছে দিয়া প্ৰতিবেদন অনুযায়ী বৰ্তমান উজনি অসমৰ তেলক্ষেত্ৰবোৰত দিনে প্ৰায় উৎপন্ন হোৱা ৯ নিযুত ঘন মিটাৰ যুক্ত অৱস্থাৰ গেছৰ বিপৰীতে ২০০০ চনত এই পৰিমাণ দিনে ১০ নিযুত ঘন মিটাৰ হ'বগৈ। বৰ্তমানৰ উৎপাদিত দৈনিক ৯ নিযুত ঘনমিটাৰ গেছৰ বিভিন্ন উদ্যোগলৈ পৰিবাহিত কৰাৰ পাছত আৰু সংকোচন হোৱাৰ পাছত প্ৰায় ২·৫ নি. ঘ. মি. আৰু ২০০০ চনত ৩·৫ নিযুত ঘন মিটাৰ হ'বগৈ। তদুপৰি ৰাজ্যিক বিদ্যুৎ পৰিষদ আৰু নামৰূপ সাৰ কাৰখানাটোৱেও নিজৰ প্ৰতিশ্ৰুত পৰিমাণৰ গেছ সম্পূৰ্ণ ব্যৱহাৰ কৰিব নোৱাৰে। (বৰ্তমানে উক্ত প্ৰতিষ্ঠান দুটাই প্ৰতিশ্ৰুত পৰিমাণৰ গেছৰে শতকৰা ২৫-৩০ ভাগ কাৰখানাৰ অভ্যন্তৰীণ অসুবিধাৰ বাবে ব্যৱহাৰ কৰিব নোৱাৰে।)

গেছ টাস্ক ফ'ৰ্ছৰ প্ৰতিবেদনৰ ওপৰতে ভিত্তি কৰি আন এটা কাৰ্যকৰী থূলে (Working Group) উজনি অসমত এটা সংযুক্ত গেছ গ্ৰিড (Integrated Gas Grid) স্থাপনৰ পৰামৰ্শ আগবঢ়ায়। লগতে থূলটোৱে বজাৰ সমীক্ষাৰ যোগেদি অসম গেছ কোম্পানিয়ে এই অঞ্চলত গেছৰ আৰু নতুন নতুন গ্ৰাহক শ্ৰেণীৰ চিনাক্তকৰণ কৰিব লাগে বুলি আৰু গ্ৰাহকসকলক যোগান ধৰিবৰ বাবে গেছ পাইপলাইন বিতৰণ ব্যৱস্থাৰ বাবে আৰ্থ- প্ৰযুক্তিগত সম্ভাবনীয়তা প্ৰতিবেদন (Techno Economic Feasibility Report) প্ৰস্তুত কৰিব লাগে বুলিও পৰামৰ্শ আগবঢ়ায়।

কাৰ্যকৰী থূলটোৱে দিয়া পৰামৰ্শ অনুযায়ী গুৱাহাটীৰ নেশ্যনেল প্ৰডাকটিভিটি কাউন্সিলে গেছ ব্যৱহাৰ সম্পৰ্কে এটা বজাৰ-সমীক্ষা চলায়। কাউন্সিলে দিয়া সমীক্ষাৰ প্ৰতিবেদন অনুযায়ী বোকাখাত অঞ্চললৈকে উজনি অসমত চাহ বাগিচাবোৰে আৰু ঘৰুৱা ইন্ধন সামগ্ৰী হিচাপে ব্যৱহাৰ কৰিবলৈ ৯টা সৰু-সৰু গেছ গ্ৰিড দৈনিক ১·৭৫ নি. ঘ. মিটাৰ গেছ যোগান ধৰিব পৰাকৈ স্থাপন কৰিব পৰা যায়।

১৯৮৩ চনতে কৰা হিচাপ অনুযায়ী নগৰ বিতৰণ ব্যৱস্থা বাদ দি সমগ্ৰ মূল বিতৰণ ব্যৱস্থাৰ বাবে মুঠ ব্যয়ৰ পৰিমাণ ধাৰ্য কৰা হৈছিল ৭০ কোটি টকা। ১৯৮৪ চনৰ জানুৱাৰী মাহত এই প্ৰতিবেদন কাৰ্যকৰীকৰণৰ অৰ্থে ভাৰত চৰকাৰ, পেট্ৰ'লিয়াম আৰু গেছ মন্ত্ৰণালয়, অয়ল ইণ্ডিয়া, অ'. এন. জি. ছি. ইঞ্জিনিয়াৰছ ইণ্ডিয়া লিমিটেড, চাহ উদ্যোগ আদি প্ৰতিষ্ঠানৰ প্ৰতিনিধিসকলৰ উপস্থিতিত অসমৰ উদ্যোগ মন্ত্ৰীৰ হাতত অৰ্পণ কৰা হয়।

কিন্তু গেছ উৎপাদনকাৰী দুটা অনুষ্ঠান অয়ল ইণ্ডিয়া আৰু অ'. এন. জি. ছি.এ প্ৰতিবাদ জনালে যে, পেট্ৰ'লিয়াম মন্ত্ৰণালয়ে গঠন কৰি দিয়া গেছ টাস্ক ফ'ৰ্ছৰ প্ৰতিবেদনৰ তথ্যসমূহ ভুল আৰু বিভ্ৰান্তিকৰ। গেছ টাস্ক ফ'ৰ্ছৰ প্ৰতিবেদত উল্লেখ কৰা অনুযায়ী তেওঁলোকৰ অতিৰিক্তভাৱে প্ৰাকৃতিক গেছ নাই। যি অয়ল ইণ্ডিয়া আৰু অ' এন. জি. ছি-এ যোগান ধৰা তথ্যৰ ওপৰতে ভিত্তি কৰি পেট্ৰলিয়াম মন্ত্ৰণালয়ে গঠন কৰি দিয়া গেছ টাস্ক ফ'ৰ্ছে প্ৰতিবেদন দাখিল কৰিছিল, সেই প্ৰতিবেদনৰে তথ্যসমূহ এতিয়া সেই কেইটা অনুষ্ঠানেই অস্বীকাৰ কৰা ঘটনাটো গুৰুত্বপুৰ্ণ। এনেবোৰ অৰিয়া-অৰি, গা এৰা দিয়া মনোভাৱ আদিয়ে আমাৰ সজাগহীনতাৰ সুযোগ লৈ আমাৰ উন্নতি যথেষ্ট ব্যাহত কৰিছে। প্ৰাকৃতিক গেছ যিহেতু ৰাজ্য চৰকাৰৰ এক্তিয়াৰভুক্ত সম্পত্তি, গতিকে ৰাজ্য চৰকাৰেই ৰাজ্যখনৰ গেছ সম্পদৰ ক্ষেত্ৰত দেখা দিয়া এনে অনিশ্চয়তাৰ ওৰ পেলাবলৈ সুচিন্তিত ব্যৱস্থা লব লাগে।

অৱশেষত কেইবালানিও আলোচনাৰ মূৰত তেল-গেছ আয়োগ শিৱসাগৰ নগৰৰ ঘৰুৱা ইন্ধন যোগান প্ৰকল্পলৈ দৈনিক ৫০০০—১০,০০০ ঘন মিটাৰ আৰু চাহ বাগিছাৰ বাবে সোণাৰী গেছ গ্ৰিডলৈ দৈনিক ৩০,০০০ ঘন মিটাৰ গেছৰ যোগান ধৰিবলৈ মান্তি হয়। অয়ল ইণ্ডিয়ায়ো ডিব্ৰুগড় নগৰ আৰু ডিব্ৰুগড় গেছ গ্ৰিডলৈ ০.১৬ নি. ঘ. মি. গেছ যোগান ধৰিবলৈ কথা দিয়ে।

তালিকা ২

| | |
|---|---|
| অইল ইণ্ডিয়াৰ গেছ | |
| (ক) টেঙাখাটৰপৰা | ২'৫ নি. ঘ. মি./দৈনিক |
| (খ) কঠালগুৰিৰপৰা | ১'০ ,, ,, |
| অ'. এন. জি. ছি.ৰ গেছ | |
| (গ) মৰানৰ পৰা পঠোৱা গেছ লাকুৱাত | ০'৫ ,, ,, |
| মুঠ— | ৪'০ ,, ,, |

প্ৰস্তাৱিত গেছ ট্ৰাংক পাইপ লাইনটোৰ পৰিবহন ক্ষমতা কিমান হ'ব, পৰিবাহিত হ'বলগীয়া গেছ ক'ৰ, ক'ৰ পৰা কিমান পৰিমাণে পোৱা যাব ইত্যাদি বহুতো প্ৰশ্ন উত্থাপিত হৈছে। গেছ টাস্ক ফৰ্ছৰ প্ৰতিবেদনে কোৱা মতে ১৯৮৬-৮৭ চনৰ বছৰটোত

(ক) অয়ল ইণ্ডিয়া আৰু অ'. এন. জি. ছি- এ মুঠ দৈনিক উৎপাদন কৰিব (৪.৪৬ + ১.৭৬) = ৬.২২ নি. ঘ. মি.

(খ) এই উৎপাদনৰ পৰিমাণ ১৯৯০-৯১ চনত হবগৈ ৬.৮৪ নি.ঘ.মি.

(গ) অসমত জমা হৈ থকা মুক্ত গেছৰ পৰিমাণ ৪০,০০০ নি. ঘ. মি.

প্ৰস্তাৱিত পাইপ লাইনেৰে দৈনিক ৪ নিযুত ঘন মিটাৰ গেছ পৰিবাহিত কৰিলেও এই জমা ভঁৰালৰপৰা অন্ততঃ কুৰি বছৰ চলিব পৰা যাব। ১৯৮৬-৮৭ চনৰ বছৰটোত অয়ল ইণ্ডিয়া আৰু অ' এন. জি. ছি.ৰ পৰা মুক্ত অৱস্থাৰ গেছ পোৱা যাব দৈনিক ৩ + ০.১৮ = ৩.১৮ নি. ঘ. মি.। প্ৰস্তাৱিত দৈনিক ৪ নিযুত ঘন মিটাৰ ক্ষমতাৰ ট্ৰাংক পাইপ লাইনটোৰেদি প্ৰবাহিত হ'বলগীয়া গেছখিনিৰ উৎস আৰু পৰিমাণ তালিকা ২ ত দেখুউৱা হৈছে। প্ৰথম অৱস্থাত গুৱাহাটীলৈকে স্থাপন কৰিবলগীয়া ট্ৰাংক গেছ পাইপলাইনটোৰেদি যুক্ত আৰু মুক্ত অৱস্থাৰ মুঠ ৪ নি. ঘ. মি. গেছ দৈনিক পৰিবাহিত কৰিবলৈ প্ৰস্তাৱ কৰা হৈছে।

উপযুক্ততা সাব্যস্ত কৰাৰ পাছত বিদেশৰ সাতোটা আৰু ভাৰতৰ এটা প্ৰতিষ্ঠানৰ পৰা উক্ত ট্ৰাংক পাইপলাইনডালৰ আৰ্থ প্ৰযুক্তিগত সম্ভাৱনীয়তা প্ৰতিবেদন (Techno Economic Feasibility Report) তৈয়াৰ কৰিবৰ বাবে নিবিদা আহ্বান কৰা হৈছে। ইতিমধ্যে বিদেশী কোম্পানিকেইটাৰ লগত প্ৰস্তাৱিত গেছ ট্ৰাংক পাইপ লাইনটোৰ নিৰ্মাণ কাৰ্যৰ প্ৰযুক্তিগত তথা আৰ্থিক দিশ সম্বন্ধে কোম্পানিৰ পক্ষৰপৰা প্ৰাথমিক আলোচনা চলোৱা হৈছে। তিনিশৰপৰা চাৰিশ কোটি টকা ব্যয় হ'বলগীয়া প্ৰস্তাৱিত গেছ ট্ৰাংক পাইপলাইনটোৰ বিভিন্ন দিশ সম্বন্ধে ভাৰত চৰকাৰৰ লগত ৰাজ্য চৰকাৰৰ আলোচনা হৈ গৈছে, প্ৰকল্পটোৰ বাবে প্ৰয়োজনীয় বৈদেশিক মুদ্ৰাৰ ক্ষেত্ৰতো ভাৰত চৰকাৰে পূৰ্ণ সহায়-সহযোগ ৰাজ্য চৰকাৰলৈ আগ বঢ়াব বুলি কথা দিছে।

কিন্তু এতিয়া আমাৰ প্ৰশ্ন হ'ল গেছ পাইপ লাইনটোৰ প্ৰয়োজনীয়তা কেনেদৰে সাব্যস্ত কৰা হৈছে?

অসম গেছ কোম্পানীয়ে প্ৰস্তুত কৰা আঁচনি অনুযায়ী ৬৫০ কিল'মিটাৰ দীঘল গেছ ট্ৰাংক পাইপ লাইনটোৰেদি দৈনিক পৰিবাহিত হ'বলগীয়া ৪ নি. ঘ. মি. গেছ যোগান ধৰা হ'ব বিশেষকৈ ঘৰুৱা ইন্ধন হিচাপে বা উজনি অসমৰ চাহ বাগিছাবোৰৰ ইন্ধন হিচাপে। তাৰে কিছু অংশ গেছ জাগীৰোডৰ কাগজ কলটোৱে, গুৱাহাটীৰ কাষৰ চন্দ্ৰপুৰ তাপ-বিদ্যুৎ প্ৰকল্পই আৰু মিছাত প্ৰস্তাৱিত অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ তাপ-বিদ্যুৎ প্ৰকল্পটোৱে ল'ব। কিন্তু এই গেছখিনিৰে নামনি অসমলৈকে কিয় কেইটামান সাৰ কাৰখানা, পেট্ৰকেমিকেল উদ্যোগ গঢ়ি তোলাৰ প্ৰস্তাৱ বা আঁচনি লোৱা নহ'ল? কেৱল ঘৰুৱা ইন্ধন হিচাপে বা চাহ-বাগিচাবোৰলৈ ইন্ধন হিচাপে যোগান ধৰিবলৈকে ৩০০/৪০০ কোটি টকা ব্যয়-সাপেক্ষ এনে এটা বৃহৎ আঁচনি লব লাগেনে? ঘৰুৱা ৰন্ধন গেছ যোগান ধৰাৰ বাবে যি আঁচনিৰ কথা কোৱা হৈছে, তাৰ সলনি ৰন্ধন গেছ প্ৰকল্প আৰু দুটামান গঢ়ি তুলিব পৰা নগ'ল-হেঁতেন নে? গেছ কোম্পানীয়ে বহু বছৰৰ পৰাই এনে এটা প্ৰকল্পৰ বাবে যুঁজিয়েই আছে। পাইপেৰে গেছ যোগান ধৰাতকৈ এনে ৰন্ধন গেছ প্ৰকল্পৰ যোগেদি গেছ যোগান ধৰিলে অপেক্ষাকৃতভাৱে কিছু নিবনুৱা লোকৰো কৰ্মসংস্থান হ'ব আৰু আনুষংগিক বহুতো সৰু সুৰা ব্যৱসায় গঢ়ি উঠিব। ৩০০-৪০০ কোটি টকা ব্যয় হ'বলগীয়া ট্ৰাংক পাইপলাইনটোৰ কাষে-কাষে কেইবাটাও গেছভিত্তিক উদ্যোগ স্থাপন হোৱাটোহে আমি কামনা কৰিছিলোঁ। এই সন্দৰ্ভত সৌ সিদিনা মাত্ৰ আৱিষ্কৃত হোৱা পশ্চিম উপকূলৰ গেছ কামত লগাবলৈ ১৭০০ কোটি টকা ব্যয়-সাপেক্ষ ১৭০০ কিল'মিটাৰ দীঘল হাজিৰা বিজাপুৰ-জগদীশপুৰ (চমুতে এইচ বি. জে. পাইপলাইন) গেছ পাইপলাইনটোৰ পৰিকল্পনা বিচাৰ্য। এই এইচ. বি. জে. গেছ পাইপলাইনৰ কাষে-কাষে গঢ়ি উঠিব ছটা বৃহৎ ৰাসায়নিক সাৰকাৰখানা, তিনিটা গেছভিত্তিক তাপ-বিদ্যুৎ প্ৰকল্প আৰু অসংখ্য সৰু-বৰ ৰাসায়নিক উদ্যোগ। ইতিমধ্যে পাইপলাইনটোৰ কামৰ অগ্ৰগতিৰ লগে লগে প্ৰকল্প কেইটাৰো কাম-কাজ দ্ৰুতগতিত আগবাঢ়িছে।

কিন্তু ৪০,০০০ নিযুত ঘন মিটাৰ গেছৰ ভাণ্ডাৰ থকা অসমত আমি এনেদৰে ভাবিবলৈ প্ৰয়াস কৰা নাই। আমি মাত্ৰ ভাবিছোঁ, ঘৰে ঘৰে গেছ হওক, আমাৰ কিছু সুবিধা হওক। আমাৰেই পৰা ৰাজহ সংগ্ৰহ কৰি অসম চৰকাৰৰে এটা অনুষ্ঠান অসম গেছ কোম্পানিয়ে কেন্দ্ৰীয় প্ৰতিষ্ঠান অয়ল ইণ্ডিয়া আৰু অ'. এন. জি. ছি.ৰ লাভৰ মাত্ৰা বঢ়োৱাত সহায় কৰিছে। কেইবাশ কোটি টকা খৰচ হ'বলগীয়া প্ৰকল্পটো অসম চৰকাৰৰে এটা প্ৰতিষ্ঠানৰ যোগেদিয়েই হ'ব। সেইটো কৃতিত্বৰ কথা, কিন্তু পৰিবাহিত হ'বলগীয়া অমূল্য সম্পদটোৰ বিনিময়ত অসম গেছ কোম্পানিয়ে, অসম চৰকাৰে, অসমৰ ৰাইজে কি পাব? পৰিবহন আৰু বিতৰণৰ বাবে কিছু টকা গেছ কোম্পানিয়ে পাব ঠিক, কিন্তু গেছৰ প্ৰকৃত লভ্যাংশৰ ভাগ-বটোৱাৰা হ'ব গেছ উৎপাদনকাৰী অয়ল ইণ্ডিয়া আৰু অ'. এন. জি. ছি. ৰ মাজত। ৰাজ্যিক চৰকাৰৰে ঔদ্যোগিক প্ৰতিষ্ঠান অসম গেছ কোম্পানিয়ে নিজৰ লাভৰ মাত্ৰা বঢ়াবলৈ গৈ আওপাকে কেন্দ্ৰীয় ঔপনিবেশিক নীতি বজাই ৰখা দুটা ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ অধিক লাভৰ পথ মুকলি কৰি দিয়া হ'ব। পাইপেৰে ৰন্ধন গেছ যোগান ধৰি স্থানীয় মানুহখিনিৰ মাজতে এখন বজাৰ সৃষ্টি কৰাটোৱে সম্পদটোৰ উপযুক্ত ব্যৱহাৰ কৰাটো নুবুজায়।

আমাৰ চকুৰ আগতেই গঢ়ি উঠা নাহৰকটীয়া-বাৰাউনি তেল পাইপ লাইনটোক লৈ আমি আজি আক্ষেপ কৰোঁ। এসময়ত এই গেছ পাইপলাইনটোক লৈয়ো আমি হুমুনিয়াহ কাঢ়িব লাগিব নেকি বাৰু? এই গেছ, পাইপলাইনটোৰে অসমৰ গেছখিনিকো অৱশেষত অসমৰ বাহিৰলৈ লৈ যোৱাৰ ব্যৱস্থা কৰা হৈছে নে কি?

ট্ৰাংক গেছ পাইপলাইনটো নিৰ্মাণ কৰিবলৈ লোৱাৰ উপৰিও গেছ কোম্পানিয়ে দুলীয়াজান-নামৰূপৰ ওচৰতে এটা এছিটিক এছিড উৎপাদন কাৰখানা আৰু এটা চেনেল ব্লেক উৎপাদন গোট স্থাপন কৰিবৰ বাবে আঁচনি আদি প্ৰস্তুত কৰিছে। বছৰি ৪৫ হাজাৰ মেট্ৰিক টন ক্ষমতাৰ এছিটিক এছিড উৎপাদন প্ৰকল্পটোৰ বাবে গেছ কোম্পানিয়ে কেন্দ্ৰীয় চৰকাৰৰ পৰা "লেটাৰ অৱ ইনডেণ্ট" যোৱা ১৯৮৬ চনৰ ডিছেম্বৰ মাহত পাইছে। প্ৰায় ১০০ কোটি টকা ব্যয়েৰে নিৰ্মিত হ'বলগীয়া উক্ত প্ৰকল্পটো যৌথ খণ্ডত স্থাপন কৰিবৰ বাবে এটা ব্যক্তিগত কোম্পানিও আগবাঢ়ি আহিছে। কোম্পানিটোৱে প্ৰকল্পটোৰ বাবে নামৰূপৰ ওচৰৰ ১০০ একৰ মাটিৰ চাহ বাগিচাখনো এৰি দিবলৈ প্ৰস্তুত হোৱা বুলি গেছ কোম্পানিৰ মেনেজিং ডাইৰেক্টৰজনে আমাক কথা প্ৰসংগত জনালে। আনহাতে ৰাজ্য চৰকাৰে উক্ত কোম্পানিটোৰ প্ৰস্তাৱ আদি আজিলৈকে বিবেচনা নকৰাত প্ৰকল্পটোৰ অগ্ৰগতিত বাধাৰ সৃষ্টি হৈছে।

গেছ কোম্পানিটোৱে ইতিমধ্যে ঘৰুৱা আৰু ঔদ্যোগিক ব্যৱহাৰৰ বাবে গেছ যোগান ধৰাৰ তিনিটা প্ৰকল্পৰ কামত অগ্ৰসৰ হোৱাৰ কথা জানিব পৰা গৈছে।

প্ৰায় তিনি কোটি টকা ব্যয়সাপেক্ষ সোণাৰী অঞ্চলৰ চাহ বাগিচাবোৰলৈ গেছ যোগান ধৰাৰ আঁচনি থকা সোণাৰী চাহ গেছ গ্ৰিড, আৰু ১.৭৬ কোটি টকা ব্যয়সাপেক্ষ শিৱসাগৰ নগৰৰ প্ৰায় ১২,০০০ পৰিয়ালৈ ঘৰুৱা ব্যৱহাৰৰ বাবে গেছ যোগান ধৰাৰ আঁচনিখনৰ কাম ইতিমধ্যে দ্ৰুতগতিত আগবাঢ়িছে।

যথেষ্ট পৰিমাণে লাভ অৰ্জন কৰা অসম চৰকাৰৰে এটা সংস্থা অসম গেছ কোম্পানিৰ ৰূপালী জয়ন্তী বৰ্ষত আমি কামনা কৰোঁ, কোম্পানিটোক কেৱল গেছ পৰিবহনতেই আবদ্ধ নাৰাখি বিভিন্ন গেছ ভিত্তিক উদ্যোগ স্থাপন কৰিবলৈও উৎসাহিত কৰিব লাগে।

OKDISCD

# মানাহত দঁতাল-মখনাৰ

# উৎপাত, প্ৰমীলা আৰু পূৰ্ণিমাক অপহৰণ

গণেশ দাস

মানাহৰ বাঁহবাৰী আৰু নাৰায়ণগুৰিৰ পৰা যথা ক্ৰমে পূৰ্ণিমা আৰু প্ৰমীলাক বনৰীয়া দঁতালে হৰণ কৰি নিয়া ঘটনাই মাউত্ত-ঘাঁচীকে ধৰি বন্য-প্ৰাণী বিভাগৰ বিষয়া কৰ্মচাৰীসকলৰ মাজত চাঞ্চল্যৰ সৃষ্টি কৰিলে। পূৰ্ণিমা আৰু প্ৰমীলা— দুয়োজনী মানাহৰ বিভাগীয় প্ৰশিক্ষণপ্ৰাপ্ত মাখুন্দী। দুদিন আগপিছাকৈ পূৰ্ণিমা আৰু প্ৰমীলাক দুটা বনৰীয়া হৃষ্ট-পুষ্ট দঁতালে, মাউতৰ উপস্থিতিতে, অন্যান্য বিভাগীয় হাতীৰ মাজৰপৰাই বাছি উলিয়াই হৰণ কৰি গভীৰ অৰণ্যলৈ লৈ যায়। প্ৰমীলা নামৰ মাখুন্দীজনী নাৰায়ণগুৰিৰ বিভাগীয়ভাৱে হাতী প্ৰশিক্ষণ দিয়া অঞ্চলটোৰ পৰা বনৰীয়া দঁতাল এটাই হৰণ কৰে। সেই সময়ত তাই বিভাগটোৰ আন হাতীৰ লগতে আছিল। নাৰায়ণগুৰি বিট অফিছৰ কৰ্মচাৰী আৰু তেওঁলোকৰ পৰিয়ালৰ লোকৰ চকুৰ আগতেই মজবুত দাঁতৰ বনৰীয়া দঁতাল এটা সেই ঠাইত উপস্থিত হৈ প্ৰমীলা নামৰ প্ৰায় ২৫ বছৰীয়া মাখুন্দীজনীক যুৰেৰে খুন্দিয়াই, হেঁচুকি অৰণ্যৰ ফালে লৈ যায়। বিভাগীয় আন হাতী কেইটাই সেই সময়ত নিশ্চল-নিৰ্বাক হৈ চাই থাকে। যোৱা কিছু দিন ধৰি অনুসন্ধান চলায়ো বন্য-প্ৰাণী বিভাগৰ পহৰাদাৰ গৃহৰক্ষী আৰু মাউতে প্ৰমীলাৰ সন্ধান পোৱা নাই। মাউতে ধাৰণা কৰি জনোৱা মতে— দঁতালে হৰণ কৰি নিয়া প্ৰমীলা বৰ্তমান এটা বনৰীয়া হাতীৰ দলৰ (চাহনৰ) মাজত সোমাই পৰিছে, আৰু হৰণকাৰী দঁতালটোৱে তাইক পহৰা দি আঁতৰে আঁতৰে চৰি ফুৰিছে।

পূৰ্ণিমাক বাঁহবাৰীৰ অন্যান্য বিভাগীয় হাতীৰ লগত হাকুৰাত গা-ধুৱাবলৈ নিওঁতে, বন্ধনমুক্ত কৰি দিয়াৰ সুবিধাতে নৈৰ পাৰৰ অৰণ্যৰ মাজৰপৰা আকস্মিক ভাৱে আবিৰ্ভাব হোৱা এটা দঁতালে হৰণ কৰে। পূৰ্ণিমাৰ লগতে আন দুজনী হাতীকো হৰণ কৰাৰ যত্ন কৰে যদিও বিভাগীয় লোকে তাত উপস্থিত হৈ বন্দুক-বাৰুদ ফুটাই হুলস্থুল কৰাত প্ৰকাণ্ড বনৰীয়া দঁতালটোৱে অকল পূৰ্ণিমাকে লৈ অৰণ্যত সোমায়। কেইবাদিনৰ মূৰত দঁতালে মাখুন্দীৰ লগ এৰাৰ সুবিধা বুজি— সিহঁতৰ পিছে পিছে অনুসৰণ কৰি থকা বন বিভাগৰ লোকে সদ্যহতে পূৰ্ণিমাক উদ্ধাৰ কৰিছে। পূৰ্ণিমা যোৱা বছৰো বাঁহবাৰীৰ বিভাগীয় হাতী বন্ধা বাকৰাৰ পৰা অন্তৰ্ধান হৈছিল যদিও, কিছুদিন পাছত তাই নিজে নিজে পুনৰ বাকৰাত উপস্থিত হৈছিলহি।



এবছৰ বন্দী হৈ থকা ৰণজিত

ছবি: দ্বিজেন দাস

## ৰণজিতৰ বিলৈ

যোৱা বছৰৰ মাৰ্চ মাহৰ কুৰি তাৰিখে ষোল্ল বছৰ বয়সীয়া যৌবনপ্ৰাপ্ত ৰণজিতক বাঁহবাৰীত বন্দী কৰা হয়। আজি এবছৰতকৈও অধিক কাল শৃংখলিত হৈ থকা ৰণজিতৰ বিলৈ চাব নোৱৰা হৈছে। তাৰ দোষ— ১৯৮১ চনৰপৰা যোৱা বছৰলৈকে এজন এজনকৈ সি তিনিজন ঘাঁচীক বধ কৰে। ঘাঁহ, আহাৰ-পানীৰ যোগান দিবলৈ বিভাগীয় প্ৰতিটো হাতীৰ বিপৰীতে মাউতৰ উপৰিও একোজন সহায়কাৰী নিযুক্ত কৰা হয়। তেওঁক ঘাঁচী বোলা হয়। বিভাগীয় হাতী এজনীৰ গৰ্ভত ৰণজিত নামৰ মখনাটোৰ ঘৰতেই জন্ম হয়। তাক প্ৰশিক্ষণ দি উলিয়াই পহৰা দিয়া, পৰ্যটকৰ পিঠিত তুলি অৰণ্যত ফুৰোৱা আদি কামত নিযুক্ত কৰা হৈছিল। পিছে তাৰ নিজকে তদাৰক কৰা ঘাঁচীজনকে মাৰি পেলোৱাৰ প্ৰৱণতা দেখি এতিয়া কোনেও তাৰ দায়িত্ব লব নোখোজে। এবছৰ বন্দী হৈ থকাৰ পাছত ৰণজিতৰ হাড়ে-ছালে লগা দেহাটোৰ পিনে, চাব নোৱৰা অৱস্থা হৈছে। বন্দী অৱস্থাত নিয়মিতভাৱে আহাৰ পানীৰ যোগান দিয়া হয় যদিও, সেইবোৰ সি মন গলে কেতিয়াবা খায়, কেতিয়াবা নাখায়। তাৰ দুৰ্গতি দেখি বিভাগীয় মাউত, চুবুৰীৰ বাসিন্দাসকল আৰু কৰ্মচাৰীসকলে দুখ কৰে। তাক এনেকৈ তিল তিলকৈ হত্যা কৰাতকৈ, আন ব্যৱস্থা গ্ৰহণ কৰাটোকে তেওঁলোকে বিচাৰে।



## কৰ্মণ্যেৱাধিকাৰস্তে

# নিষ্কাম কৰ্ম বনাম নিষ্কৰ্ম কাম

ধীৰেন বেজবৰুৱা

আমি জনা মতে অসমৰ ৰাজধানী তথা অসমৰ সকলো নগৰৰে চৰকাৰী অফিছবোৰত কাম আৰম্ভ হয় দহ বজাত। গুৱাহাটী মহানগৰীৰ আলি-বাটবোৰত যান-বাহনৰ ভীৰ লক্ষ্য কৰিছেনে? দেখিব, —পুৰা এঘাৰ বজাৰ আগে-আগে গাড়ী, বাছ, স্কুটাৰ, অটোৰিক্সাৰ ভীৰ আটাইতকৈ বেছি। অৰ্থাৎ সেই সময়তে আটাইতকৈ সৰ্বহসংখ্যক চাকৰিয়াল কামলৈ যায়। এওঁলোকৰ সৰহভাগেই চৰকাৰী অফিছৰ কৰ্মচাৰী। অৰ্থাৎ সৰহভাগেই এঘাৰ বজাত বা তাৰ অলপ পাছতহে নিজ নিজ কৰ্মস্থানত উপস্থিত হয়গৈ। তাৰ পিছত তামোল এখনত ভালকৈ পাগ লগাই সহকৰ্মীসকলৰ দুই এজনক মাত লগাই লোৱাৰ পাছতহে কামত ধৰিবৰ হয়। ভালকৈ কামত ধৰোঁতে চাৰে এঘাৰমান বজাটো একো দোষৰ কথা নোহোৱাত পৰিলগৈ। আমি সকলো স্বাধীন দেশৰ নাগৰিক নহওঁ জানো? এইখিনি স্বাধীনতা নহ'লে চলিবনে?

চৰকাৰৰ একো-একোটা স্নায়ুকেন্দ্ৰ সদৃশ অফিছত মন কৰিব, —তাত কোনো পৰ্যায়ৰ চাকৰিয়ালৰেই অভাৱ নাই। পিয়নৰ পৰা আৰম্ভ কৰি কেৰাণী, টাইপিষ্ট, ষ্টেনো', বিভিন্ন পৰ্যায়ৰ আমোলা সকলোকে পাব। কিন্তু এজন নাগৰিকে কোনো এখন চিঠি কিম্বা আবেদন-পত্ৰৰ উত্তৰ নাপায়। তেওঁ অত্যন্ত সৰু প্ৰয়োজন এটাৰ কাৰণেও নলবাৰী, বৰপেটা, তেজপুৰ, শিৱসাগৰৰ পৰা বাটকুৰি বাই আহিবই লাগিব, —এটা সাধাৰণ উত্তৰ বা সিদ্ধান্তৰ বাবে। ঘামি-জামি অফিছটোত উদাৰ্পণ কৰি ফাইলৰ পিছে-পিছে ঘূৰাৰ পাছত তেওঁ এটাই হতাশজনক উত্তৰ লৈ যাবগৈ লাগিব: "আপুনি কেইদিনমানৰ মূৰত আকৌ এবাৰ খবৰ এটা কৰিবচোন। ইতিমধ্যে মই ফাইলটো বিচাৰি এটা টোকা লৈ থ'ম।" এই "কেইদিনমানৰ মূৰত" কথাষাৰত কোনো নিৰ্দিষ্ট তাৰিখ বা সময় নাথাকে। আৰু আবেদনকাৰী যেতিয়া কেইদিনমানৰ মূৰত আকৌ ওলায়হি, কৰ্মচাৰীজনৰ উত্তৰটোত আৰু কেইটামান পাক লগাৰ বাহিৰে কোনেও সমাধানৰ এখোজো ওচৰ নাচাপে। "এ... কি কৰিম বুজিছেনে! আমাৰ বৰচাহাবৰ এনেকুৱা টুৰ পৰিছে যে লগ পাবৰে উপায় নোহোৱা হ'ল। আপুনি বাৰু কেইদিনমানৰ পাছত আকৌ খবৰ কৰি যাবছোন।" আকৌ কোনো দিন-বাৰ-তাৰিখ আৰু সময়ৰ ছাটো পৰ্যন্ত নাই। "এইবোৰ কি হৈছে?" —এজন নিৰাশ, ক্ৰুদ্ধ নাগৰিকে নিজকে ন্যায়সংগত প্ৰশ্ন এটা কৰিব পাৰে। মুখফুটাই এনে এটা প্ৰশ্ন কৰাৰ বিপদ কাৰো অবিদিত নহয়। হয়তো ফাইলটোৱেই নোহোৱা হৈ যাব পাৰে। তাতকৈ বৰং নিৰ্বিবাদে তাঁত-বাটি কৰি থকাই ভাল। কিন্তু এনে এটা যুক্তিসংগত প্ৰশ্নৰ উত্তৰ আমি নিশ্চয় পোৱা উচিত। পিছে উত্তৰটো একেবাৰে পোনপটীয়া: এইবোৰেই হ'ল চাকৰিৰ নতুন নিৰ্ভেজাল সূত্ৰ—বেতনমেৱ অধিকাৰস্তে, মা কৰ্মেষু কদাচন। নিষ্কাম কৰ্মৰ পৰিবৰ্তে নিষ্কৰ্ম কামৰ আদৰ্শ।

অসমত বহু ক্ষেত্ৰত চাকৰিৰ বৰ্তমান সংজ্ঞা হ'ল: প্ৰতি মাহে বেতন পোৱাৰ এটা উপায়। ইয়াৰ লগত কৰ্ম বা দায়িত্বৰ কোনো সম্বন্ধ নাই। যি কোনো উপায়ে মই পৰিয়ালবৰ্গ বা অন্ততঃ নিজকে ভৰণ-পোষণ দিয়াৰ এটা সহজ পন্থা। কৰ্মজীৱনৰ প্ৰাৰম্ভতেই পেনছন পাব পৰাৰ এটা ঋজু পদ্ধতি। এই বেতনৰ বিনিময়ত চৰকাৰ অথবা সমাজে কি পাইছে বা নাই পোৱা এই লৈ মূৰ ঘমোৱা একান্ত নিষ্প্ৰয়োজন আৰু অবান্তৰ। কিছুমানৰ বাবে চাকৰিৰ মূলমন্ত্ৰ হ'ল: to do nothing and rest afterwards.

অসমত (আৰু কিছু পৰিমাণে সমগ্ৰ ভাৰততে) আমি 'কৰ্ম' বোলা বস্তুটোৰ লক্ষ্যৰ লগত গ্ৰীক কিংবদন্তিৰ (myth) নায়ক ছিছিফাছৰ কাৰ্যকলাপৰ এটা ঘনিষ্ঠ সাদৃশ্য দেখা পাওঁ। কিংবদন্তি মতে ছিছিফাছৰ এছোৱা সময় অতিবাহিত হৈছিল পৰ্বতৰ কাষেৰে বাগৰি পৰিব খোজা বিৰাট শিলাখণ্ড এটা ওপৰলৈ ঠেলি নিয়াৰ বিফল প্ৰয়াসত। ছিছিফাছে প্ৰকাণ্ড শিলটো যদিও বাগৰি নপৰাকৈ ৰাখিব পাৰিছে, তেওঁ শিলটো ওপৰলৈ ঠেলি নিয়াত লেশমানো কৃতকাৰ্য হ'ব পৰা নাছিল। এক অফলপ্ৰসূ ব্যস্ততাৰ অভিশাপ বহন কৰিবলগীয়া হৈছিল এই কিংবদন্তিৰ নায়কজনে। আমাৰ চৰকাৰী দপ্তৰবিলাকৰ কাৰ্যকলাপৰ ইয়াৰ লগত প্ৰভেদ কোনখিনিত? আমি বিৰাট ফাইলৰ বোজা ওপৰলৈ ঠেলিবলৈ অহৰহ চেষ্টা কৰিলেও সি ছিছিফাছৰ বোজাতকৈ বৰ বেলেগ নহয়। এই অবান্তৰ ব্যস্ততা দৰাচলতে কিমান ফলপ্ৰসূ? এই ব্যস্ততাত আমি কিয় লিপ্ত আছোঁ? এই বিষয়ে আমি কেইজনে চিন্তা কৰিছোঁ? আমাৰ কিছুমান চৰকাৰী দপ্তৰৰ ফাইলৰ মাজৰ ব্যস্ততাৰ লগত আমি যেতিয়া এটা কাৰখানা বা এটা উদ্যোগৰ ব্যস্ততাৰ তুলনা কৰোঁ, তেতিয়া চৰকাৰী অফিছৰ দীৰ্ঘসূত্ৰতা আৰু অফলপ্ৰসূ ব্যস্ততা অত্যন্ত প্ৰকট হৈ পৰে। আনকি এখন বাতৰিকাকত বা এটা উদ্যোগ প্ৰতিষ্ঠানৰ কৰ্ম পদ্ধতিৰ লগত তুলনা কৰিলেও চৰকাৰী অফিছৰ কাৰ্যকলাপৰ আপেক্ষিক নিষ্ফলতাই পৰিষ্কাৰ ৰূপত দেখা দিয়ে। উদ্যোগ প্ৰতিষ্ঠান এটাত প্ৰত্যেক কৰ্মীৰ প্ৰচেষ্টা দৈনন্দিন ফলাফলৰ লগত ঘনিষ্ঠভাৱে জড়িত। গতিকে কৰ্মীজনৰ অৰ্হতা আৰু কৰ্মপটুতাৰ মূল্যায়ন তেওঁৰ উৎপাদন

ক্ষমতাৰ লগত ওতঃপ্ৰোতভাৱে জড়িত। কিছুমান চৰকাৰী দপ্তৰৰ কথা কিন্তু একেবাৰে সুকীয়া। আজিৰ কাম আজি নহ'লে কাইলৈ হ'ব বা অহা সপ্তাহত বা অহা মাহত হ'ব। তাৰ বাবে পৃথিৱীখন তল নাযায়। অথচ যাব লাগিছিল; কাৰণ সেই কামৰ বাবে কাৰোবাক সমাজে বেতন দি ৰাখিছে, আৰু সেই বেতনধাৰীৰ সমাজৰ প্ৰতি দায়িত্ব আছে (বা থকা উচিত)। বহুতো চৰকাৰী দপ্তৰত অৰ্হতা বা কৰ্ম-কুশলতাৰ বিশেষ মূল্য নাই। কেৰাণীৰ চাকৰিৰ বাবে যি অৰ্হতা বা কৰ্ম-কুশলতা, বা অন্ততঃ ফাইলৰ নথি-পত্ৰ পঢ়ি বুজিব পৰা যি ক্ষমতাৰ প্ৰয়োজন তাৰ একো এটা নোহোৱা-কৈও মানুহ কেৰাণীৰ কামত মকৰল হ'ব পাৰে। পিয়নৰটো কথাই নাই। টুলখনৰ ওপৰত বহি মাজে-সময়ে ফাইল এটা ইহাত-সিহাত কৰিব পাৰিলে, আৰু আবেদনকাৰীয়ে আমোলাক সাক্ষাৎ কৰিব নোৱৰা কৰি ৰাখিব পাৰিলেই চাকৰি পোৱাত বিশেষ অসুবিধা নাই। অৰ্থাৎ বেতন পোৱাৰ বাটটো মুকলি হ'ল।

এই কৰ্মকৃষ্টিৰ বলত, এই নগণ্য কৰ্মকুশলতা বা অৰ্হতাৰ বলত দৰা-চলতে আমি জাতি হিচাপে বাচি থাকিম বুলি সঁচাকৈয়ে কাৰোবাৰ ভ্ৰম হয় নেকি বাৰু? খাটি দৈহিক পৰিশ্ৰমৰ কথা বাদেই দিলো বাৰু। বেচৰকাৰী কামিলা অফিছ এটাৰ কথাই ধৰক। কেইজনমান টাইপিষ্ট লাগিল। দুই এজন ষ্টেনগ্ৰাফাৰ লাগিল আৰু হিচাপ-নিকাচ ৰাখিবলৈকো কেইজন-মান কৰ্মী লাগিল। টাইপিষ্ট বিচাৰি ওলাওক। কাগজ-পত্ৰ চালে দেখিব কোনোজনেই মিনিটত ৪০ টা শব্দৰ কম টাইপ নকৰে। এতিয়া টাইপ-ৰাইটাৰ এটাৰ আগত বহুৱাই দি তেওঁলোকৰ পৰীক্ষা লওক। মিনিটত ১৫ টা মানতকৈ অধিক শব্দ মাৰি দিব পৰা কোনোবা এজন বিচাৰি পালে আপুনি সঁচাকৈয়ে ভাগ্যবান। কাগজখন উলিয়াই চাওক। ভুলৰ সংখ্যা ইমান সৰহ যে তেওঁ টাইপ কৰা চিঠি এখন আপুনি নাকটো বচাই কালৈকো পঠাব নোৱাৰে। এতিয়া উপায়ান্তৰ হৈ কেৰালা বা তামিলনাডুৰ টাইপিষ্ট এজন বিচাৰক। তাৰ পাছত প্ৰতিবাদৰ ধুমুহালৈ অপেক্ষা কৰক। এতিয়া প্ৰত্যাশা হ'ল যে মানুহ এজনে সুচাৰুৰূপে, আপোনাৰ প্ৰয়োজন অনু-সৰি কাম কৰিব পাৰক নোৱাৰক কোনো কথা নাই। তেওঁক মকৰল কৰা আৰু মাহে-মাহে দৰমহা দি থকাত আপুনি গাফিলতি কৰিব নোৱাৰিব। হিচাপ-কিতাপ ৰখাৰ বেলি-কাও একে কথাই। তেওঁ শুদ্ধকৈ যোগ-বিয়োগ কৰিব পাৰে বা নোৱাৰে, তেওঁৰ আখৰ কিমান কাউৰী ঠেঙীয়া, তেওঁ কিমান সময়ত অফিছত পদধূলা দিয়েহি, সেইবোৰ নিয়োগকৰ্তা হিচাপে আপোনাৰ বিচাৰ্য নহয়। আপোনাৰ কাম তেওঁক দৰমহা দিয়া। তেওঁ আপোনাৰ অনুষ্ঠানটো গঢ়াত সহায়ক হয় নে ভঙাত ব্ৰতী হ'ব সেয়াও আপোনাৰ বিচাৰ্য নহয়। আপোনাৰ কৰ্তব্য তেওঁক মাহে-মাহে বেতন দিয়া। এই প্ৰতিযোগিতাৰ যুগত এনে ব্যৱস্থাত কোনে অফিছ, উদ্যোগ বা ব্যৱসায় চলাব পাৰে? পাৰে— একমাত্ৰ দেউলীয়া হ'বলৈ আপত্তি নথকা অনুষ্ঠান এটাই। অৰ্থাৎ চৰকাৰে? মন কৰিব লগীয়া যে অসম চৰকাৰৰ দুকুৰিমান নিগমৰ ভিতৰত দেউলীয়া নমৰাকৈ চলি আছে মাত্ৰ এটা বা দুটা। অথচ আমাৰ আজিৰ কৰ্মকৃষ্টিৰ মাপকাঠীৰে এই বিনাকৰ্মৰ দৰমহা প্ৰাপ্য বুলি ধৰা হৈছে। অৰ্থাৎ কৰ্মজীৱনৰ প্ৰায় প্ৰথম দিনৰ পৰাই পেনছন।

আগতে এঠাইত কোৱা মনত আছে যে আমাৰ যুবকসকল পঞ্জাবলৈ গ'লে তাৰ খেতিয়কসকলৰ স্বচ্ছল জীৱনধাৰণৰ মান (গাড়ী, টেলিভিশ্যন, বাৰীচুকত সাঁতোৰা পুখুৰী, আৰু গধুলিৰ পানীয়) তেওঁলোকৰ সহজে চকুত পৰে। চকুত নপৰে মাত্ৰ খেতিয়কসকলে কৰা দিনটোৰ বাৰঘণ্টাৰ পৰিশ্ৰম। এই সকলোবোৰ আমাৰ প্ৰাপ্য হৈ পৰে, কিন্তু শ্ৰমৰ দায়িত্বৰ কথা কোনেও নকয়। দৰাচলতে এই ব্যৱস্থাৰ বাবে আমাৰ যুবক-যুৱতী সম্পূৰ্ণভাৱে দায়ী নহয়। দায়ী ঘাইকৈ আমাৰ সমাজ ব্যৱস্থা। অৰ্হতা বা কৰ্মকুশলতা অৰ্জনৰ বাবে আমাৰ প্ৰশিক্ষণ ব্যৱস্থাৰ অভাৱ। আৰ্থিক অনাটনৰ বাবে ঘাইকৈ গাঁওবিলাকত সৰহভাগৰে পুষ্টিকৰ খাদ্যৰ সামৰ্থ্য নোহোৱা হৈছে। পুষ্টিকৰ খাদ্য অবিহনে শাৰীৰিক পৰিশ্ৰমৰ ক্ষমতা হ্ৰাস হোৱাটো স্বাভাৱিক। আৰু কাম কৰিব নোৱৰা বাবে আৰ্থিক অৱস্থা শোচনীয় হৈ থকাও একো আচৰিত নহয়। লগতে শাৰীৰিক শ্ৰম নকৰা বাবে শ্ৰমৰ প্ৰতি অনীহা হোৱাটো অনিবাৰ্য। নগৰবিলাকৰ কথা সুকীয়া। নগৰৰ যুবকৰ বাবে শাৰীৰিক পৰিশ্ৰম লাজৰ কথা। আজিকালিৰ ডেকা হাতত বজাৰৰ মোনা লৈ ঘৰলৈ উভতি বলৈকো লাজ পায়। অসমৰ নগৰ বিলাকত ৩০ বছৰীয়া ডেকাৰ পেট ওলোৱা সাধাৰণ কথা,—পৰিশ্ৰম নকৰা বাবে! এনে এটা সমাজ ব্যৱস্থাত দালালি অথবা ডকা-হকা দিয়া আদিৰ বাহিৰে জীৱন ধাৰণৰ সহজ নিষ্কৰ্ম ব্যৱস্থা আৰু কি থাকিব পাৰে? আমি এদিন হয়তো সম্পূৰ্ণ চোৰ-ডকাইত, ভিখাৰী আৰু দগাবাজৰ সমাজ এখনক স্বীকৃতি দি, সমীহ কৰি, কোনো প্ৰকাৰে জীয়াই থাকিব লগা হোৱা দুৰ্দশাৰ হাত সাৰিব নোৱাৰিম।

কৰ্মকুশলতা আৰু অৰ্হতা নোহোৱা জনকে আজি আমি চাকৰি দি আছোঁ। কাৰো এই এনাৰ কথা কবলৈ মানসিক আৰু নৈতিক সাহস হোৱা নাই। "তোমালোক থলুৱা, গতিকে চাকৰি তোমালোকৰ প্ৰাপ্য। কিন্তু মই সফলভাৱে উদ্যোগ চলাব খোজোঁ। গতিকে কৰ্মকুশলতা, অৰ্হতা আৰু নিষ্ঠা মোৰ প্ৰাপ্য। গতিকে সেয়া অৰ্জন কৰি ঘূৰি আহা, যাতে আমি কোনেও কাকো ভুৱা দিব লগা নহয়। যাতে দয়া, কৰুণাৰ পাত্ৰ নোহোৱাকৈ তোমালোকে প্ৰাপ্য বেতন কুশল কৰ্মৰ বিনিময়ত লব পাৰা।"

এই ব্যৱস্থাই হ'ব কৰ্মকৃষ্টিৰ এক সবল ভেটি।



# আলাঙ্কু

সুধীৰ চন্দ্ৰ বৰুৱা

## জৱাহৰলাল নেহৰু

১৯৩৭ চনত নেহৰু গুৱাহাটীলৈ আহিছিল। তেখেতক কটন কলেজৰ প্ৰাংগনত অভ্যৰ্থনা জনাবৰ কাৰণে অনুমতি বিচৰাত অধ্যক্ষ মান্তি নথৈ-ছিল। পাছত ধৰ্মঘটৰ ভাবুকিতহে তেখেতে সেও মানিছিল। নেহৰুৱে বক্তব্য সামৰাৰ পাছত কলেজৰ অধ্য-ক্ষই তেখেতক ছাত্ৰ-ছাত্ৰী সকলক আশীৰ্বাদ দিবলৈ অনুৰোধ কৰিছিল। নেহৰু জকজকাই উঠিল "Bleesings ? Am I a priest ?" অৰ্থাৎ আশীৰ্বাদ দিবলৈ মই কিবা পুৰোহিত নেকি?

ৰেল ষ্টেছনত আমাৰ ভলন্টিয়াৰৰ দলটো লৈ আমাৰ দলপতিয়ে যেতিয়া সুহুৰি মাৰে, নেহৰুৱে তেতিয়া তেওঁক মাতি নি কৈছিল,— ৰেল ষ্টেছনত কেৱল গাৰ্ডেহে হুইছেল মাৰিব পাৰে।

তাৰ পাছত এজন স্থানীয় নেতাই তেখেতক চাহ কৰি খুৱাবৰ কাৰণে এটা কেটলিত গৰম পানী আনিছিল। তেখেতে কেটলিটো কাঢ়ি হাতত লৈ ষ্টেছনৰ পকা-মাটিলৈ দলিয়াই দিলে; কলে, "আপোনালোকৰ নিচিনা নেতা-সকলেই যদি এই সামান্য কথাবোৰ নাজানে, তেন্তে আমাৰ সৰল খেতিয়ক-বনুৱাসকলক কোনে শিকাব স্বাস্থ্য সংৰক্ষণৰ প্ৰাথমিক নিয়মসমূহ?" নেতা-জনে ইঞ্জিনৰ পৰা লেতেৰা গৰম পানী অনা তেখেতে মন কৰি আছিল।

চট্টগ্ৰামৰ পৰা টেলিগ্ৰাম আহিল, —নেহৰুক প্ৰথম শ্ৰেণীৰ ডবালৈ স্থানান্তৰ কৰিব লাগে। নেহৰু ৰাজী নহ'ল।

ৰেলখন ৰৈ থাকোঁতে আমাৰে এজনে অনুৰোধ কৰিলে দুআষাৰ ক'বলৈ। নেহৰুৱে অলপ দৰক মাৰি ৰৈ ক'লে,—"কেৱল কথা, কথা, আৰু কথা; এশ-এবুৰি কথা; হাজাৰ-বিজাৰ কথা, লাখ লাখ অৰ্বুদ-অৰ্বুদ কথা; কথাৰ পৰা একো নহয় …।" এই বুলি আৰম্ভ কৰি তেখেতে ছাত্ৰই কৰিব লগা কামৰ কথা ভালেখিনি ক'লে। বিশেষকৈ বিলাতৰ ছাত্ৰসকলৰ ভাল আহিবোৰৰ বিষয়ে।

এটা কথা মোৰ মনত থাকি গ'ল: চাহৰ কেটলিটো দলিওৱাৰ অলপ পাছতে তেখেতে শূন্যলৈ চাই বৰ বেজাৰমুৱাকৈ বহুত পৰ ৰৈ আছিল। দেশৰ মানুহ-বোৰক তেখেতে বোধকৰোঁ নিজৰ ল'ৰা-ছোৱালীৰ দৰে ভাবিছিল। এওঁলোক অবোধ হ'লে বৰ বেয়া পাইছিল।

এবাৰ শিৱসাগৰত এঘৰে চাহ-জলপানৰ লগত আপেল দিছিল,— বাকলি গুচাই। তেতিয়াও নেহৰুৱে কৈছিল— আপেলৰ বাকলি গুচাব নালাগে।

## আমাৰ শিক্ষকসকলৰ কেইগৰাকীমান

আমাৰ স্কুলৰ শিক্ষক ভৰত চলিহাৰ নাম শুনিলে ছাত্ৰ কঁপি উঠিছিল। তেখেত বৰ কঢ়া হেডমাষ্টৰ আছিল। পিছে তেখেতৰ পদ্ধতি হ'ল,— আমাক কেৰামৎ মাষ্টৰে কোৱাৰ দৰে,— "বুইছ, বেত্ৰস্য অগ্ৰে সৰস্বতী তিষ্ঠতি। তুহঁত হিন্দুবোৰে নাজানিলেও মই জানো, বুইছ?" বিয়াই-সবাহে ভৰত চলিহা উপস্থিত হোৱাৰ লগে লগে সকলোৱে সম্ভ্ৰমেৰে উঠি মেলি দিয়ে; ---আনকি হাকিম, এছ. ডি. অ'য়ো। সেই দিনৰ এছ. ডি. অ' মহকুমাটোৰ এক নম্বৰ নাগৰিক। এনেকুৱাই আছিল ভৰত চলিহাৰ ব্যক্তিত্ব। আমাৰ শিৱসাগৰৰ "বঙলা স্কুল"ৰ (বেজবৰুৱাই এই নামটো কেনেকৈ থাকি গ'ল তাৰ ব্যাখ্যা দিওঁতে কৈছিল যে এসময়ত বঙলা ভাষা চলিছিল কাৰণে এই নামটো "ধনঞ্জই বায়ু ৰূপে" থাকি গ'ল) হেড মাষ্টৰ (হেড পণ্ডিত) উমা গগৈৰ (আহোম সভাৰ অন্যতম উদ্যোক্তা শ্ৰীথানু গগৈৰ ককাইদেৱেক) যি ব্যক্তিত্ব, আজিকালি কোনো-কোনো বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰো তেনে ব্যক্তি-ত্বৰ অভাৱ। এই ধাৰণা হয়তো মোৰ কালক্ৰমত ঘটা দৃষ্টি-ভংগীৰ ব্যৱধানৰ বাবেও হ'ব পাৰে।

তেতিয়াৰ দিনত ছাত্ৰক বেত দিয়া সাধাৰণ কথা আছিল। এবাৰ অতিপাত খঙৰ কাৰণে অগ্নি শৰ্মা বুলি জনাজাত পণ্ডিত প্ৰবৰ লক্ষীনাথ শৰ্মাই জাহাংগীৰ বুলি হাইস্কুলৰ ছাত্ৰ এজনক বেতাই-গেটৰ বাহিৰ হৈ ৰাস্তালৈকে খেদি আহিছিল। দুৰ্ভাগ্যবশতঃ মই সেই সময়ত "বঙলা" স্কুলৰ পৰা ছুটিৰ পাছত সেই বাটে আহিছিলোঁ। জাহাংগীৰক এৰি অগ্নিশৰ্মাই মোৰ পিঠিতে সোঁকা এৰিলে। এখেতে স্কুলৰ লাইব্ৰেৰিত অসংখ্য ভাল-ভাল কিতাপ আনি থৈছিল। তৈয়বুল্লা মাষ্টৰে মোক গৰমৰ বন্ধত স্কুলৰ পুথি ভঁৰালটো ছিজিল কৰিবলৈ দিছিল। সেই সুবিধাতে বহুতো ভাল-ভাল কিতাপ পঢ়িবলৈ পাইছিলোঁ। বেছি ভাগেই "অগ্নি শৰ্মা"ই অনা।

আমাৰ ঘৰৰ ওচৰতে "বৰুৱা" মাষ্টৰৰ ঘৰ। তেখেতৰ সাজ পাৰ বৰ সাধাৰণ আছিল। নিমাই চোলা এটা আৰু আঁঠুলৈকে পৰা চুৰিয়া। মূৰত সৰু জাপি। সেই দৰেই হাতবাগীৰে গৈ তেখেতে দিচাংমুখৰ পৰা খাটি ঘিউ আনি খাইছিল। বহুত দিনৰ পাছত মোৰ বন্ধু মাণিক ফুকনক (এখেত এপেক্স বেংকৰ মেনেজিং ডাইৰেক্টৰ হৈছিলগৈ) ছাৰে ভাত খাবলৈ মাতিছিল। খাই থাকোঁতে তেখেতে নিজৰ পৰিবাৰক ক'লে, "বোলো সেই আঁৰি থোৱা ঘটত ভাল ঘিউ আছে; তাৰে মোক অকণ দিয়া।" তাৰ পাছত মাণিক ফুকনলৈ চাই তেখেতে ক'লে "এওঁ বিলাকে সদায় ডালডাহে খায়! আজিনো ভাল ঘিউৰ সোৱাদ লব লাগিছে কেলেই? ডাক-ডাকে দিয়া।"

মই টোকোলাই গৱেষণা কেন্দ্ৰত কাম কৰি থাকোঁতে এবাৰ যোৰহাটৰ পেট্ৰল পাম্প এটাৰ ওচৰত এখন খোলা লৰীত দেখিলো,— সেই নিমাই চোলা আৰু আঁঠুমূৰত চুৰিয়া, অথচ



OKDISCD

মূৰত এটা হেট পিন্ধি আমাৰ বৰুৱা মাষ্টৰ। তেখেতে কলে,— "কিহৰ চেলাম দিছা? দেখিছা নহয়, তোমালোকৰ হেডমাষ্টৰে জীয়াই থাকিবলৈ কি কৰিব লগা হৈছে। কৈ দিবা তোমালোকৰ চৰকাৰক।" এখেতে আমাক ক্লাছত বৰ ঠাট্টা মস্কৰা কৰিছিল। হাঁহিৰাম বোলা এজনক কৈছিল "বোলো হাঁহিৰাম আমৰলীয়া হাঁহেৰে একাহী একাহী ভাত মাৰি আহি স্কুলত পেট পেলাই থাকিলে নহ'ব। ভালকৈ পঢ়।" বেজীয়া কলিতা নামৰ এজন ল'ৰা আছিল, বৰ ওখ-ডাঙৰ; বোধহয় তেওঁৰ যথেষ্ট বয়সো হৈছিল। বৰুৱা মাষ্টৰে কৈছিল,— "বোলো বেজীয়া, ছা-ছোৱালী আনি বিয়া-বাৰু কৰি ঘৰ সংসাৰ পাতিবৰ হ'ল। মিছাতে কেলেই স্কুললৈ আহি জীয়াতু ভুগিছ? সেয়া আমাৰ হাইস্কুলৰ তৃতীয় শ্ৰেণীৰ কথা। মই যেতিয়া অষ্টম শ্ৰেণীত পঢ়ো, তেতিয়া দীপান্বিতাৰ দিনা দেখোঁ— মাটি চাকিৰ ভাৰ এখন লৈ এজন মানুহ, লগতে থুনুক-থানাককৈ খোজ কঢ়া এটি ল'ৰা। মানুহজনে মোৰ ঘৰৰ আগত বৈ সুধিলে,— "চাকি লবা নেকি সুধীৰ?" মই সেইদৰে নাম কাঢ়ি মতা দেখি অবাক হৈ চালত তেওঁ কলে, "চিনি পোৱা নাই? মই বেজীয়া। এইটি মোৰেই ল'ৰা। ছাৰৰ কথা আখৰে আখৰে মানিলো!"

এবাৰ বৰুৱা ছাৰে হাতবাগী চলাই ১০/১২ মাইল মান গৈ এখন গাৱঁৰ মানুহ এঘৰত উপস্থিত। জেওৰাতে ছাইকেলখন থৈ তেখেতে দুৱাৰমুখতে শুদা গাৰে থকা এজন ডেকাক দেখিলে।

"বোলো বোপাটি এইটো শৰ্মাৰ ঘৰ নহয় জানো?"

ডেকাই কলে, "হয়"।

"তুমিনো তেখেতৰ কি হোৱা?",

"মই তেখেতৰ বৰ পুতেক।"

ছাৰে তেতিয়াই হাতবাগীখন লৈ মাত লগালে, "তেন্তে বোপা মই আহিলোহে, মোৰ কাম হৈ গ'ল।" ডেকাই মিনতি কৰি ভিতৰলৈ মাতে;—দেউতাক গা ধুবলৈ গৈছে, খন্তেকতে লগ পাব, বহকহি, ইত্যাদি। তথাপি ছাৰে নামানে; কয় বোলে— তেখেতৰ কাম হৈ গ'ল। পাছত বৰকৈ পেৰি থকাত ছাৰে ক'লে, "শুনা বোপা, বেয়া নাপাবা; মোৰ এটি গাভৰু জীয়ৰী আছে। শুনিলো— শৰ্মাৰ বৰ লৰাটি বিবাহযোগ্য। সম্পৰ্কটো পাতিবলৈ প্ৰস্তাৱ দিবলৈ আহিছিলো। পিছে নহ'ব। কাৰণ মোৰ ছোৱালী স্বাস্থ্যৱতী, ডাফলা। আৰু তোমাৰ দেখিছোঁ কামিহাড় ওলোৱা শৰীৰ। গতিকে বেয়া নাপাবা, যাওঁগৈ আৰু।"

তাৰা গগৈ মাষ্টৰে কেতিয়াও বেত নিদিছিল। তেখেত ওখই ছ ফুটৰো বেছি আছিল। নিতৌ জাঁজীৰ পৰা শিৱসাগৰলৈ ছাইকেলেৰে অহা-যোৱা কৰিছিল। মুক্তি যুঁজাৰু প্ৰাক্তন মন্ত্ৰী তিলক গগৈৰ দেউতাক। তেখেতে ইংৰাজী কম্পজিশ্যন বৰ সুন্দৰকৈ বুজাই পঢ়াইছিল। মোৰ এতিয়াও মনত আছে— তেখেতে এদিন ইংৰাজীলৈ তৰ্জমা কৰিবলৈ দিছিল— "তেওঁ অতি কষ্টেৰে দিনবোৰ নিয়ালে।" মই লিখিছিলো হ'বলা— "He passed his days in great suffering" তেখেতে কলে, "নহয়, এই দৰে লিখা: He dragged on his days—" তেখেতে বুজাইছিল—' ইয়াত তিনিটা বৈশিষ্ট্য আছে; অনুন্যাস (dragged, days), সংক্ষিপ্ততা, আৰু এক চিত্ৰন (Visualisation from the word —dragged)।

শিক্ষকসকলৰ লগতে ভালেমান বুদ্ধিমান, প্ৰতিভাশালী সহপাঠীৰ কথাও মনত পৰে। এওঁবিলাকৰ ভিতৰত প্ৰথমে মনত পৰে শ্ৰীশশী কান্ত গগৈলৈ। এওঁ বৰ কোমলমতীয়া আছিল। তেওঁ যিখন স্কুলৰ পৰা আহিছিল, তাৰ নাম আছিল যখিনী স্কুল। হয়তো সেইটো গাঁওখনৰ নামো হ'ব পাৰে। আমি যখিনী বুলি জোকালে তেওঁ কান্দি পেলাইছিল। পাছতহে গম পাইছিলো— তেওঁ ভাল কবিতা লিখিছিল। কটন কলেজত এবাৰ কবিতাৰ প্ৰতিযোগিতা হৈছিল। বানী কাকতি ছাৰ বিচাৰক আছিল। তেখেতে মাত্ৰ শশীৰ কবিতাটো ৰাখি বাকীবোৰৰ এটাও মানত নুঠিলে বুলি কৈছিল। আৰাহন আৰু তাৰ পাছৰ দুই-এখন আলোচনীত শশীয়ে কবিতা লিখিছিল। কিন্তু ক'ৰবাত কাচিৎহে। শ্ৰীদক্ষিণা কান্ত বৰুৱা মোতকৈ ওপৰ শ্ৰেণীৰ। তেওঁ নিচেই সৰুতেই 'অৰুণ'ত "চৰাই পোৱালি নেপাৰিবা" বোলা গল্পটো লিখি পুৰস্কাৰ পাইছিল। অতি সুন্দৰ ভাষা লিখিব পাৰিছিল। কিন্তু নিলিখিলে একোকে। শ্ৰীমাখন প্ৰসাদ দুৱৰা দক্ষিণা বৰুৱাৰ সহপাঠী। তেৱেঁ বহু গুণৰ অধিকাৰী আছিল। ইংৰাজী সাহিত্যত তেওঁৰ গভীৰ বুৎপত্তি আছিল। তেওঁ ভাল অভিনয় কৰিছিল। গীত-বাদ্যতো তেওঁৰ দখল আছিল। তেওঁৰ যোগেদি এবাৰ সকলোৰে পৰিচিত ধেমেলীয়া গীত ৰচক আৰু গায়ক সুৰেন শইকীয়াক লগ পাইছিলো। শইকীয়াই তেখেতৰ ৰচিত এই গানটো গাইছিল:

"পূজাৰ ঘৰত ঢোল,
নগৰত গণ্ডগোল.
ভোবোলায়ো মনে মনে ভাবে।
.........
গোসানীৰ এনে থং
ছাগলীৰ তেজত কেৰল পাই ৰং
হাতী, ঘোঁৰা আৰু কিবা নাইনে?"

অলপ পাছতে তেখেতে নিজেই তবলা লৈ, কিবা এটা গাব খুজি ডুগিটোত ভালকৈ চাপৰ এটা দিওঁতেই সেইটো ঢপকৈ ফুটি থাকিল। তেখেতে সৰু ল'ৰাৰ দৰে খেকখেককৈ হাঁহি দিলে। তেখেতৰ গানবোৰ যেনেকুৱা নিৰীহ; ধেমেলীয়া, মানুহজনকো তেনেই লাগিছিল।" হাতী ঘোঁৰা আৰু কিবা নাইনে?" বোলোতে মুখখন যি দৰে বিদৰাই দিছিল, যেন ছাগলীটোৱেহে কথাষাৰ বেজাৰত, আক্ষেপত বিনাই বিনাই কৈছে। মাখন দুৱৰাইতো লগৰে শ্ৰীসুৰেশ চন্দ্ৰ ৰাজখোৱা, শ্ৰীকনক দত্ত আৰু শ্ৰীভৰ ৰাজখোৱা। শ্ৰীৰুচি নাথ গোঁহায়ো বোধকৰোঁ এওঁলোকৰ লগৰে। এই আটাইকেইজনেই মেধাৱী ছাত্ৰ আছিল। কনক দত্ত আৰু ভৱ ৰাজখোৱাই অসহযোগ আন্দোলনত যোগ দিলে। পাছলৈ কি হ'ল আৰু গ'ম নাপালো। ভৱ ৰাজখোৱাই শেহত বোধহয় বস্ত্ৰ শিল্প অধ্যয়ন কৰি গাঁও উন্নয়নৰ কামত লাগিল। ৰুচি গোহাঁয়ে এতিয়াও সাহিত্য চৰ্চা কৰি থাকে। এওঁলোকৰ ভিতৰত সুৰেশ ৰাজখোৱাৰ লগতে মোৰ নিবিড় সম্পৰ্ক থাকি গ'ল। বিশেষকৈ যোৰহাটৰ প্ৰখ্যাত বাল্যভৱন প্ৰতিষ্ঠা আৰু গঢ় দিয়াৰ কৰ্মক্ষেত্ৰত। ৰাজখোৱাই সদায়ে শিক্ষা বিষয়ে বিশদভাৱে চিন্তা কৰি সেইবোৰ মোৰ আগত কৈছিল। তেওঁৰ সকলো মতামত মই শ্ৰদ্ধাৰে শুনিছিলো। ড° হিৰণ্য ভূঞা, সুৰেশ ৰাজখোৱা, গোপাল শৰ্মা বৰুৱা এই সকলক শিক্ষা বিভাগৰ সঞ্চালক (D.P.I.) থাকোঁতে মই অতি ঘনিষ্ঠভাৱে লগ পাইছিলো। এওঁলোকে শিক্ষা পদ্ধতি, শিক্ষাদান, শিক্ষাৰ দৰ্শন আদিৰ বিষয়ে হাজাৰ ফাইলৰ কামৰ উপৰিও অতি দকৈ, অতি আন্তৰিকভাৱে চিন্তা কৰিছিল। আজি কালি এই বিভাগৰ দুই এজনক লগ-পালে তেওঁলোকৰ সাৰ শূন্যতাৰ আভাস পাই বৰ হতাশ হওঁ।

## ইন্দিৰা গান্ধী

এই গৰাকী পৃথিৱীবিখ্যাত মহিলাৰ বিষয়ে মই ব্যক্তিগতভাৱে যিটো জানিবলৈ সুযোগ পাইছিলো সেইটো ক'লে এতিয়া প্ৰায় অবিশ্বাস্যই হ'ব। ১৯৫৩ চনত সদৌ ভাৰত শিশু কল্যাণ সমাজৰ সভানেত্ৰী স্বৰূপে তেখেত যোৰহাটলৈ আহিছিল। মই "বাল্যভৱন"লৈ নিমন্ত্ৰণ কৰি আনিছিলো। আমাৰ পৰিচালক সমিতিৰ সভ্য আৰু বাল্যভৱনৰ অন্যতম প্ৰতিষ্ঠাতা, সমাজসেৱী, আইনজীৱী শ্ৰীসুৰেন্দ্ৰ নাথ ভড়ালীৰ সৌজন্যত। বাল্যভৱনৰ সম্পাদক স্বৰূপে ময়েই ইন্দিৰা গান্ধীক অনুষ্ঠানটো দেখুৱাইছিলো। কিন্তু তেখেত একেবাৰে নিমাতী কন্যা! তেখেত যিটো অনুষ্ঠানৰ সভানেত্ৰী, তাৰ আঁচনি আদিৰ বিষয়ে সুধিলতো তেখেতে ঠোঁটা মোজা লগাই মুঠতে একোকে ক'ব নোৱাৰিলে। দ্বিতীয়বাৰ লগ পাইছিলো যোৰহাটৰ মহকুমা পৰিষদৰ কোঠা এটাত.— অসমীয়া-বাঙালী বিৰোধৰ (১৯৬২ চনৰ) ফলত হোৱা সমস্যাবোৰৰ বিষয়ে মহিলাসকলক সম্বোধন কৰি কিবা কৈ থকা অৱস্থাত। একেলগে আহি জৱাহৰলাল নেহৰুও ছাৰ্কিট হাউছত আছিলহি। তাত বৰ ভিৰ। সেই কাৰণে ইন্দিৰা গান্ধীক সঁৰা হিচাপে ব্যৱহাৰ কৰা হৈছিল। অলপপৰ শুনিছিলো তেখেতৰ হিন্দী ভাষণ। ভালকৈ ক'বপৰা নাছিল। টানি-টুনি গতানুগতিক কেইটামান কথাকে দোহাৰি আছিল। বোধকৰোঁ বহুতে জানে যে প্ৰধান মন্ত্ৰী হৈ তেখেত প্ৰথমে যিখন সাংবাদিক মেলৰ সন্মুখীন হৈছিল, তাত তেখেত তেনেই মৰহি গৈছিল। পিছে কি হ'ব? কথাতে কয় নহয়,— অভ্যাসৰ নৰ, কৰ্ণ পথে কৰে শৰ! শেষবাৰ দেখা পাইছিলো দাৰ্জিলিঙত। তেতিয়া দেশত জৰুৰী অৱস্থা চলি আছিল। মানুহৰ ভিৰৰ হেঁচাত পৰি তেখেতৰ খোলা গাড়ীৰ লগা-লগিকৈ পাঁচ মিনিটমান সময় গৈ আছিলো। প্ৰায় তিনি ফুটমান আঁতৰত মুখামুখিকৈ আছিলো। বয়স তেখেতৰ তেতিয়া প্ৰায় ৬০ বছৰ; কিন্তু দেখাত ৪৫/৪৮ যেনহে লাগিছিল। কোনো প্ৰসাধনৰ চিন নাছিল। অলপ পাছত এজন নেপালী কবিৰ স্মৃতিৰ উদ্দেশ্যে পতা এখন সভাত তেখেতে হিন্দীতে অলপো খোকোজা নলগাকৈ, কোনো টোকা আদিৰ সহায় নোলোৱাকৈ কৈ গৈছিল। আমেৰিকাত অনুষ্ঠিত তেখেতৰ সৰ্বশেষ সাংবাদিক মেলৰ চলন্ত বিৱৰণ আকাশবাণীৰ যোগেদি শুনিছিলো। সেইদিনা তেখেতে যিদৰে প্ৰত্যুৎপন্ন মতি আৰু দক্ষতাৰে জাউৰিয়ে-জাউৰিয়ে অহা প্ৰশ্নৰ সমুচিত উত্তৰ দি গ'ল, সেয়া শুনি মই এজন ভাৰতীয় হিচাপে (ৰাজনীতি বাদ দি) সঁচায়ে গৌৰৱ অনুভৱ কৰিছিলো। ক'ত বাল্যভৱনত লগপোৱা ইন্দিৰা, আৰু ক'ত বিশ্ব-দৰবাৰত আত্মপ্ৰতিষ্ঠা কৰা ইন্দিৰা! এই সম্পৰ্কত জৱাহৰলাল নেহেৰুৱে তেখেতৰ আত্মজীৱনীত কোৱা কথা কেইটামানো মন কৰিবলগীয়া। বিলাতত পঢ়োঁতে কেম্ব্ৰিজৰ "মজলিছ"ৰ তেখেত সভ্য আছিল। মজলিছলৈ তেখেত ঘনাই গৈছিল, কিন্তু তাত থকা তিনি বছৰ ভিতৰত তেখেতে অতি কমেইহে কথা কৈছিল। তেখেতে কোনোমতেই লাজ আৰু সংকোচৰ হাত সাৰিব নোৱাৰিছিল।

## ড° হিৰন্য ভূঞা

আমি কটন কলেজত পঢ়োঁতে তেখেত পদাৰ্থ বিজ্ঞানৰ সহকাৰী প্ৰবক্তা আছিল। পিছে ল'ৰাই তেখেতক বৰ সমীহ কৰিছিল। কাৰণ তেখেত বৰ গহীন আছিল। তদুপৰি তেখেতে খেল-ধেমালিত ল'ৰাবোৰক সহায় কৰিছিল। নিজেও টেনিছ খেলিছিল। তেখেতৰ অভাৱনীয় মেধাশক্তিৰ কথা আমি সকলোৱে জানিছিলো। তেখেতে বোলে অতি কমহে পঢ়া শুনা কৰিছিল। তথাপি সেইদৰেই পৰীক্ষাত কলিকাতা বিশ্ববিদ্যালয়ৰ প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান পাইছিল। তেখেতে ক্লাছ লোৱাৰ এটা বিশেষত্ব আছিল,—প্ৰথমে চমুকৈ আগৰ পাঠটোৰ প্ৰসংগ আনি লৈছিল। প্ৰতিটো শব্দ, অতি স্পষ্টকৈ উচ্চাৰণ কৰিছিল। ভাষা অতি প্ৰাঞ্জল আছিল। বহুতদিন পাছত তেখেতক কেইবাবাৰো লগ পাইছিলো তেখেত শিক্ষা বিভাগৰ সঞ্চালক হৈ থাকোঁতে। সকলো কথাকে তেখেতে দকৈ চিন্তা কৰিছিল। এবাৰ যোৰহাট বাল্যভৱনৰ মণ্টেছৰি শ্ৰেণীটো অলপপৰ লক্ষ্য কৰি তেখেতে সুধিলে, "যদি এই মণ্টেছৰি সঁজুলিবোৰ ডাঙৰ আকৃতিৰ হয় তেতিয়া হলে কি হ'ব?" আমাৰ পৰা তেখেতে বিশেষ উত্তৰ নাপালে। গধুলি মোক লগ পাই কলে, মই

৪৯ পৃষ্ঠাত চাওক





OKDISCD

# এই বিহুৰ বতৰতে

গোবিন্দ চন্দ্ৰ পৈৰা

অসম আৰু নগাভূমিৰ সীমান্তবৰ্তী ঠাইবোৰত সময়ে-সময়ে পৰিৱেশ উত্তপ্ত হৈ উঠে, তেজো বয় বৰ সহজতে। বৰ্তমানে মাটিৰ স্বত্বলৈ, সীমা লৈ অহৰহ চলি থাকে উত্তেজনা। সেই উত্তেজনা তীব্ৰ হৈ উঠে। কেতিয়াবা কাঠৰ ব্যৱসায়ত লিপ্ত থকা ভাগ্যান্বেষী-সকলৰ টকাৰ মানত পৰস্পৰৰ স্বাৰ্থ-পৰতাৰ সংঘাতৰ বাবেও তেজ বয়। ভাৰতৰ শীৰ্ষস্থানীয় ব্যৱসায়ীৰ টকাৰ সোঁত, উদ্যোগী প্ৰাণ চঞ্চল সাহসী "ঘাগু"সকলৰ দল, নবীন, চঞ্চল, তেজ উতলি থকা যুবক ব্যৱসায়ীৰ জাক, নতুনকৈ সোৱাদ পাই মতলীয়া হৈ উঠা গাঁৱৰ লোক আৰু বিষয়া-সকলৰ বুভুক্ষু অতৃপ্ত আত্মাৰ আৱাওত সীমান্তৰ ৰেখা অসীমত হেৰাই যায়। সময়ে-সময়ে উত্তপ্ত ৰক্তপ্ৰবাহে স্তব্ধ কৰি দিয়ে জীৱনৰ গতি। আকৌ টকাৰ দোকোল-টকা বান, সহস্ৰ গাড়ীৰ বিকট ঘৰঘৰণি আৰু বিয়াগোম বিয়াগোম "কুণ্ডা"বোৰ! জীৱন আকৌ সহজ হৈ উঠে, আকৌ বিমূঢ় হৈ পৰে টকাৰ ঝনঝননিত। ইয়াৰে সংগমত নাহুৰি-সাতুৰি আত্মহাৰা হয় দুখী, সুখী, ধনী, অতিধনী, অসমীয়া, বাঙালী নগা, মাৰোৱাৰী, পাঞ্জাবী, নেপালী, বিহাৰী, বিদেশী। ইয়াত কোনো ভেৰা-ভেদ নাই, সাম্প্ৰদায়িকতা নাই। নগা-অনগা, অসমীয়া-অনাঅসমীয়া নাই, সকলো ভাই ভাই, সকলো সুখী; কাৰণ— সকলোৱেই নিজকে লৈয়ে ব্যস্ত। অৰ্থৰ মোহিনী পৰশত বিমুগ্ধ এই সীমা,— অন্ধ। হয়তো স্বাৰ্থৰ সংঘাতত এদিন আকৌ মানুহবোৰ উত্তপ্ত হ'ব, ইয়াত অগ্নিউদ্গীৰণ হ'ব তেজেৰে ৰাঙলী হ'ব ঘৰুৱা সীমান্ত।

কিন্তু সদায়, সুখৰ সময়ত, দুখৰ সময়ত, শান্তনা দিব কিছুমান সৰু সৰু প্ৰীতিৰ সোঁৱৰণীয়ে।

পদ্মনাথ গোহাঞি বৰুৱাৰ নবৈব বছৰীয়া তজবজীয়া ছাত্ৰ শ্ৰীকুন্তু আংগামীয়ে নাগামিছ কবলৈ চেষ্টা কৰা অসমীয়াক গালি পাৰে, —শুদ্ধ অসমীয়াতে কথা কবলৈ কয়। শ্ৰীভিজ্ঞোমে আংগামীয়ে ভুলতো নাগামিছত কথা নাপাতে,— অসমীয়াতে পাতে। পয়সত্তৰ বছৰ বয়সতো তেওঁ বিহু গাবলৈ ভাল পায়। ভাল পায় শ্ৰীচাংগীজাও আৰু বহুতে। চাংকী গাঁৱৰ কোনোবা আওমানুহে গলগলীয়া মাতেৰে সুৱদী অসমীয়াত কথা কবলৈ ধৰিলে— আজিৰ অনেক অসমীয়া সতৰ্ক হ'ব লাগিব, তেওঁৰে সৈতে কথা পতাত।

সীমা পৰীয়া কোনোবা লঠা নগাই যেতিয়া খিলঞ্জীয়া অসমীয়াত কথা পাতি যাব, নগৰীয়া অসমীয়া ভদ্ৰলোকে তেওঁৰ নিজৰ থলুৱা ভাষাৰ শব্দৰ ভঁৰালৰ দৈন্যৰ কথা তেতিয়াহে উপলব্ধি কৰি থত-মত খাব।

মই কিন্তু ক'ব খুজিছিলোঁ অন্য কথাহে।

আজি কেইবছৰমানৰ আগতে ফেকত বিহু সন্মিলন হৈছিল খুতুবী ছেমাৰ উদ্যোগত। ডিমাপুৰৰপৰা দুশ পোন্ধৰ কিল'মিটাৰ দূৰৈত,— পৰ্বত-পাহাৰ পাৰহৈ একেবাৰে পুব দিশত। ডিমাপুৰ পাৰহৈ, আংগামী ৰাজ্য পাৰহৈ, চাকেচাংসকলৰ ৰাজ্য পাৰ হওঁতে পোৱা তেওঁলোকৰ কেন্দ্ৰভূমি ফেকত ফেক্ৰেকেমাত। তাৰপৰা ব্ৰহ্মদেশলৈ কেইঘণ্টাৰ বাট?

বিহুৰ কি উথল-মাথল! কি উত্তেজনা! ফেকৰ নাগালেও পুলিছৰ আবেষ্টনীৰ মাজতে, জিলা কৃষি-বিষয়া খুতুবী ছেমাই কেইজনমান অসমীয়া বন্ধু লগত লৈ বিহুপাতে; — যদিও বিদ্ৰোহীহঁতে সকলোৰে বুকুত সৃষ্টি কৰি যোৱা ত্ৰাসৰ কপঁনিৰ তেতিয়াও শাম কটা নাই। ঢোলৰ চাপৰ, বিহুৰ গীতে সেউজী পাহাৰৰ নতুন কোমল কুঁহিপাতত কঁপনি তোলে। নতুনকৈ জাকজমককৈ ফুলা বনৰীয়া ফুলবোৰ চঞ্চল হৈ উঠে, নাচি উঠে। চঞ্চল হৈ পৰে চাকেচাং গাভৰুহঁতৰ মন আৰু কাষৰে পুলিছ বেৰেকৰ কঞ্চিহঁতৰো।

ওচৰৰ পৰ্বতেও ৰিঙিয়ায়। মেঘেও সঁহাৰি দিয়ে। কালিদাসৰ মেঘদূত আজিও নীল গগনত অকণি অকণি বৰষুণৰ কণিকা বহন কৰি উৰি যায় ফুচ্ছেৰ'ৰ সুউচ্চ শিখৰ ধিয়াই;— বাটতে ঝুমখেতিত একেমনে কোৰ মাৰি থকা ৰাঙলী গাভৰুহঁতৰ মনৰ বতৰাও লৈ। মেঘদূতে জানে,— কোনোবা হিংসাত্মক কাৰ্য ভাল নোপোৱা নগাবিদ্ৰোহী খ্যাতিমান প্ৰেমিক গীতিকাৰে গীত ৰচিছিল আৰু লগৰ মৰমী সুৰবলীয়া সুৰকাৰে সুৰ দিছিল, আমিও বিমুগ্ধহৈ শুনিছিলো: ফুচ্ছেৰ' ফুচ্ছেৰ' তোমাৰ সুউচ্চ চূড়াৰ পৰা দেখাপাওঁ— এডাল বগা সূতাৰ নিচিনাকৈ ব্ৰহ্মপুত্ৰ নৈ, কি সুন্দৰ! কি সুন্দৰ! ফুচ্ছেৰ' গোটেই চাকেচাংত তোমাৰ গাভৰুহঁত আটাইতকৈ সুন্দৰ। কতনো ইমান সুন্দৰ গাভৰু আছে? কি সুন্দৰ…। সেই সুৰবলীয়া দুজনে গহন বনে-বনে গৈ চাজুবামা পাই মুক্ত কণ্ঠে গাইছিল: তৃষ্ণাতুৰৰ তৃষ্ণা গুচোৱা চাজুবামাৰ থলুৱা বৰা চাউলৰ কোমল মদৰ ৰাগী আৰু অকণ অকণ গাহৰী পোৱালিৰ কোমল কোমল মাংসৰ সোৱাদৰে সৈতে পৃথিৱীত কিহবাৰ তুলনা আছেনে? কোনোবাই তাক পাহৰিব পাৰেনে? সেইকাৰণেই নেকি ইৰাণীতকৈও ৰঙিয়াল ফুচ্ছেৰ'ৰ গাভৰুহঁতক এৰি চাৰিওপিনৰ মেঘমালা গৈ চাজুবামাত মহামেলা পাতি থাকে পাহাৰ পৰ্বত দিগন্তজুৰি, মেঘৰ বিশাল অনন্ত সাগৰ সৃষ্টি কৰি, গোটেই উপত্যকা আবৰি কুমলীয়া 'জু'ৰ মৃদুৰাগীৰ আবেশত মছগুল হৈ।

ছেমাই বহাগত বিহুগীত নাগালে তেওঁৰ প্ৰাণে নামানে। পঁচিছ বছৰৰ যৌৱনৰ ৰাঙলী দিন অথলে যাবলৈ দিবনো কেনেকৈ? গোটেই সোণালী ল'ৰাকাল দেৰগাঁৱৰ ডেকাৰে সৈতে বিহু মাৰি তেওঁ আজি কেনেকৈ বিহুৰ আনন্দৰ ৰাগীৰপৰা বঞ্চিত হৈ বলিয়া মনটোক নিঠৰুৱাকৈ ৰাখিব? নোৱাৰে।

বিহুবলীয়া খুতুবী ছেমাৰ প্ৰতি খোজত প্ৰকাশ পায় বিহুৰ উল্লাস, উথলমাথল লগোৱা দেহাৰ তেজৰ চিন। জিলিকি উঠে হাহোঁ-হাহোঁকৈ থকা মুখখনি, নাচোঁ নাচোঁকৈ থকা ককাল আৰু গাওঁ-গাওঁকৈ থকা যৌৱনৰ বলিয়া ওঁঠ।

সেই প্ৰাণ উতলা ডেকাৰ মুখৰ দীপ্তিলৈ চাই চাই মনত পৰি গ'ল বহু বছৰৰ আগৰ এটি সুৱদী সন্ধিয়াৰ কথা।

কহিমাৰ স্নিগ্ধ প্ৰাণ জুৰোৱা সন্ধিয়া। এটি প্ৰাণ উতলোৱা সাংস্কৃতিক অনুষ্ঠানৰ সন্ধিয়া। প্ৰথম শাৰীত আছোঁ আমি কেইবাজনো। কাষতে সুগায়ক ডেকা উপমন্ত্ৰী শ্ৰীনিহবি ছেমা আৰু তেওঁৰ কাষতে শ্ৰীমতী ছেমা। ছেমাই মোক কলে, "পৈৰা ডাঙৰীয়া। আপুনি মোৰ আসনলৈ আহক, মই আপোনাৰ আসনত বহোঁ।"

"কাৰণ?"

"আমাৰ শ্ৰীমতীয়ে আপোনাক কিবা কব খোজে। আমি আসন বদলাওঁ।"

শ্ৰীমতী ছেমাক সুধিলো, "ছিষ্টাৰ, মোক কিবা কব লগা আছে নেকি?" মই কৌতূহলৰে উৎকৰ্ণ হৈ ৰলো।

তেওঁ নাৰী সুলভ লাজ আৰু হাঁহিৰে কলে, "নহয় এনেয়ে কথা-বতৰা পাতিব খুজিছিলো।" তেওঁ শুদ্ধ অসমীয়াতে কলে। লাজ আৰু স্মিত হাঁহিৰ ৰেঙণীয়ে তেওঁৰ ৰঙীণ কান্তি আৰু উজ্জ্বলাই তুলিলে। ডেকা মন্ত্ৰী ডাঙৰীয়াই ইংৰাজীতে কলে,— "আমাৰ শ্ৰীমতীয়ে অসমীয়াত কথা পতা মানুহ নাপাই অসমীয়া কথা পাতিবৰ বাবে আপোনাক কাষত বহিবলৈ মাতিছে।"

আমাৰ ওচৰত থকা সকলোকে সচকিত কৰি আমি তিনিও হাঁহি দিওঁ উচ্চস্বৰে।

শ্ৰীমতী ছেমাই কলে, "সঁচাই— কিমান দিন যে অসমীয়াত কথা পাতিবলৈ অকণো সুযোগ পোৱা নাই। আমাৰ এওঁতো অসমীয়া নাজানে, অসমীয়া কথা পতা সংগীও নাপাওঁ।"

শ্ৰীমতী ছেমাই কলে, "অৰ্থাৎ অসমীয়াৰ মিঠা কথাবোৰে তেওঁৰ কণ্ঠৰ ভিতৰত খুন্দা মাৰি ধৰি আছে। অসমীয়া কথা পাতিবলৈ পালেই তেওঁ সেই যন্ত্ৰণাৰপৰা ৰক্ষা পৰে।"

সঁচাই কিমান দিন অসমীয়াত কথা পতা নাই। নিজৰ কথাত আৰু নাগামিছত কথা পাতোঁ। ক'ত অসমীয়াৰে কথা পাতিবলৈ অসমীয়া জনা মানুহ পাওঁ?"

"এইখন ঠাইতো অসমীয়া মানুহৰে ভৰি আছে।" মই কলো।

"সুবিধা আৰু সুযোগ হ'লেহে!"

পুলিছ বিষয়াৰ জীয়াৰী হৈ গোটেই বাল্যকাল আৰু অধ্যয়নকাল অসমীয়া সমাজত কটাই সম্পূৰ্ণ অসমীয়া হৈ যোৱাৰ পাছত এতিয়া অসমীয়াত কথা পাতিবলৈ নাপাই তেওঁৰ কণ্ঠত অসমীয়া সুৱদী মাতে উথলমাথল লগাইছে!

তেওঁ অনৰ্গল কথা কৈ যায়— ঠিক পাহাৰী নিজৰাৰ জলধাৰাৰ দৰে, —কল-কলকৈ অসমীয়া সুৱদী ভাষাৰে সুৰীয়া মাতেৰে,— নিজকে পাহৰি।

মনে প্ৰাণে অসমীয়া হৈ পৰা এই বিহু বলীয়া ডেকা খুতুবী ছেমা আৰু শ্ৰীমতী ছেমা দুয়ো সহোদৰ সহোদৰা।

পৃষ্ঠাৰ পিছৰ পৰা

গীৰ্জা আৰু আমেৰিকাৰ ফলীয়া হৈ আছে। আৰক্ষীকে ধৰি ইউনিফৰ্ম পিন্ধা লোক প্ৰায় ১,২০,০০০ জন হ'ব। একুইনোৱে বিদ্ৰোহ দমন কৰিবলৈ তেওঁলোকৰ ওপৰতে নিৰ্ভৰ কৰিব লাগিব। ফিলিপাইনবাসীৰ ভাষাত বৰ্তমানে এই বিদ্ৰোহাত্মক কাৰ্যকলাপৰ "প্ৰকোপ নিম্ন পৰ্যায়ত" আছে।

আমেৰিকা, গীৰ্জা অথবা সৈন্য-বাহিনীক যে বিৰক্ত কৰিব নোৱাৰি, সেইকথা একুইনোৱে তেওঁৰ ১৫ মহীয়া শাসনকালত জানিছে যেন লাগে। লগতে তেওঁ কমিউনিষ্ট, মুছলমান আৰু ভ্ৰান্তিত ভোগা উদাৰপন্থীসকলকো হাত কৰিবলৈ বিচাৰে। গতিকে তেওঁ সমতা ৰক্ষাৰ কৌশল শিকি লৈছে; কোনো ফৈদকে একেবাৰে একাষৰীয়া হোৱাকৈ বিৰক্ত নকৰাৰ কৌশল আয়ত্ত কৰিছে। তেওঁ কয়,— তেওঁৰ প্ৰচেষ্টা হ'ল ঐক্যৰ প্ৰচেষ্টা। তেওঁ সন্মুখীন হোৱা সৈন্যবাহিনী, গীৰ্জা, কমিউনিষ্ট আৰু মুছলমানসকলৰ মাজতো কথাবোৰ অধিক জটিল কৰি তুলিব নোখোজা শক্তিশালী লোক আছে। তেওঁলোকে জানে যে একুইনোৰ কিছুমান ক্ষেত্ৰত সীমাবদ্ধতা থকা সত্ত্বেও ফিলিপাইন-বাসীসকলৰ মাজত তেওঁ এতিয়াও জনপ্ৰিয়। ফিলিপাইনবাসীয়ে শান্তি বিচাৰে আৰু একুইনো বিপদত পৰিলেই তেওঁলোকে তেওঁৰ পিছত থিয় দিব।

দেশখনৰ বাবে অতিকৈ প্ৰয়োজনীয় হৈ উঠা অৰ্থনৈতিক উন্নয়নৰ বাবে এনে এটা পৰিস্থিতি অনুকূল নহয়। কিন্তু শান্তি নাথাকিলেও কোনো উন্নয়ন ঘটিব নোৱাৰে। তেওঁ এহাতে অধৈৰ্য কমিউনিষ্ট আৰু মুছলমানসকলক চম্ভালি ৰাখি, আনহাতে সৈন্যবাহিনী অথবা গীৰ্জাক, অৰ্থাৎ আমেৰিকাক ওপৰলৈ উঠিবলৈ নিদিয়াকৈ দাৰিদ্ৰ্য আৰু নিবনুৱা সমস্যা নোহোৱা কৰিব পাৰিবনে? তেওঁ এনে এটা দোধোৰমোৰ অৱস্থাত পৰিছে। একোটা সময়ত এনে লাগে যেন ফিলিপাইনছ এখন গৃহযুদ্ধতহে লিপ্ত হ'ব। যদি তেনে ঘটনা ঘটে, তেনেহলে একুইনোৱে সঘনে ব্যৱহাৰ কৰা— নম্ৰসকল পৃথিৱীৰ উত্তৰাধিকাৰী হ'ব— বোলা বাইবেলৰ উক্তিটো তেওঁৰ ক্ষেত্ৰত হয়তো সত্য হ'ব, কিন্তু ফিলিপাইনছৰ ক্ষেত্ৰত উক্তিটো এনেয়ে যাব। পিছে এনে শোকজনক ঘটনা পৃথিৱীত এইটোৱেই প্ৰথম নহ'ব।

OKDISCD

# গৃহ-নিৰ্মাণ

ৰাতুল ভূঞা

মোমাইদেউ পাঠশালা স্কুলৰ হেডপণ্ডিত। তেনেই মাটি-মাহী মানুহ। চাকৰিৰ আৰু বেছিদিন নাই। তাহানি বাৰ টকা দৰমহাৰ দিনৰে পৰা চাকৰি কৰিছে। অৱসৰ লোৱাৰ আগে আগেই ঘৰটো সাজি উলিয়াওঁ বুলি দুবছৰমান আগতে মনস্থ কৰিছিল। তেতিয়াই আৰম্ভ হ'ল শনিৰ দশা।

মোমাইৰ চকুৰ আগতে বহুতে ঘৰ সাজিলে। পুৰণি-দিনীয়া মোমায়ে ভাবিলে ঘৰ সজা কামটো চাগে' বৰ টান নহয়। সাঁচতীয়া ধন অলপ আছে; 'ইঞ্জিনিয়াৰ'ৰ ঠিকাদাৰ দুজনমানৰ অনুগ্ৰহত দুই-এবেগ ছিমেন্টো পোৱা যায়—সাতে-সোতৰে লাহে ধীৰে হৈ থাকিব; এয়ে আছিল মোমাইৰ ভাব।

এদিন এগাড়ী ইটা পৰিল। তাৰ পাছতে নানা তৰহৰ সংলাপ আৰম্ভ হ'ল।

ইটা হ'বলা বালিচাঙৰ পৰা আনিলা? বৰ ভাল নহয় যেন পাওঁ। তাতকৈ ধলাইবিল্ বা টৌভঙাৰ পৰা নানিলা কেলেই? দুপইচা সস্তাও পৰিলহেঁতেন, বস্তুও ভাল পালাহেঁতেন।

নিজে চাই আনিব নোৱাৰিলে? বহুত ছেকেণ্ড ক্লাছ ইটা মিহলি হৈ আছে। নিজৰ মানুহ নাথাকিলে ইহঁতে বৰ ফাংফুং কৰে। ইস্ ইস্! তেনেই ভাগিল ইটাবোৰ।

ইটাবোৰৰ ছাইজটো কিন্তু ভাল। ধলাইবিলৰ ইটাবোৰৰ কিবা ছাইজ নাইহে! এঃ দুই এচপৰা ভাগিবই দিয়াচোন, মাটিৰ বস্তুহে আৰু!

আপুনিও দেও! যোগালীবোৰক বিছটামান টকা বেছিকৈ দি ষ্টেকিং কৰাই থ'ব নোৱাৰিলে? এটাও নাভাগিলহেঁতেন।

মোমায়ে ঘৰটো হাফ-ৱাল কৰাৰ কথা ভাবিছিল, সেইমতে ফাউণ্ডেশ্যনো কৰিছিল। কিন্তু মোমাইৰ মনৰ জোৰ নৰজিল। জো জোৱাই উঠিল মানুহবোৰ।

আজিকালিনো হাফ ৱাল বনাই নেহে? খৰচ অলপ বেছি পৰিব, পৰক। একেবাৰে ফুল-ৱাল বনাই আছাম টাইপ ফ্লেট কৰি দিয়া।

খৰচৰ মাজত কোনো তফাৎ নাই বুইছা? কাঠৰ যিহে দাম, তোমাৰ ফাণ্ড চুটাই দিব। আৰু এগাড়ী ইটাহে বেছিকৈ' লাগিব! ছিমেণ্ট পায়েই যেতিয়া কিহৰ চিন্তা?

ভাল কাঠ দিলে বাৰু ভালেই, বেয়া হ'লে পাছত পস্তাব। আৰম্ভ কৰি দিয়ক বুইছে। দেখিব, এদিন শেষেই হ'ল। সেইদিনা মনত পেলাব মাত্ৰ, আমুকাই (বুকুত আঙুলি দি) এদিন ঠিকেই কৈছিল।

ফুল-ৱাল বনোৱাৰে সিদ্ধান্ত হ'ল। মোমায়ে আৰু এগাড়ী ইটা আনিলে। ভেঁটিটো উঠিল। কোনোবাই ক'লে ওখ হ'ল, কোনোবাই ক'লে চাপৰ হ'ল। কোনোবাই আকৌ ঠিককে বুলিলে।

ডেম্প-প্ৰুফ এটা দি দিয়ক। ভাল হ'ব।

মোমায়ে দিলে।

এইডাল দি ছিমেণ্টসোপা নষ্ট কৰিলা কেলেই? আমাৰ ঘৰটো এইডাল নিদিয়াকৈয়ে বনাইছোঁ;—চাই আহিবাচোন।

ছিমেণ্ট ক'ৰ পৰা আনিছে বাৰু? পইচা দি আনিছে যেতিয়া ভালকৈ চাই-চিতি আনিব লাগে।

এজনে তেওঁৰ বৃদ্ধ আৰু তৰ্জনী আঙুলিৰ মাজত তাৰে অকমাণ সুমুৰাই লৈ চন্দ্ৰপৃষ্ঠৰ মাটি পৰীক্ষা কৰাৰ দৰে চাই ক'লে,—ৰঙা। এঠাটো কম। ক'লাটো ভাল। তাতে এইবোৰ গোট বান্ধি লদা হ'ল।

মানুহে এনেয়ে যা-তা কয়হে। ছিমেণ্ট ছিমেণ্টেই। মোৰ সেইটো ঘৰ—গোটেইটো দেখোন ৰঙা ছিমেণ্টেৰেই বনোৱা। কি হোৱা দেখিছানো?

এজনৰ বুদ্ধিমতে মোমায়ে ভেঁটিৰ ওপৰতে এটা লিণ্টেল দিলে।

ডেম্প-প্ৰুফ দিছাই, আকৌনো লিণ্টেলডাল কেলেই দিলা? মিছামিছি খৰচ! টকা বেছি হৈছে নহয়?

মছলা কেনেকৈ বনাইছে? পাঁচ—এক? এস্ ছয়—এক বা সাত—এক দিলেও হ'ল। সৌবোৰ চৰকাৰী ঘৰ বাৰ—এক, চৌধ—এক ৰে বনাই আছে।

খৰচ যেতিয়া কৰিছাই, বস্তুটো বেয়া নকৰিবা। প্ৰ'প'ৰছনটো ভাল কৰিবা। পাঁচ—একতকৈ বেছিলৈ নিনিবা। আচলতে চাৰি—একহে দিব লাগে।

বাহিৰৰ ৱাল কেইখন পাঁচ ইঞ্চিৰ দি বাকীবোৰ তিনি ইঞ্চি লগাই দিয়া। নহলে তোমাক আৰু এগাড়ী ইটায়ো নাটিব। মই পাই থৈছোঁ নহয়।

মানুহৰ কথা নুশুনিব। গোটেইখিনি পাঁচ ইঞ্চি দিয়ক। ঘৰটোত আপুনিহে থাকিব। অইন মানুহ নাথাকেহি নহয়।

ৱালবোৰ পাঁচ ইঞ্চিৰেই হ'ল।

অন্য এজনৰ বুদ্ধিমতে মোমায়ে খিৰিকীৰ তলতে আৰু এটা লিণ্টেল দিলে;—গপছ হ'ব বুলি।

আপুনি মানুহৰ কথা শুনি শুনিয়েই মৰিব। ভাগিব লগা থাকিলে হিমালয় পৰ্বতটোও ভাগিব। ঘৰ কোন কুটা? সেইবোৰ ৰংঘৰ, কাৰেংঘৰতনো ক'ৰ লোহাডাল আছিল? কেইটা ভুঁইকপ পাৰ হৈ গ'ল—কিবা হোৱা দেখিছে? এতিয়া দুৱাৰৰ ওপৰতো আৰু এটা লিণ্টেল লাগিব। মিছামিছি এক্সট্ৰা খৰচ।


লিণ্টেল দিছা, ভাল কৰিছা গপছ হ'ব। এইবোৰতো দুদিনীয়া বস্তু নহয়। মানুহে ঢেৰ কিবাকিবি ক'ব, কওক। সেইবোৰলৈ কাণ নিদিবা। ছানশ্বে'ড দিবা নহয়?

মোমায়ে মূৰ দুপিয়ালে।

পিছফালৰ খিৰিকী কেইখনত ছানশ্বে'ড নিদিয়া হ'লেও হ'লহেঁতেন। কোনেনো দেখিবহি?

৪৬ পৃষ্ঠাত চাওক






কোনোবা অজ্ঞাত শিল্পীৰ কল্পনাৰ পৰশত সজীৱ হৈ উঠা অনুপমা সুৰ-সুন্দৰীৰ বিভিন্ন ভংগীমাৰ ৰমণীয় মূৰ্তিয়ে লিংগৰাজ মন্দিৰক প্ৰদান কৰিছে এক মোহময় আবেদন। নিজৰ অপৰূপ ৰূপৰ প্ৰতি অসচেতনতাই সেই পাষাণী অলসকন্যাৰ মুখত ফুটাই তুলিছে দেৱলোকৰ স্নিগ্ধতা আৰু আদিম সৰলতা।

মুহূৰ্তৰ বাবে আৰক্তিম হৈ উঠা অনুৰাধাৰ মুখলৈ চাই অৰুণাভৰ ভাব হ'ল—যৌৱনস্পৃষ্ট হ'লেও অনুৰাধাৰ মুখত শৈশৱৰ সৰলতাৰ ছাঁ আছে।

দাপোণত অভংগ ভংগীমাৰে নিজৰ ৰূপ চাই আপোনবিভোৰ হৈ থকা মূৰ্তি এটাৰ ফালে চাই অনুৰাধাই ক'লে,—পুৰুষবোৰক এই চব মন্দিৰত একদম সোমাবলৈ দিব নালাগে। মন্দিৰলৈ আহি ক'ত ভাল কথা চিন্তা কৰিব,—নাই; বগলীৰ নিচিনাকৈ ছোৱালীৰ মূৰ্তিবোৰ খুটি-খুটি চাব, যেন পৃথিৱীৰপৰা নাৰী জাতি লুপ্তই হৈ গৈছে, মন্দিৰতহে কোনোবাই ছেম্পল ৰাখি হৈছে।

অনুৰাধাৰ কথা কোৱাৰ ঢং দেখি অৰুণাভৰ হাঁহি উঠি গ'ল।

মোক দেখোন গাইড হৈ তুমিয়েই লৈ আহিছা! মন্দিৰত ভগবান দেখুৱাবলৈ আনিছা নে সুন্দৰীৰ মূৰ্তি দেখুৱাবলৈ আনিছা মই কি জানো? যি দেখুৱাইছা, তাকে চাই আছোঁ।

বাঃ বাঃ! কি সাধু পুৰুষ! আৰু সুন্দৰীৰ মূৰ্তি চাব নালাগে। বহুত হৈছে। এতিয়া বলা।

শাৰী শাৰী ৰমণীয় মূৰ্তিৰপৰা আঁতৰি অহাৰ সময়ত অৰুণাভে ক'লে,—অসমত এটা কীৰ্তন-ঘৰ আছে। বহুত দূৰৈৰপৰা মানুহে চাবলৈ যায়। কীৰ্তন-ঘৰৰ পকী বেৰত কি লিখা আছে জানা?

কি?

মহিলা ভিতৰলৈ যোৱা নিষেধ। No admittance for female. মহিলা অন্দৰমে মত যাইয়ে।

আচৰিত হৈ অনুৰাধাই সুধিলে,—সঁচাকৈ সোমাবলৈ নিদিয়ে?

ইন্দিৰা গান্ধীকে সোমাবলৈ নিদিলে, তোমাক কি দিব!

আচৰিত! অসমীয়া ছোৱালীবোৰে আন্দোলন কৰা নাই কিয়?

তোমাৰ দৰে ছোৱালী অসমত নাই বাবে। তুমি ইয়াতে এটা আন্দোলন আৰম্ভ কৰা—মন্দিৰত পুৰুষৰ প্ৰবেশ বন্ধ কৰিবলৈ।

তোমাৰ সকলো কথাতে ঠাট্টা। তোমাৰ আচৰিত নালাগেনে আজিৰ



OKDISCD

যুগতো মানুহে কথাবোৰ তেনেকৈ ভাৱিব পাৰে! এই মন্দিৰতো কিছুমান ইণ্টাৰেষ্টিং নিয়ম আছে। সেয়া দেখিছা, বাহিৰৰ মঞ্চখনৰপৰা বাইন'কুলাৰেৰে মন্দিৰৰ ফালে চাই আছে যে মানুহজন—

মন্দিৰৰ চৌদিশ আৱৰি থকা পকী দেৱাল সংলগ্ন থটখটিয়েদি উঠি আহি ডেনিছ ছিলভিয়া নামৰ অফিহত লগ পোৱা সেই বিদেশী লোকজনে ওখ মঞ্চ এখনৰপৰা বাইন'কুলাৰেৰে অকলে নিৰীক্ষণ কৰি আছে মন্দিৰৰ চূড়াটো। কান্ধত কেমেৰা ওলমি আছে। দুপৰৰ ৰ'দত ডেনিছৰ ঘৰ্মাক্ত মুখ জিলিকি আছে।

অৰুণাভে ক'লে,— মই চিনি পাওঁ। ডেনিছ ছিলভিয়া। আমাৰ ৰিগত কেপ্টেইনৰ কাম কৰিব। আন্দামানলৈ গৈছিল। সম্ভৱ আজি আহি পালে।

মানুহজনে বিদেশলৈ ঘূৰি যোৱাৰ সময়ত বা কি ধাৰণা লৈ যাব। সেই যে দেৱালৰ বাহিৰত মঞ্চখন নিৰ্মাণ কৰি দিছে, কিয় দিছে কোৱাচোন?

কিয়?

অহিন্দু আৰু বিদেশী টুৰিষ্টক মন্দিৰত সোমাবলৈ নিদিয়ে। কাৰোবাৰ চাবলৈ মন গ'লে তাতে উঠি চাব পাৰে।

অৰুণাভে যেন এক মুহূৰ্তৰ বাবে একবিংশ শতাব্দীত পদাৰ্পণ কৰিবলৈ প্ৰস্তুত হোৱা এই পৃথিৱীখনৰ কথা ভাবিলে। তেওঁ কলে,— অসমৰ ছোৱালীক দোষ দি কি লাভ? তোমাৰ উৰিষ্যাতো দেখোন একেই অৱস্থা!

সমগ্ৰ ভাৰতখনেই তেনেকুৱা। বাহিৰত কমপিউটাৰৰ চেমিনাৰ পাতিব আৰু ঘৰলৈ আহি নিজৰ ছোৱালীৰ দৰা চাবৰ সময়ত প্ৰথমতে খবৰ লব ল'ৰাৰ জাত কি? তোমাৰ দৰে বিজ্ঞানৰ লেকচাৰ মাৰি হেলিকপ্টাৰত উঠি ঘূৰি ফুৰা মানুহবোৰেই এই চব কাণ্ড বেছিকৈ কৰে। চবকে আফ্ৰিকাৰ কোনোবা জংঘললৈ পঠাই দিব লাগে। ছিভিলাইজড নহয় মানে তাতেই থাকক।

সকলোকে একে বুলি নাভাবিবা। ব্যতিক্ৰম আছে।— অৰুণাভে ক'লে।

এনে এক ব্যতিক্ৰম মানৱ-দৰদী ব্যক্তিত্বৰ কথাকে অৰুণাভৰ মনত পৰি গ'ল।

ৰঞ্জিত দা।

ৰঞ্জিত দাৰ কথা মনলৈ আহিলেই অৰুণাভে প্ৰথমতে শুনা পায় হৃদয়ৰ পৰা স্বতঃস্ফূৰ্তভাৱে নিগৰি ওলোৱা এটা মনখোলা হাঁহিৰ শব্দ। তাৰ পাছতে মনলৈ আহে অৰুণাচলৰ টিৰাপ অঞ্চলৰ খাৰচাং, মানভূমৰ কথা।

অসমৰ তেল কোম্পানিৰ পৃথিৱীখন এক বিচিত্ৰ জগত। বায়ুহীন এক নিশ্চিদ্ৰ বিশাল বন্ধ কোঠালিৰ ভিতৰৰ বন্ধ বাকচত যেন শুই থাকে হৃদয়হীন যান্ত্ৰিক মানৱ। কোম্পানিৰ চাকৰিত প্ৰথম, জইন কৰাৰ সময়ত অৰুণাভ আচৰিত হৈ গৈছিল— কি আৱেগ-অনুভূতিহীন নিঃসংগ লোকৰ সমাজ। হঠাতে সমগ্ৰ মনুষ্যজাতি কিবা এক প্ৰচণ্ড দুৰ্ঘটনাত নিশ্চিহ্ন হৈ গ'লেও যেন সেই মানুহখিনিয়ে একেই নিৰ্লিপ্ততাৰে ঢাপলি মেলিব অফিছলৈ ছাইৰেনৰ শব্দত; দিনান্তত প্ৰায়ান্ধাকাৰ ক্লাবত পানীয়ৰ স্পৰ্শেৰে প্ৰাত্যহিকতাৰ ক্লান্তি মচি মিছা আনন্দোল্লাসেৰে ঢাকি ৰখাৰ চেষ্টা কৰিব নিৰ্লিপ্ততাসৃষ্ট মানৱীয় অপৰাধবোধ!

অৰুণিমা বাইদেৱে এবাৰ ঠিকেই কৈছিল,— এইখন যে কি অদ্ভুত ঠাই! সন্ধিয়া ৰাস্তাৰে ফুৰিবলৈ গ'লে ভাব হয় যেন দুৱাৰ-খিৰিকী বন্ধ কৰি ৰখা বাকচৰ ভিতৰত ভূত সোমাই আছে, কাৰো ঘৰলৈতো যাবই নোৱাৰি, খালী অফিছ আৰু কলিগৰ কথা।

তাৰ মাজত ৰঞ্জিত দাৰ হাঁহি আছিল হৃদয়-পৰশা। খাৰচাঙৰ কেম্পত ৰঞ্জিত দা থকাৰ সময়ত অৰুণাভ মাত্ৰ এবাৰ তালৈ গৈছিল।

ঘন জংঘলৰ পাহাৰীয়া পথেৰে লক্ষ্যবিহীনভাৱে ঘূৰি ফুৰাৰ মাজত যে কি অনাবিল আনন্দ থাকিব পাৰে, সেই কথা অৰুণাভে আৱিষ্কাৰ কৰিছিল ৰঞ্জিত দাৰ লগত,— অৰুণাচলৰ সেই মনোহাৰী অৰণ্যৰ মাজত। সেই গভীৰ জংঘলৰ মাজত অৰুণাভে জীৱনত প্ৰথমবাৰৰ বাবে ৰুদ্ৰাক্ষৰ গছ দেখিছিল, ধোঁৱা বৰণীয়া মিহি বাকলিৰে আবৃত গছত গাঢ় নীলা ৰঙৰ ফল। ৰঞ্জিত দাই কৈছিল,— বিজ্ঞানে আনি দিয়া আধুনিকতা, অৰ্থৰ চিন্তা আৰু জাগতিক লালসাৰ মাজত হেৰাই গৈছে ধীৰে-ধীৰে মানুহৰ আদিম সৰল মন; মানুহে পাহৰি গৈছে কেনেকৈ এই বনপথত বসন্তৰ ৰাতিপুৱা অচিনাকি চৰাইৰ কলৰৱে শৰীৰত জগাই তোলে অচিন পুলক। কিছুদিন ইয়াত থাকা; দেখিবা —সুখ যদি আছে, ইয়াতেই আছে,— এই প্ৰকৃতি আৰু সৰল মানুহৰ মাজত।

মাটিৰ মানুহ হ'লেও কোনো-কোনো মানুহৰ ভৰি পৃথিৱীৰ কলুষতাই স্পৰ্শ নকৰে; ভগৱান মন্দিৰত নাথাকে, থাকে এনে একোজন মানুহৰ মনৰ গভীৰত। তৈল-সন্ধানৰ সৈতে জড়িত প্ৰতিভাবান, কাৰিকৰী জ্ঞানেৰে দীপ্ত লোক বহুত আছে, কিন্তু তেল-কোম্পানিৰ সেই যান্ত্ৰিক জীৱনৰ মাজতেই সৌন্দৰ্য আৰু মানুহৰ স্বপ্নত আপোনবিভোৰ ৰঞ্জিত দা আছিল সঁচাকৈ ব্যতিক্ৰম;—যেন এটা অপ্ৰত্যাশিত সুখবৰ!

অনুৰাধাৰ ফালে চাই অৰুণাভে ক'লে,— অৰুণাচলৰ নাম শুনিছা নহয়?

তোমাতকৈ ভূগোলৰ জ্ঞান মোৰ ভাল দিয়া।

একো সুধিবই নোৱাৰি। একেবাৰে বাৰুদৰ নিচিনা!

শুনা! আমাৰ তেল কোম্পানিৰ এজন মানুহৰ কথা কৈছো। এবাৰ অৰুণাচল পাহাৰৰ জংঘলৰ মাজত কেম্পৰ দায়িত্বত আছিল তেখেত। নাম ৰঞ্জিত কুমাৰ বৰুৱা। আমি সকলোৱে আৰ. কে. দা বুলি মাতিছিলো। জংঘলৰ মাজত, সেই কেম্পৰ ওচৰত তেখেতে নিৰ্মাণ কৰিছিল সাৰ্বজনীন ধৰ্মৰ সকলো মানুহে গৈ তাত নিজৰ নিয়মত পূজা কৰিব পাৰে, মুছলমানে গৈ কোৰাণ পাঠ কৰিব পাৰে, খৃষ্টিয়ানে যীশুৰ ওচৰত মূৰ দোঁৱাব পাৰে—।



বাঃ বঢ়িয়া আইডিয়া। ধৰ্মতো তুমি সহজে উঠাই দিব নোৱাৰা। অন্ততঃ পৃথিৱীৰ সকলো মন্দিৰ এনেকুৱা কৰিবলৈ এটা মুভমেণ্ট কৰা উচিত। তোমাৰ আৰ. কে. দাক নোকোৱা কিয়?

আৰ. কে. দা ঢুকাল, অলপতে। ইছ, ভাল মানুহবোৰ সদায় সোনকালে ঢুকায়। যি হওক তোমাৰ তেল কম্পেনিত যে অন্ততঃ এজন ভাল মানুহ আছিল, জানিয়েই ভাল লাগিছে।

আৰু এজন আছে। —অৰুণাভে ক'লে।

প্ৰশ্নবোধক চাৱনিৰে মূৰ ঘূৰাই অনুৰাধাই অৰুণাভৰ মুখলৈ চালে।

চিনি পাবা কিজানি। এতিয়াও আছে। অৰুণাভ চৌধুৰী।

বাঃ বাঃ বাঃ! দেখাতেই তোমাক একদম যীশুখৃষ্ট যেন লাগে। সাৱধানে থাকিবা। কোনোবাই ক্ৰছত দিব।

বাহিৰত জুলাই মাহৰ প্ৰখৰ ৰ'দ। অৰুণাভে এই কেইদিনতে মন কৰিছে দিনৰ সময়ছোৱাত প্ৰচণ্ড গৰম পৰিলেও সান্ধ্যবতাহে ভুবনেশ্বৰক শীতল কৰে।

মন্দিৰৰ ভিতৰত নোসোমোৱা নেকি! —অনুৰাধাই সুধিলে।

একেদিনতে মন্দিৰৰ সকলোখিনি চালে, পাছলৈ দেখোন চাবলৈ একোৱেই নাথাকিব। ৰাতিপুৱাই গা নোধোৱাকৈ দুবাৰ ব্ৰেকফাষ্ট কৰি আহিছো। তোমাৰ ভগবানৰ সৈতে মুখামুখি হ'লে পোনে-পোনে নৰকলৈ চালান দিব।

টুৰিষ্ট বাছৰপৰা নামি খিচিৰ-মিচিৰ শব্দ কৰি অনেক দৰ্শনপ্ৰাৰ্থী মন্দিৰলৈ সোমাই আহিছে। কপালত সকলোৰে চন্দনৰ ফোঁট, হাতত মন্দিৰৰ সন্মুখৰ সৰু-সৰু দোকানৰ পৰা কিনি অনা মৰহা ফুলৰ মালা, ভক্তিত গদ-গদ হৈ এজনৰ পিছত এজনকৈ, প্ৰতিটো মন্দিৰৰ সন্মুখত, সকলোৱে সাষ্টাংগে প্ৰণাম কৰিছে। মন্দিৰৰ দেৱতাই বোলে মানুহৰ মনক পবিত্ৰতা প্ৰদান কৰে। দৰ্শন প্ৰাৰ্থী সকলোলৈ চাই-চাই অৰুণাভে ভাবিলে— মন্দিৰৰ য'তে ত'তে প্ৰণাম কৰি, ভক্তিত আপ্লুত হৈ থকা এই মানুহবোৰৰ মনত যে কি আছে চাগৈ!

মন্দিৰৰ পৰা ওলাই অৰুণাভহঁতে ডেনিছক লগ পালে। মঞ্চত চকুত পৰা নাছিল, এতিয়াহে অৰুণাভৰ চকুত পৰিল ডেনিছৰ লগত অফিছৰ ছেক্ৰেটেৰি মিছেছ ডালভিও আহিছে। ডালভিৰ শৰীৰত সেউজীয়া ৰঙৰ স্কাৰ্ট, ডিঙিত ওলমি থকা ক্ৰছ ৰ'দত জিলিকি আছে।

ডালভিয়েই প্ৰথমতে মাত লগালে, —হেল্লো, ইয়ং মেন, বন্ধৰ দিনত মন্দিৰত পূজা কৰিছা নেকি?

অৰুণাভে ডেনিছ আৰু মিছেছ ডালভিৰ লগত অনুৰাধাক চিনাকি কৰি দিলে। মিছেছ ডালভিয়ে কৌতুক মিহলি চাৱনিৰে অনুৰাধাৰ মুখলৈ চালে। প্ৰয়োজনতকৈ অধিক উৎসাহেৰে, অনুৰাধাৰ মুখলৈ চাই ডেনিছে ভাৰতীয় স্থাপত্য বিদ্যাৰ প্ৰশংসা কৰিলে।

ডেনিছৰ পৰাই অৰুণাভে ভাৰত মহাসাগৰৰ বুকুৰে বংগোপসাগৰ অভিমুখে যাত্ৰা কৰা পেলিকান ৰিগৰ শেহতীয়া খবৰ পালে। ডেনিছ আজি ৰাতিপুৱা কলিকাতা হৈ আন্দামানৰ পৰা আহি পাইছে। ৰিগ আহি আন্দামান পোৱাৰ লগে লগে ডেনিছ আকৌ যাব—ছাপ্লাই জাহাজেৰে ধীৰে ধীৰে প্ৰকাণ্ড পেলিকান ৰিগ পাৰাদ্বীপ বন্দৰলৈ টানি আনিবলৈ।

ডেনিছহঁতৰ পৰা বিদায় লৈ অহাৰ পাছত ৰাস্তাত অনুৰাধাই ক'লে, —সেই যে ডেনিছ নামৰ মানুহজন, কেনেকৈ চকুলৈ চাই থাকে!

বিদেশৰ পৰা আহি ভাৰতীয় ছোৱালী দেখিছে, চাইছে, কিনো হ'ল? —অৰুণাভে ক'লে।

মতা মানুহৰ এনেকুৱা চাৱনি ভাল নালাগে।

কেনেকুৱা চাৱনি ভাল লাগে?

মূৰটো ঈষৎ বেঁকা কৰি অৰুণাভৰ চকুৰে চকুৰে চাই অনুৰাধাই ক'লে,— তোমাৰ চাৱনিও ভাল নালাগে। একো এক্সপ্ৰেশ্যন নাই।

মাজতে মুক্তেশ্বৰ, কেদাৰ গৌৰী আৰু কি কি মন্দিৰ জানো অৰুণাভহঁতে চালে। বেনাৰছৰ কোনোবা এটা মন্দিৰত পাণ্ডাই এবাৰ অৰুণাভক সুধিছিল—দেৱতাৰ সন্মুখত কেইটকাৰ পূজা দিব, পাঁচ নে পঞ্চাছ? মন্দিৰৰ ভিতৰলৈ যাব বুলি ভাবিও অৰুণাভে সেইদিনা উভতি আহিছিল।

অৰুণাভৰ সেইবোৰ মন্দিৰ ভাল লাগে, য'ত পাণ্ডাৰ কোলাহল আৰু দেৱতাৰ মূৰ্তি নাথাকে।

চহৰৰ একোণত, মেইন ৰোডৰ পৰা আঁতৰত নিঃসংগ একাকীভাৱে এক ৰমণীয় পৰিৱেশত প্ৰতিষ্ঠিত ৰাজা-ৰাণী মন্দিৰ সেয়েহে অৰুণাভৰ ভাল লাগিল। এই মন্দিৰো সুশোভিত হৈ আছে কোনো অজ্ঞাত শিল্পীৰ পৰশত প্ৰাণ পোৱা লাৱণ্যময়ী নাৰীৰ মূৰ্তিৰে। মন্দিৰ প্ৰাংগনৰ পৰিষ্কাৰ-পৰিচ্ছন্নতাই যেন চৌপাশে পাৰি দিছে এক পবিত্ৰ আভৰণ।

কোন ৰজা-ৰাণীয়ে এই মন্দিৰ সজাইছিল? অৰুণাভে সুধিলে।

নামটো ৰাজা-ৰাণী কাৰণে সুধিছা নেকি? মন্দিৰৰ ৰং দেখিছা? আচলতে ৰাজা-ৰাণীয়া নামৰ এবিধ ৰঙচুৱা শিলেৰে এই মন্দিৰ নিৰ্মিত, সেয়েহে নাম ৰাজা-ৰাণী।

ৰাজা-ৰাণী মন্দিৰৰ পৰা ওলাই আহি গাড়ীত বহিবৰ সময়ত হাতৰ ঘড়ীলৈ চাই অনুৰাধাই চিঞৰি উঠিল, —মাই গড, কিমান বাজিল কোৱা? তিনি বাজিবৰ হ'ল এতিয়া। তোমাৰ ভোক লগা নাই? বলা, উদয়গিৰি-খণ্ডগিৰিৰ ওচৰত সৰু-সৰু হোটেল আছে, কিবা খাই লওঁ গৈ। হ'ব?

চহৰৰ পৰা আঁতৰত, পাহাৰৰ দুই উপত্যকাৰ মাজত এফালে উদয়গিৰি, এফালে খণ্ডগিৰি। প্ৰকৃতিৰ মনোৰম পৰিৱেশত নিৰ্মাণ কৰা শিলৰ গুহা আৰু মন্দিৰ। মাজৰ সমতলত কেইবাখনো টুৰিষ্ট বাছ, শিলৰ ওপৰত ৰং-বিৰঙৰ পোছাক পিন্ধি দৰ্শনপ্ৰাৰ্থী,



OKDISCD

কাৰোবোৰ হাতত বাইন'কুলাৰ, কাৰোবাৰ হাতত কেমেৰা। ছোৱালীৰ জাক এটাই দূৰলৈ কিবা এটা আঙুলিয়াই হঠাতে খিলখিলাই হাঁহি, উঠিছে, পাহাৰৰ গাত খুন্দা খাই সেই হাঁহিৰ প্ৰতিধ্বনি তললৈ নামি আহিছে।

সৰু হোটেল এখনত বিদেশী পৰিয়াল এটাই ৰ'দৰ্ত ঘামি-জামি ক'ল্ড-ড্ৰিংক খাই আছে; লগত পুতলাৰ দৰে এটি ফুটফুটীয়া, গোলাপী ৰঙৰ কেঁচুৰা।

কি সাংঘাতিক মৰম লগা! — অনুৰাধাই ক'লে।

উত্তৰত কিবা এটা কব খুজিছিল অৰুণাভে, নক'লে।

হোটেলত অৰুণাভহঁতে কিবাকিবি খাই ল'লে। নীলকণ্ঠই ভাত খালে। হোটেলৰ পৰাই অনুৰাধাই দেখুৱালে —এই যে চিৰি ওপৰলৈ উঠি গৈছে,— ওপৰত পৰেশনাথৰ মন্দিৰ আছে। আৰু সেইফালে চোৱা, ওপৰত শিলৰ গুহা আছে। আমি ইয়াৰ ডকুমেণ্টেৰি এখন কৰিছোঁ; কেতিয়াবা দেখুৱাম তোমাক।

পাহাৰৰ ওপৰৰ সৰু সৰু শিলৰ গুহাৰ সন্মুখত থিয় হৈ অনুৰাধাই ক'লে, —এই গুহাৰ সন্মুখত থিয় হ'লে সন্ন্যাসিনী হৈ যাবলৈ মন যায়। আগতে এই গুহাত বৌদ্ধ সন্ন্যাসীসকল আছিল।

নোহোৱা কিয় সন্ন্যাসিনী? গুহাৰ ভিতৰত ধ্যান কৰি থাকিব পাৰিবা!

ধাঃ ভয় নালাগিব নেকি? এই পাহাৰৰ ওপৰত অকলে-অকলে ৰাতি থাকিলে হাৰ্টফেইল কৰিব লাগিব। মই মৰি গ'লেই চাগে' তুমি ভাল পোৱা?

এটা শিলৰ পৰা দেও দি আইন এটা শিললৈ যাবৰ সময়ত অনুৰাধাই পিছলৈ মূৰ ঘূৰাই অৰুণাভলৈ চাই হাঁহিলে।

মযো থাকিম দিয়া। গেৰুৱা কাপোৰ অলপ এমপ'ৰিয়ামৰ পৰা কিনি দিবা।

তুমি থাকিলে হ'ল আৰু! সন্ন্যাস গুচি শেষত সংসাৰ হ'ব।

হাঁহি হাঁহি অনুৰাধাই ক'লে। প্ৰকৃতিৰ কোলাত, এই পাহাৰৰ মাজত এজনী কিশোৰীৰ দৰে দেও দি ঘূৰি ফুৰা এইজনী ছোৱালীয়ে কিমান সৰলতাৰে যিকোনো কথাকে নিঃসংকোচে কৈ দিব পাৰে, ভাবিলে অবাক হ'ব লাগে। মনত পবিত্ৰতাৰ পৰশ থাকিলেহে মানুহে এইদৰে কথা ক'ব পাৰে।

উদয়গিৰি-খণ্ডগিৰিৰপৰা ওভোতাৰ পথত অনুৰাধাই ক'লে— তুমি চাগে বে'ৰ হৈ গৈছা, দিনটো এইদৰে ঘূৰি ঘূৰি। আৰু মাত্ৰ এখন ঠাই আছে, সৌ যে দেখিছা পাহাৰৰ সৰু টিলাটোৰ ওপৰত—

অনুৰাধাই চহৰৰ একাষৰ অস্পষ্ট পাহাৰৰ এখনৰ ফালে আঙুলিয়াই দেখুৱালে।

গাড়ী যেতিয়া একাবেঁকা পাহাৰীয়া ৰাস্তাৰে সৰু টিলা এটাৰ ওপৰলৈ উঠিল, পৃথিৱীলৈ তেতিয়া ধীৰে-ধীৰে সন্ধিয়া নামিছে। সন্ধিয়াৰ ভুবনেশ্বৰত এক প্ৰশান্তি আছে, যেন দিনটোৰ সকলো ক্লান্তি, মলিনতা বতাহৰ কোমল স্পৰ্শই নিমিষতে ধুই নিয়ে।

ওপৰত যে দেখিছা, সেয়া ধৱলগিৰি। সন্ধিয়া কি সাংঘাতিক সুন্দৰ লাগে ভাবিব নোৱাৰি। সেয়া দেখিছা নহয়, বৌদ্ধসকলৰ মন্দিৰ, ধকধকীয়া বগা পাথৰেৰে সজা। পূৰ্ণিমাৰ ৰাতি আহিলে মনচন কিবা লাগি যায়।

পাহাৰীয়া ৰাস্তাত সঘনাই গাড়ীয়ে টাৰ্নিং লৈছে, সন্ধিয়াৰ বতাহে গাড়ীৰ ভিতৰতো অনুৰাধাৰ খয়েৰী ৰঙৰ শাৰী কঁপাই দিছে, খিৰিকিৰ গ্লাছ নমাই এজনী কিশোৰীৰ দৰে অনুৰাধাই পৃথিৱী চাইছে; —সন্ধিয়াৰ আন্ধাৰে সাৰটি লোৱা কোমল, শান্ত স্নিগ্ধ মায়াময় পৃথিৱী।

নীলকণ্ঠই টিলাৰ ওপৰত মন্দিৰৰ সন্মুখৰ খোলা সমতলত গাড়ী ৰখালে। গাড়ীৰপৰা নামি অৰুণাভে দেখিলে অদূৰত সান্ধ্য চহৰ, চলমান গাড়ীৰ হে'ড লাইটে হঠাতে দিশ সলাইছে। অনুৰাধাৰ বাদামী চুলিৰ বেণী কপাইছে কৃষ্ণপক্ষৰ সন্ধ্যাৰ নক্ষত্ৰজ্যোৎস্নাত বিভোৰ বতাহে।

নীলকণ্ঠ গাড়ীতেই বহি থাকিল।

সৰু-সৰু খটখটিৰ ওপৰেৰে অনুৰাধাহঁত ওপৰলৈ উঠি গ'ল। দূৰৈৰপৰা ক'ৰবাৰ প্ৰাৰ্থনা-সংগীতৰ সুৰ ভাঁহি আহিছে।

ওপৰলৈ মূৰ তুলি চাই অৰুণাভে দেখিলে সন্ধিয়াৰ ম্লান আলোকত শুভ্ৰ পাথৰেৰে নিৰ্মিত বিশাল ধৱলগিৰি মন্দিৰ নিঃসংগ, একাকী ৰূপত থিয় হৈ আছে। চৌপাশে পবিত্ৰ আৰণ্যক নিৰ্জনতা।

দূৰৈৰপৰাই অৰুণাভহঁতৰ চকুত পৰিল মন্দিৰৰ বিশাল চিৰিৰ এটা কোনত নিঃশব্দ, নিসংগ ছায়ামূৰ্তি এটা বহি আছে; —খন্তেকৰ বাবে অশৰীৰী প্ৰস্তৰ মূৰ্তি যেন লাগি যাব খোজে। কি জানো ভাবি, হঠাতে অনুৰাধাই ক'লে,— এক মিনিট ৰবা।

অৰুণাভক এৰি অনুৰাধা ওপৰলৈ গুচি গ'ল— সেই নিঃশব্দ ছায়ামূৰ্তিৰ কাষলৈ।

অতনু দা, তুমি? ইয়াত অকলে অকলে কি কৰিছা? মইতো প্ৰথমতে ভুত বুলি ভাবিছিলো!

মূৰ্তিৰ সন্মুখত ৰৈ অনুৰাধাই কলে। মাতত সুস্পষ্ট বিস্ময়ৰ সুৰ।

আৰে অনু, তই আকৌ ক'ৰপৰা ওলালিহি? অকলে নে লগত কোনোবা আছে?

তুমি চিনি নাপাবা। কলেজৰ বন্ধু ভুবনেশ্বৰলৈ আহিছে। —তোমাৰ কি হৈছে কোৱাচোন। অলীৰ বিয়াৰ পাছত তুমি যেন হঠাতে নিৰুদ্দেশ হৈ গ'লা। আমাৰ ঘৰলৈও অহা নাই, নাটকো কৰা নাই, একো লিখাও নাই। তুমি সদায় ইয়াত অকলে অকলে বহি থাকাহি নেকি?

অন্ধকাৰৰ মাজেৰেও অনুৰাধাই দেখা পালে এটা নিঃশব্দ হাঁহি অতনুৰ

৪৪ পৃষ্ঠাত চাওক





## মৌন ব্যাখ্যা

যজ্ঞেশ্বৰ শৰ্মা

আঁহতৰ তলত গুৰু যুবক;
সমুখত বৃদ্ধ শিষ্য অৰ্ধবৃত্ত কৰি বহিছে।
গুড়ি পৰুৱা গলেও গম পায়,
শান্ত।
গুৰু বোবা, শিছ কলা।
গুৰুৱে বুজাইছে, শিছে বুজিছে।
গুৰুৰ মুখত বুজাব পৰাৰ পুলক;
শিছৰ চকুত বুজিব পৰাৰ জেউতি।
ব্ৰহ্মাণ্ডৰ ঔৰষৰ কথা বুজিলে,
আৰু জানিবলৈ নাই।
নাই বক্তৃতা, নাই ব্লেক ব'ৰ্ড, নাই পুথি-পাঁজি।

কেনে সাঁথৰ?

## কবিতা

নীলিম কুমাৰ

[উৎসৰ্গ: পুষ্পাঞ্জলি গোস্বামী]

সি জলকুঁৱৰীৰ প্ৰেমত পৰিছে

প্ৰথম দিনা মাছ এটা হৈ আহিছিল জলকুঁৱৰী
সোণালী হাতদুখন মেলি দি তাক মাতিছিল
পানীলৈ

পানীৰ কাৰেঙত সোমাই সি দেখিছিল তাইৰ
সেউজীয়া বিছনা, নীলা গছৰ ডালত ওলমি থকা
টিক্ টিক্ ৰঙা হৃদয়

মাছবোৰেও চিনি পায় তাক
কেতিয়াবা মাছবোৰৰ হাততে পদুম পাতত লিখি
সি জলকুঁৱৰীলৈ চিঠি পঠায়

কেতিয়াবা জলকুঁৱৰী পাৰলৈ উঠি আহে
গোটেই দিনটো তেওঁৰ সঁতে নাচি বাগি ঘূৰি ফুৰে

কিন্তু সি ভাবে জলকুঁৱৰীয়ে কান্দক, নিজৰ বুকুতে মুখ গুজি
তাই তিতি যাওক, তাইৰ যে কোনো দুখ নাই
সি ভাবে তাইৰো বুকু শেলি যাওক
দুখ আৰু প্ৰেমেৰে

গধূলি হোৱাৰ লগে লগে তাই ভাগৰি পৰে
আৰু নামি যায় পানীলৈ
মাছ এটাৰ দৰে তাই সাঁতুৰি যায়
সোণালী হাতদুখন মেলি দিয়ে তাৰ হৃদয়ৰ ফালে

পদুমৰ পাহি হৈ কঁপি থাকে তাইৰ হাত

## কবিতা

লুট্ফা হানুম ছেলিমা বেগম

কিহৰ দুখত
দোঁ খাই পৰিছে গছবোৰ
শিলৰ বুকু ফাটি বৈছে তেজ

কি দুখত
সেমেকি উঠিছে সময়

কি দুখত ভৰ দুপৰতে
বাঁহলৈ উভতিছে চৰাইবোৰ
মাছমৰীয়া ঘৰলৈ উভতিছে
ঘাটৰ পৰা উদং কলহ লৈ
উভতিছে তিৰোতাবোৰ

কি দুখৰ ভৰত
তোমাৰ মুখৰ ছাঁ হালি পৰিছে
মোৰ মুখত

## ছাইপ্ৰাছ গছৰ দৰে


ডিম্বেশ্বৰ দাস

তোমাৰ আজি
কি ঋতু
চৰাইৰ বাহ যেন
বুকু
ছাইপ্ৰাছ গছৰ দৰে সেউজীয়া
দেহা
জিভাত লওঁ
নে, নিজেই ডুব যাওঁ
কিমান যে দীঘল

এই নদী
তুমি যাৰ
মোহনাৰ মুখ
সেউজীয়া তেজৰ মানুহ হোৱাৰ ইচ্ছাটো
কোন তুলসী তলত থওঁ?



OKDISCD



# আলফা স্পন্দন

ড° দীনেশ চন্দ্ৰ গোস্বামী

অনুকম্পা উচ্চ অধ্যয়ন কেন্দ্ৰৰ অতিৰিক্ত সঞ্চালক ড° বিৰাজ দত্তই অকলশৰীয়া অফিছ কোঠাটোত কোনো লুক-ঢাক নকৰাকৈয়ে সৰৱে বিৰক্তি প্ৰকাশ কৰিলে। তাৰ পাছত তেওঁ ইণ্টাৰকমৰ চাবি টিপিলে। সিফালৰ ধোঁৱা-কাচৰ সিকাষৰ কোঠাটোত স্পষ্ট-অস্পষ্টকৈ তৃষ্ণাক দেখা গ'ল। ডিক্টেশ্যন মেছিনৰপৰা শ্ৰুতলিপি শুনি-শুনি ৱাৰ্ড প্ৰচেছৰৰ কী-বোৰ্ড টিপি থকা তজ-বজীয়া পাৰ্চনেল এচিষ্টেণ্ট তৃষ্ণা চৌধুৰীয়ে ইণ্টাৰকমটোৰ বুটামটোত হেঁচা এটা মাৰি ইয়েৰ-পিছটো কাণৰ ওচৰলৈ আনি আবেগ সানি উত্তৰ দিলে, "ইয়েছ ছাৰ। কওক।"

তৃষ্ণাৰ এই অনাৱশ্যকীয় অনু-সন্ধিৎসা ঈষৎ অৱজ্ঞা কৰি বিৰাজে কৰ্তৃত্বৰ সুৰত ক'লে "ড° সুনীল ৰাজখোৱাক আবেলি তিনি বজাত তেওঁৰ গ্ৰুপটোৰে সৈতে কনফাৰেন্স ৰুমলৈ আহিবলৈ ক'বা।" অলপ ৰৈ বিৰাজে আকৌ ক'লে, "আৰু হেৰি, ডক্টৰ ভেংকটৰামননকো থাকিবলৈ কবা।"

তৃষ্ণা যেন অলপ আচৰিত হ'ল। তাই অলপ ইতস্ততঃ কৰি কৈয়েই পেলালে, "ছাৰ, ডক্টৰ ভেংকটৰামনন দেখোন—"

বিৰাজে ক'ব খুজিছিল— সেইটো তোমাৰ চিন্তাৰ বিষয় নহয়। কিন্তু সি ইমান ৰূঢ় হ'ব নোৱাৰিলে। সি হাঁহি এটাৰ সুৰ ফুটাই তুলিবলৈ যত্ন কৰি ক'লে, "তেখেত জিঅ'ফিজিক্সৰ মানুহজনক আকৌ এই গ্ৰুপটোৰ লগত কিয় লগা হ'ল, নহয় জানো? তুমি পাছত বুজি পাবা। ডক্টৰ ভেংটৰামননক মাতি দিবা।" অলপ ভাবি সি আকৌ যোগ দিলে, "তেখে-তক টাইম দিওঁতে আঢ়ৈ বজাত বুলিহে দিবা। পাছত ৰৈ ৰৈ আমনি লাগি যদি তেখেতে তোমালৈ ফোন কৰে, তেনেহলে ক'বা— 'আই এম ভেৰি ছৰি, ভুল হৈ গ'ল। মিটিং দেখোন ছাৰ তিনি বজাতহে। আপোনাক মই তিনি বজাত বুলিহে কৈছিলো ছাৰ! নাই কোৱা জানো?

"তেনেকুৱা খেলিমেলি কথা শুনি "তেখেত বৰ বিৰক্ত হ'ব।" তৃষ্ণাই স্পষ্টকৈ কৈয়েই দিলে।

"মোকো বৰ্তমান সেইটোৱেই লাগে। চিফ মেডিকেল অফিছাৰ ডক্টৰ জেকবক মই এতিয়াই লগ পাব খোজো বুলি কোৱা।"

"ইয়েছ ছাৰ" বুলি তৃষ্ণাই ইণ্টাৰ-কমটো থ'লে। ড° জেকবলৈ ফোনটো ডায়েল কৰি থাকোঁতে তাইৰ মনত খুদুৱনি এটাই উকমুকাই থাকিল। ইমান দিনৰ অভিজ্ঞতাৰ পাছতো তাই যেন কথাবোৰ ঠিক বুজি পোৱা নাই। ভেংকটৰামননক ইয়াত দেখোন আটায়ে অতি ছিৰিয়াছ ছাইণ্টিষ্ট বুলি সন্মান কৰে। ডাইৰেক্টৰ প্ৰফেছাৰ সুদৰ্শন, এডিশ্যনেল ডাইৰেক্টৰ ড° বিৰাজ দত্ত বা ছিনিয়ৰ জুনিয়ৰ আটায়ে তেখেতৰ কথাত যথেষ্ট মূল্য দিয়ে। কিন্তু এই গোপন প্ৰস্তুতিৰ অৰ্থ কি? কিয় বাৰু তেখেতক বেলেগ গ্ৰুপ এটাৰ মিটিঙলৈ মাতি আনি, তাকো আগতীয়াকৈ মাতি আনি এনেদৰে ইচ্ছাকৃতভাৱে বিৰক্ত কৰিব লাগে? জেকবকে বা কিয় অসময়ত মাতি আনিব লাগে? ডাই-ৰেক্টৰ প্ৰফেছাৰ সুদৰ্শন বিদেশলৈ যোৱা এই দিন কেইটাত অনুকম্পা এডভান্সড ষ্টাডি ছেণ্টাৰত কোনো গোপন অভিসন্ধি চলা নাইতো? আৰু এডিশ্যনেল ডাইৰেক্টৰ ডক্টৰ বিৰাজ দত্তই তাৰ গুৰি ধৰা নাইতো? অথচ ড° বিৰাজ দত্তই অধ্যাপক সুদৰ্শনকতো দেউতাকৰ দৰে সন্মান কৰে!

মেডিকেল অফিছাৰ ড° জেকব খপজপাই সোমাই অহাতহে তৃষ্ণাৰ ভাৱত যতি পৰিল।

ইয়াৰ পাছত তৃষ্ণাই আৰু বহুতো নতুন নতুন কথা বিস্ময়েৰে লক্ষ্য কৰি গ'ল। তৃষ্ণাই লক্ষ্য কৰিলে যে বিৰাজ দত্তই মিটিং তিনি বজাতো নাপাতিলে, কোনো ঘোষণা নকৰা-কৈয়ে মিটিং পিছুৱাই দিলে চাৰে তিনি বজালৈ। আনকি অৱশেষত যেতিয়া সকলোকে অতীষ্ঠ কৰি ৰখা এক প্ৰতীক্ষাৰ পাছত বিশাল কনফাৰেন্স ৰুমটোৰ এটা চুকত মিটিংখন আৰম্ভ হ'ল তেতিয়াও এতিয়াৰ ভাৰপ্ৰাপ্ত সঞ্চালক বিৰাজ দত্তই 'বিলম্বৰ বাবে কোনো ক্ষমা প্ৰাৰ্থনা' নকৰিলে। অথচ জইন কৰাৰ দিনাৰেপৰাই স্মাৰ্ট ইয়ং এডিশ্যনেল ডাইৰেক্টৰ বিৰাজ দত্তই এই বিজ্ঞানাগাৰত আন কেইবাটাও কথাৰ তুলনাত অধিক গুৰুত্ব দি আহিছে সময় ৰখাত। ফলত পুৱা সময়মতে গেট বন্ধ হৈছে, দুপৰীয়া সময়মতে সকলোৱে লাঞ্চ ব্ৰেক লৈছে, মিটিং সময়মতে হৈছে, শোকসভা সময়মতে হৈছে,— এক মিনিটৰো ইফাল সিফাল হোৱা নাই।

ড° সুদৰ্শনৰ মহানুভৱতাৰ সুযোগ লৈ এচাম সুবিধাবাদীয়ে সামান্য শিথিল কৰি পেলোৱা এই লেবৰেটৰি-টোলৈ ড° বিৰাজ দত্তই যেন এক নতুন প্ৰাণ, নতুন চাঞ্চল্য, নতুন স্পন্দন আনি দিছে। নতুন স্পন্দন আনি দিছে তৃষ্ণাৰ বুকুলৈকো। তৃষ্ণাই সেইকথা বিৰাজৰ ওচৰত কেতিয়াও প্ৰকাশ কৰা নাই। বিৰাজৰ হৃদয়তো তাৰ যেন কোনো অনুৰণন নাই, কোনো অনুনাদ, প্ৰতিধ্বনি নাই!

কল্পনাৰ আৱেশৰপৰা তৃষ্ণাই নিজকে জোৰ কৰি বাস্তৱলৈ, বৰ্ত-মানলৈ টানি আনিলে।

ডেস্ক ভিডিঅ'টোৰ কনট্ৰাষ্ট তাই আৰু অলপ বঢ়াই দিলে। কনফাৰেন্স ৰুমটো তাইৰ স্ক্ৰিণত স্পষ্ট হৈ পৰিল। মিটিং ইতিমধ্যে আৰম্ভ হৈছে। কন-ফাৰেন্স ৰুমৰ কনট্ৰোলবোৰ থকা পেনেল ৰুমটোত অন্যান্য অপাৰেটৰৰ লগত ড° জোছেফো বহিছে। লগতে তেওঁৰ সহকাৰী জুনিয়ৰ ড° লাৱণ্যও। ডেস্ক ভিডিঅ'টোৰ ডিজিটেল ডিছপ্লে নৱ এটা ঘূৰাই তৃষ্ণাই লাৱণ্যৰ ওপ-ৰত ফোকাছ কৰিলে। ধুনীয়া। তৃষ্ণা-তকৈ এই লাৱণ্য বয়সতো অলপ সৰু হ'ব। তাই নাভাবিব খুজিলে যদিও ভাবটো বন্ধ কৰিব নোৱাৰিলে,— বিৰাজ দত্তৰ বাৰু লাৱণ্যৰ প্ৰতি—। তাই জোৰ কৰি ভাবটো আঁতৰাই পেলালে।

লাৱণ্য বৰ ব্যস্ত হৈ পৰিছে। তাই কী ব'ৰ্ড এখন কণ্ট্ৰোল কৰাৰ বাহিৰেও অ'ত চকা একোটা ঘূৰাইছে, ত'ত চাবি এটা টিপিছে, আনকি তাই ভৰিৰেও কিবা এটা পেডেল অপা-ৰেশ্যন চলাই থকা যেন লাগিছে। আৰু তাইৰ ধুনীয়া বুকুখনৰ মাজতে লগাই থোৱা ক্লিপ মাইক্ৰ'ফোনটোৰ সহায়ত তাই ড° জোছেফ আৰু ড° বিৰাজ দত্তৰ লগত ব্যস্তভাৱে মাজে মাজে দুই এষাৰ কথা কৈছে। তাইৰ বাঁও কাণৰ ইয়েৰিং পাতত লগাই থোৱা বুটাম ফোনটোৰে তাইলৈ বিৰাজ বা ড° জোছেফে কিবা নিৰ্দেশ দিলে তাই মূৰ দুপিয়াই সঁহাৰি দিছে, তাৰ পাছত তাইৰ হাত-ভৰি অধিক ব্যস্ত হৈ উঠিছে। বিৰাজে কিব এটা ক'লে তাই সেই চঞ্চল আধা হাঁহিটো জোৰ কৰি বন্ধ কৰিব খুজিছে। এই চাঞ্চল্যই হয়তো বিৰাজৰ মনত পোৰণি তুলিছে। অন্ততঃ তৃষ্ণাৰ মনততো তুলিছে!

তৃষ্ণাই ডেস্ক ভিডিঅ' মনিটৰটো এইবাৰ ড° ভেংকটৰামননৰ ওপৰত ফোকাছ কৰিলে। এইটো এংগলত কনফাৰেন্স ৰুমটোত থকা প্ৰায় আটাই-কেইজন ছাইণ্টিষ্টকে দেখা গ'ল। তৃষ্ণাই দেখিলে, ইলেকট্ৰনিকছ গ্ৰুপ-টোৱে স্ক্ৰিণত দেখুওৱা নতুন ছাৰ্কিট ডায়েগ্ৰামবোৰৰ পিনে পৰম নিৰ্লিপ্ত-ভাৱে, চৰম উদাসীনতাৱে ড° ভেংকট-ৰামননে চাই আছে। তৃষ্ণা আচৰিত নহ'ল। পলমকৈ আৰম্ভ হোৱা মিটিং, তেওঁৰ কোনো কামত নলগা ৰিছাৰ্চ পেপাৰ, আৰু তেওঁৰ সমবয়স্ক সহ-কৰ্মী ড° ভেংকটক হয়তো বৰ বিৰক্ত কৰিছে। তেওঁ মাজে মাজে টোপনি-য়াইছে, মাজে মাজে দীঘলকৈ হামি একোটা মাৰি বিৰক্তিৰ পৰা পৰিত্ৰাণ পাবলৈ চেষ্টা কৰিছে।

কিন্তু তেনেতে এটা একপ্ৰকাৰ নাটকীয় ঘটনা ঘটিল। হঠাতে পিছ-ফালেদি উঠি আহি ভাৰপ্ৰাপ্ত সঞ্চালক ড° বিৰাজ দত্তই নিজে ড° ভেংকটৰ মূৰত হেলমেট এটা পিন্ধাই দিলে। প্ৰথমতে ড° ভেংকটে জাপ মাৰি উঠাদি উঠিছিল; কিন্তু উভতি চাই যেতিয়া দেখিলে যে ড° বিৰাজ দত্তই নিজে এই কামটো কৰিছে, তেতিয়া তেওঁ যেন সৈমান হ'ল। তেওঁ হেল-মেটটো নিজেই মূৰত ঠিক কৰি ল'লে। থুতৰিত খাপ খাই ধৰা বে'ল্টডালো মাৰি ল'লে।





OKDISCD

তাৰ পাছত ডঃ ভেংকটৰ গালৈ এক অদ্ভুত পৰিবৰ্তন আহিল। তৃষ্ণাই লক্ষ্য কৰিলে,— ইলেকট্ৰনিকছ গ্ৰুপৰ মুৰব্বী বিজ্ঞানী ডঃ সুনীল ৰাজখোৱাই নতুন কেছেট এটা লগালে। বৈৰৰ সমান ডাঙৰ ভিডিঅ' স্ক্ৰীণত যেন এখন নতুন নাটকহে মুকলি হ'ল। মেকুৰী, শহা আৰু বান্দৰ এই তিনিটা প্ৰাণীৰ মস্তিষ্কৰ তৰংগবোৰ প্ৰথমতে বেলেগে বেলেগে দেখুউৱা হ'ল। সুনীলে ক্ৰছ চিন এটা পইণ্টাৰ টৰ্চেৰে স্ক্ৰীণত মাৰি দি ভিডিঅ'টো ষ্টিল কৰি ল'লে, তাৰ পাছত বুজাই গ'ল— আলফা, বিটা মস্তিষ্কৰ স্পন্দনৰ কথা। বেলেগ বেলেগ স্পন্দন, বেলেগ বেলেগ অনুভূতি। সুনীলৰ বক্তৃতাটো শুকান গদ্য হৈ পৰিছে। কিন্তু জিঅ'ফিজিছিষ্ট ডঃ ভেংকট দেখোন নিশ্চল হৈ পৰিছে। তেওঁ বাৰু সুনীলৰ বক্তৃতাত ৰস পাইছে নেকি? নে চকু মেলি মেলিয়েই তেওঁ মাছৰ দৰে শুইছে?

হঠাতে ভিডিঅ'টো আকৌ চলিবলৈ ধৰিলে। ডঃ ভেংকটে যেন জীৱন পাই উঠিল। স্ক্ৰিণত মানুহৰ মস্তিষ্কৰ আলফা স্পন্দন দেখুউৱা হ'ল। এই আলফা স্পন্দনবোৰেই মানুহ এজনক সময় যে গৈ আছে তাৰ অনুভূতি দি থাকে;—সুনীলে প্ৰফেছাৰৰ দৰে বুজাই যাবলৈ ধৰিলে। সুবিধাৰ বাবে মাজে মাজে তেওঁ ভিডিঅ'টো ষ্টিল কৰি লৈছে। ডঃ ভেংকটে মনোযোগেৰে শুনিছে।

লাৱণ্য আৰু ডঃ জোছেফে অতি সন্তৰ্পণে ডঃ ভেংকটৰ গতিবিধি নিৰীক্ষণ কৰি গৈছে। কম্পিউটাৰ এটাই প্ৰতি মুহূৰ্তৰ বিতং তথ্য ৰেকৰ্ড কৰি গৈছে।

তৃষ্ণাৰ ছুটিৰ সময় হৈ গ'ল। কিন্তু তাই নাটকখন শেষলৈকে চোৱাৰ বাবে ৰৈ গ'ল। কনফাৰেন্স ৰুমত কিবা এটা খদমদম লাগি পৰাত তৃষ্ণাই মনিটৰটো সেইফালে ফোকাছ কৰিলে।

সেই ঈষৎ হাঁহিৰ ভাবটো ফুটাই তুলি লাৱণ্য এইবাৰ কনফাৰেন্স ৰুমৰ মেইন হললৈ সোমাই আহিছে। ডঃ জোছেফ কণ্ট্ৰোল ৰুমতে ৰৈ গৈছে। আদালতত কে'ছ উপস্থাপন কৰাৰ সুৰ আৰু ভংগীত লাৱণ্যই বিৰাজৰ ফালে চাই কৈছে—আৰু তৃষ্ণাৰ অন্তৰৰ চুক এটা বিষাই গৈছে—"ছাৰ, মস্তিষ্কৰ আলফা ৰিদমবোৰেই আমাক সময় পাৰ হৈ গৈ থকাৰ অনুভূতি দি থাকে। মেকুৰী, শহা আৰু বান্দৰৰ ওপৰত প্ৰথমতে, আৰু শেষত মানুহৰ মস্তিষ্কৰ ওপৰতো পৰীক্ষা কৰি ডঃ জোছেফ আৰু ডঃ সুনীল ৰাজখোৱাৰ দলটোৱে দেখিছে যে মানুহ বা জীৱজন্তু বিৰক্ত হোৱাৰ প্ৰধান কাৰণ হ'ল পৰিবৰ্তনহীনতা। যদি পৰিবেশত একো নতুন কথাৰ উদ্ভৱ নহয়, একো নতুন ঘটনা নঘটে, তেনেহলে মানুহ বা বুদ্ধিমান জীৱবোৰ ব'ৰ হয়, অৰ্থাৎ বিৰক্ত হয়, তেওঁলোকৰ অৱসাদ আহে। কাৰণ, মস্তিষ্কৰ আল্ফা ৰিদমৰ বাবে তেওঁলোকে সময় পাৰ হৈ গৈ থকা কথাটো ক'ব নোৱৰাকৈয়ে অনুভৱ কৰি আছে, অথচ পৰিবেশটোত কতো একো বিশেষ পৰিবৰ্তন ঘটা নাই, গতিকে তেওঁলোক ব'ৰ হৈছে, তেওঁলোকে হামিয়াইছে।

"অথচ এই সময়খিনিতে যদি পৰিবেশত পৰিবৰ্তন ঘটিছে, নতুন কিবা ঘটিছে, তেনেহলে তেওঁলোক সজীৱ হৈ আছে।"

লাৱণ্যই বহল স্ক্ৰীণখনত নিগনি ধৰিব খোজা মেকুৰী এজনীৰ লগতে ইনছেট কৰি হামিয়াই থকা মেকুৰী এজনীও দেখুৱালে। মস্তিষ্কৰ আলফা স্পন্দনৰ তুলনাত পৰিবৰ্তিত পৰিবেশৰ ইনপুটটোও দেখুৱালে। পৰিবেশত কোনো পৰিবৰ্তন নথকা বাবে ইজনী মেকুৰীয়ে হামিয়াইছে!

তৃষ্ণাৰ কথাবোৰ সুবুজা সুবুজা যেন লাগি আহিবলৈ ধৰিছিল। এনেতে মৃদু হাঁহিটোৰে বিৰাজৰ মুখলৈ চাই লাৱণ্যই ক'লে,—"সেই একে কাৰণতে নতুনত্ব নথকা বক্তৃতা এটা শুনি আমি আলফা স্পন্দনবোৰৰ বাবে ব'ৰ হৈ পৰোঁ। অথচ, প্ৰেমিকাৰ প্ৰতিটো কথাই পুলক আনে বাবে অৰ্থহীন কথাবোৰেও পৰিবেশটো জীৱন্ত কৰি ৰাখে, তেতিয়া আলফা তৰংগবোৰ তলপৰি সময়ৰ সোঁত প্ৰেমিকক পাহৰাই ৰাখে।"

তৃষ্ণাৰ এটা হুমুনিয়াহ ওলাই যোৱাকৈ বিৰাজে যেন সামান্য চকু টিপিয়ালে। সহাঁৰিত লাৱণ্যই ওঁঠ টিপি হাঁহিলে। তাৰ পাছত ক'লে, "ইয়াৰ পাছৰ গৱেষণাখিনি প্ৰধানতঃ ডঃ সুনীল ৰাজখোৱা আৰু তেওঁৰ গ্ৰুপটোৰ।"

সুনীলৰ কথাখিনি তৃষ্ণাৰ বাবে সহজ যেন লাগিল। হেলমেট এটাত ইলেকট্ৰনিক ছাৰ্কিট ৰাখি মস্তিষ্কৰ আলফা তৰংগবোৰৰ ওলোটা তৰংগ সৃষ্টি কৰিব পাৰি। এই তৰংগৰ ফলত মস্তিষ্কৰ আলফা তৰংগবোৰ নোহোৱা হৈ যাব। তেতিয়া মানুহজন আলফা ৰহিত হৈ সময় পাৰ হৈ গৈ থকাৰ অনুভূতিটো নোপোৱা হ'ব।

"কিন্তু তেতিয়া তেওঁ এটা অজীৱৰ দৰে স্থিৰ হৈ থাকিব দেখোন"—ক'ব নোৱৰাকৈয়ে কল বুটনটোত টিপা মাৰি তৃষ্ণাই চিঞৰি উঠিল। কনফাৰেন্স ৰুমত তাইৰ মাতটো ৰজনজনাই গ'ল। ডঃ জোছেফে মিচিকৈ হাঁহিলে। তাৰ পাছত ক'লে, "দিয়া লাৱণ্য, তৃষ্ণাক উত্তৰটো দিয়া। এওঁ যে চেনেলটো নিজৰ ৰুমৰপৰাই মনিটৰ কৰি আছিল আমি মনেই কৰা নাছিলো।"

তৃষ্ণাই বৰ লাজ পালে। ক'লে, "আই এম ছো ছৰি।"

লাৱণ্যই স্ক্ৰিনত ডঃ ভেংকটৰ আলফা স্পন্দনবোৰ দেখুৱালে। তাৰ পাছত হেলমেট পিন্ধাই দিয়াত তাৰপৰা সেই তৰংগবোৰৰ ওলোটা তৰংগ ওলাল। এন্টি আলফাবোৰে আলফাবোৰ নোহোৱা কৰি পেলালে। ডঃ ভেংকট একেবাৰে নিশ্চল হৈ ৰহি ৰ'ল। যেন তেওঁ টোপনিত লালকাললহে। কিন্তু হঠাতে থ্ৰি ডাইমেনশ্যনেল লেজাৰ থিয়েটাৰ বক্সটোত বেলে নৃত্য এটা আৰম্ভ হ'ল। এগৰাকী স্বল্পবস্ত্ৰা ষোড়শীয়ে মোহনীয় ভংগীত নাচিবলৈ ধৰিলে। ডঃ ভেংকট পোন হৈ বহিল। নাচোনটো শেষ হোৱাত যেই স্থূলা মেদবহুলা এগৰাকীয়ে এই নাচোনটোৰ বৈশিষ্ট্যৰ আলোচনা আৰম্ভ কৰিলে, ভেংকট আকৌ টোপনিত পৰিল।



*

অনুকম্পা উচ্চ অধ্যয়ন কেন্দ্ৰৰ আন বহুতো গৱেষণাৰ ফলৰ তুলনাত অতি কম সময়তে আলফা হেলমেট দেশত জনপ্ৰিয় হৈ পৰিল। জটিল ছাৰ্কিটবোৰৰ বাবে দাম বেছি হৈ থকা সত্বেও মেলে-মিটিঙে বহুতকে আলফা হেলমেট পিন্ধি বহি থকা দেখা গ'ল। শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়েও আলফা হেলমেট ব্যৱহাৰ কৰা কৰিলে। যেতিয়াই বক্তৃতা বা পঢ়া গতানুগতিক, নিৰস, নতুন তথ্য নথকা হৈ পৰে, তেতিয়াই স্বয়ংক্ৰিয়ভাৱে আলফা হেলমেট পিন্ধোতাজন নিঃসাৰ হৈ পৰে। কিন্তু বক্তা বা প্ৰফেছাৰে এটা নতুন কথা ক'লে হঠাতে সাৰ পাই উঠি কথাটো শুনি বা টুকি লৈ তেওঁলোকে আকৌ শুই পৰে। বহুতেতো ছিনেমা-বিচিত্ৰানুষ্ঠান চাবলৈ যাওঁতেও হেলমেট পিন্ধি যোৱা হ'ল। আলফা হেলমেটে নিজা-নিজা আলফা স্পন্দন আৰু নিজা-নিজা ৰাপৰ ওপৰত নিৰ্ভৰ কৰি কাম কৰাৰ ফলত ডেকা ল'ৰাবোৰে যেতিয়া ফাইট চাই জপিয়াই থাকিল, আদবয়সীয়া ভদ্ৰলোকে সেইখিনিসময়ত এঘুমটি মাৰি ল'লে। ধৰ্মমূলক বা পুৰণি প্ৰমূল্যৰ কথা ওলালে তাৰ ওলোটা ঘটনা ঘটিল।

ভিডিঅ' ইণ্টাৰকমত তৃষ্ণাই ডঃ সুনীল ৰাজখোৱাক চমুকৈ ক'লে, "ডক্টৰ, মই আপোনাক এটা বিশেষ কথাৰ বাবে লগ পাব খোজোঁ। অকলে। আজি সন্ধিয়া সাত বজাত মোৰ ফ্লেটলৈ চাহ একাপৰ বাবে আহিব পাৰিবনে?"

সুনীলে অলপ ইতস্ততঃ কৰিছিল; কিন্তু মন্ত্ৰমুগ্ধৰ দৰে সি যেতিয়া তৃষ্ণাৰ পঞ্চম মহলত থকা ফ্লেটটো পালেগৈ, তেতিয়া তাত পশ্চিমীয়া সংগীতৰ মধুৰ মূৰ্ছনা চলি আছে। চাহৰ সলনি সুনীল আৰু তৃষ্ণাৰ বাবে সাজু কৰি ৰখা হৈছে বিয়েৰৰ দীঘলীয়া গিলাছ।

"চাওক ডক্টৰ", তৃষ্ণাই দৃঢ় দৃষ্টিৰে সুনীলৰ ফালে চাই ক'লে, "মই ডঃ বিৰাজ দত্তক ভাল পাওঁ। তেওঁৰ মনৰ কথা মই হয়তো একেবাৰেই নাজানিলোঁহেঁতেন। হয়তো স্পষ্টকৈ কোনো দিনে তেওঁক একো ক'বও নোৱাৰিলোঁহেঁতেন। সেইটোৱেই মোৰ বাবে বৰ ভাল আছিল। কিন্তু, আপোনাৰ এই আলফা হেলমেটে মোৰ সকলো স্বপ্ন থানবান কৰি পেলালে।"

তৃষ্ণাৰ মাতটো অলপ সেমেকি উঠিছিল। কিন্তু লগে লগে তাই বিয়েৰৰ গিলাচত দীঘলীয়া সোহা মাৰিলে।

এতিয়া অনুকম্পা উচ্চ অধ্যয়ন কেন্দ্ৰৰ প্ৰত্যেকেই নিজা আলফা স্পন্দনৰ বিপৰীত স্পন্দনৰ হেলমেট পিন্ধে। ফলত তেওঁলোকৰ কোনো বিৰক্তি নাই, অৱসাদ নাই। তেওঁলোকে নিজৰ ৰাপ থকা বিষয়ৰ গৱেষণা কৰে, নিজৰ প্ৰিয় বিষয়ৰ আলোচনা কৰে, নিজৰ প্ৰিয় সংগীৰ লগত দীঘলীয়াকৈ কথা পাতে। যি কামত নিচা নাই, যি বিষয়ত আগ্ৰহ নাই সি তেওঁলোকৰ মনত কোনো প্ৰতিক্ৰিয়াৰ সৃষ্টি নকৰে। আগ্ৰহ নথকা বিষয়, মানুহ বা পৰিস্থিতি উপস্থিত হ'লে তেওঁলোক নিঃসাৰ, মৃতপ্ৰায় হৈ পৰে। ৰাপ থকা বিষয় উপস্থিত হ'লেই তেওঁলোক সজীৱ, উদগ্ৰীৱ হৈ উঠে।

তৃষ্ণা ওচৰ চাপিলে ডঃ বিৰাজ দত্তৰো কোনো প্ৰতিক্ৰিয়া নহয়। তেওঁ গতানুগতিকভাৱে কথাৰ উত্তৰ দিয়ে, পি. এ. হিচাপে তৃষ্ণাই দিয়া মেছেজবোৰ লয়, তাইক ডিক্টেশ্যন দিয়ে, টুৰ প্ৰোগ্ৰেম ঠিক কৰিবলৈ নিৰ্দেশ দিয়ে।

অথচ লাৱণ্যৰপৰা কিবা এটা ইনপুট আহিলেই, ভিডিঅ'কমত এটা ঈষৎ হাঁহি ভাহি আহিলেই, বিৰাজ যেন চঞ্চল-উন্মনা চফল ডেকা ল'ৰাটো হৈ পৰে।

"মোক তাৰ এটা প্ৰতিকাৰ লাগে," খাৰাংখাচকৈ তৃষ্ণাই ক'লে, "ঠিক প্ৰতিকাৰ নহ'ব পাৰে। কিন্তু আপোনালোকেতো আলফা ৰিদমবোৰ মেনিপুলেট কৰিব পাৰে? ছাত্ৰ এজনৰ ক্ৰিকেটৰ নিচা একৰাই তাৰ মনত অংকৰ নিচা সুমুৱাই দিব পাৰে। বিৰাজ দত্তৰ ক্ষেত্ৰত বাৰু আপুনি এই নিচাটো একৰাব নোৱাৰিবনে। বা অন্ততঃ লাৱণ্যৰ ক্ষেত্ৰত? অংকৰ নিচাটো নবহুৱালেও হ'ব। মাত্ৰ ক্ৰিকেটৰ নিচাটো একৰাওক।"

তাৰ পাছত তাই গোটেই গিলাছ বিয়েৰ পি শেষ কৰি ক'লে, "তাৰ বাবে মই আপোনাক যি লাগে তাকে দিম। যি লাগে।"

তৃষ্ণাৰ শৰীৰৰ ওপৰেৰে মন্থৰ দৃষ্টি এটা পাৰ কৰি আনোতে সুনীলৰ চকুত এটা ঢৌ খেলি গ'ল। বিয়েৰখিনি শেষ কৰি সি মাথোঁ সুধিলে, "সঁচাই?

তৃষ্ণাই মূৰ দুপিয়ালে।

*

ভাৱপ্ৰাপ্ত সঞ্চালক বিৰাজ দত্তৰ ব্যক্তিগত সহকাৰী তৃষ্ণাই বিৰাজ আৰু লাৱণ্যৰ প্ৰতিটো ভিডিঅ'কম লাইভ অৱস্থাতে সুনীল ৰাজখোৱালৈ পাছ কৰি দিলে। লাৱণ্য আৰু বিৰাজৰ প্ৰতিটো সাক্ষাৎ কনছিলড মাইক্ৰ'-টিভিৰে ৰেকৰ্ড কৰি দিনটোৰ শেষত সুনীলক সংগোপনে যোগান ধৰা হ'ল। লাৱণ্যৰ বাবে স্পেছিফিক আলফা হেলমেটটো টেষ্ট কৰোৱাৰ নামত ডঃ জোছেফৰপৰা লাৱণ্যৰ আলফা আৰু উত্তেজিত আলফাৰ গোপন তথ্য সুনীলে সংগ্ৰহ কৰিলে।

তাৰ পাছত এদিন তৃষ্ণাৰ মেজতে হেলমেটটো থৈ বিৰাজৰ কোঠাত সোমাওঁতে লাৱণ্যৰ আলফা হেলমেটটো সলাই পেলোৱা হ'ল। লাৱণ্যই কথাটো মন নকৰিলে। বিৰাজৰ কোঠাৰপৰা ওলাই যাওঁতে তাইৰ মুখত ঈষৎ হাঁহিটোৱে খেলিয়েই থাকিল।

পৰীক্ষাৰ ৰিজাল্ট এই দিওঁ এই দিওঁ অৱস্থাত পৰীক্ষাৰ্থীৰ মনৰ অৱস্থাৰ দৰে তৃষ্ণাৰ মনত এটা উগুল-থুগুল ভাব চলি থাকিল। মূৰত কেইবাঘণ্টাকৈ আলফা হেলমেট পিন্ধিও



OKDISCD

তাই সময় যে বৰ মন্থৰ গতিৰে চলিছে সেই ভাবটো কোনো পধ্যেই আঁতৰাব নোৱাৰিলে। হেলমেটটোত নতুন ছিলিকন ছে'ল লগায়ো একো লাভ নহ'ল। সময়ৰ গতি তাইৰ বাবে বৰ মন্থৰ যেনেই লাগি থাকিল।

কিন্তু লাহে লাহে বিৰাজ-লাৱণ্যৰ ভিডিঅ'কমবোৰত লাৱণ্যৰ উত্তৰ বৰ চুটি; নিৰস আৰু মেটাৰ-অৱ-ফেক্ট-বিধৰ হৈ পৰিল। চতুৰ্থ দিনা ভিডিঅ'-কম কেৱল বিৰাজেহে কৰিলে, তাকো মাথোঁ দিনটোত চাৰিবাৰহে। সপ্তম দিনৰ দিনা ৰাতিপুৱা বিৰাজে কৰা ভিডিঅ'কমটো ধৰিয়ে লাৱণ্যই চিঞৰি উঠিল, "আপুনি ডাইৰেক্টৰৰ চাৰ্জত থাকিব পাৰে, কিন্তু হোৱাই নোহো-ৱাই মোক এনেকৈ অতীষ্ঠ কৰিবলৈ আপোনাক কোনে অধিকাৰ দিলে?" তাৰ পাছত তাই ভিডিঅ'কমটো ভীষণ জোৰেৰে থৈ দিলে।

*


সেই ৰাতি তৃষ্ণাৰ ফ্লেটৰ মৃদু পোহৰত কেইবাগিলাছো বিয়েৰ শেষত কৰাৰ পাছত,— হেলমেটৰ প্ৰভাৱত সময়ৰ গাতৰ কথা পাহৰি থকাৰ পাছত — যেন এক অনুচ্চাৰিত চৰ্ত মানিহে তৃষ্ণা আৰু সুনীলে নিজৰ নিজৰ হেলমেট দুটা খুলি থ'লে। সময় নিজ গতিত চলিবলৈ ধৰিলে।

বহুপৰৰ নিৰৱতা ভংগ কৰি তৃষ্ণাই এইবাৰ কণ্ঠটো পৰিষ্কাৰ কৰি সুধিলে, "কোৱা সুনীল, তোমাক এতিয়া কি লাগে?"

সুনীলৰ মূৰটো ৰিমজিম কৰিছিল। সি একো উত্তৰ নিদিলে। হেলমেটটো খুলি থোৱাত তাৰ হয়তো অনুভূতি-বোৰ পৰিষ্কাৰ হৈ পৰিছিল। এক নতুন স্পন্দনেৰে তাৰ চকু দুটা নাচি উঠিল।

তৃষ্ণাই কিন্তু স্পষ্টকৈ উত্তৰ এটা বিচাৰিছিল। তাই আকৌ মিহিকৈ সুধিলে, "কোৱা কি লাগিব?"

বিচিত্ৰ যন্ত্ৰপাতি, জটিল ইলেক-ট্ৰনিকছ ছাৰ্কিটৰপৰা মুক্ত এটা সাধা-ৰণ কোঠালিত, অন্যান্য সকলো স্পন্দন তল পেলাই, এক পুৰণি, মানৱীয় স্পন্দনে খেলা কৰিবলৈ ধৰিলে।



প্ৰবীণ অধিবক্তা সুসাহিত্যিক ৰজনীকান্ত গোস্বামীদেৱৰ নতুন আংগিকৰ ৰাজনৈতিক উপন্যাস:

## পথৰ সন্ধানত

"দৰাচলতে ই অসমীয়া ভাষাত প্ৰথম ৰাজনৈতিক উপন্যাস। ...আদি আৰু শৃংগাৰ ৰসক প্ৰাধান্য নিদিয়াকৈ লিখা উপন্যাস এখনৰ মাজেদিসম সামগ্ৰিক সামাজিক জীৱন বএনেকুৱা সত্যনিষ্ঠ আৰু বাস্তৱধৰ্মী মনোগ্ৰাহী চিত্ৰাংকন অতি বিৰল। লিখকে কাহিনীৰ চৰিত্ৰবোৰ কাল্পনিক বুলি কৈছে। পিছে, উড়িষ্যাৰ ঠাইত অসমক পটভূমি কৰি ললে আৰু উড়িয়া নামবোৰৰ ঠাইত অসমীয়া নাম বহাই দিলেই দেখিবলৈ পোৱা যাব যে এইখন স্বাধীনোত্তৰ যুগৰ অসমৰে চিত্ৰ।

চৰিত্ৰ-ৰূপায়ণত এহাতে সাধাৰণ মানুহৰ অসাধাৰণ মহত্ত্ব আৰু আনহাতে ৰাইজৰ কান্ধত গজগজীয়াকৈ বহি তেওঁলোকৰ মূৰৰ ওপৰত পকা কঠাল ৰাখি তাৰ কোঁহ খোৱা আৰু ৰাইজৰ সৰ্বাংগক এঠা আৰু বাদুৰে লেতেৰা কৰা সমাজপতিসকলৰ ভণ্ডামিৰ মুখাবোৰ পৈণত ৰচনা-শৈলীৰে প্ৰকাশ কৰা হৈছে। ... ই সাৱলীল ভাষাৰে চলিত সমাজখনৰ প্ৰতিচ্ছবি দাঙি ধৰি আদৰ্শবাদী ন-পুৰণি সমাজসেৱীসকলৰ বাবে এটা পথৰ সন্ধান দিব পাৰিছে।

গোস্বামীদেৱৰ জীৱন-সংগ্ৰামৰ বহুমূলীয়া অভিজ্ঞতা, গণদৰদী সাহসী মানসিকতা আৰু সূক্ষ্ম বিচাৰ-বুদ্ধিৰে ঘটনা-প্ৰবাহৰ শুদ্ধ বিশ্লেষণ আৰু মূল্যায়নৰ ক্ষমতাৰ কাৰণে তেওঁ এনেকুৱা উৎকৃষ্ট সাহিত্য সৃষ্টি কৰিব পাৰিছে।"

*[ বেচ ৩০ৰ টকা ]*

*—শ্ৰীগৌৰীশঙ্কৰ ভট্টাচাৰ্য*

বাণী প্ৰকাশ
পাণবজাৰ গুৱাহাটী-১

৩৮ পৃষ্ঠাৰ পিছৰ পৰা

ওঁঠত খেলি গ'ল। কিছুমান হাঁহিত কলিজাৰ ৰং সনা থাকে।

অনুৰাধাৰ ফালে নোচোৱাকৈয়ে অতনুৱে ক'লে,— বহচোন, তোক বহুত দিন লগ পোৱা নাই।... আগতে অলীৰ লগত কেতিয়াবা ইয়ালৈ আহিছিলো। এতিয়া অকলে আহো। ...কিবা এটা মোহ সোমাই গ'ল ঠাইখিনিৰ প্ৰতি। কেতিয়াবা ইয়াত বহি থাকিবিচোন: ভাব হ'ব মনৰ ভিতৰৰ সকলো ক্ষোভ, অভিমান অভিযোগ বতাহৰ লগত মিহলি হৈ গৈছে। সেই মুহূৰ্তত সকলোকে ক্ষমা কৰি দিবৰ মন যাব। অলীকো।... মানুহে যেতিয়া জীৱনৰ মোহ হেৰুৱাই পেলায়, ইয়ালৈ আহিব লাগে। ...হঠাতে তুচ্ছ জীৱনৰ প্ৰতিও মায়া হৈ যায়। মই সেই কাৰণে আহো মাজে মাজে। ...জীৱনৰ প্ৰতি এটা মায়াৰ প্ৰয়োজন। ...তয়ো আহিবি কেতিয়াবা। ...আহিবি?

আন্ধাৰৰ মাজতে মূৰটো ঘূৰাই অতনুৱে অনুৰাধাৰ মুখলৈ চালে।

'দৰকাৰ পৰিছে মোৰ আহিবলৈ' —জাতীয় কিবা এটা কব খুজিছিল অনুৰাধাই; কিন্তু অতনুৰ মাতত এনে-কুৱা কিবা এটা আছিল— তাই কব নোৱাৰিলে।

মুখ ঘূৰাই অনুৰাধাই উঠি অহা চিৰিৰ ফালে চালে, অৰুণাভ তেওঁ-লোকৰ ফালেই আহিছে।

সন্ধিয়াৰ সেই নিশ্চল আন্ধাৰত শুভ্ৰ মন্দিৰৰ চিৰিত বহি থকা অতনু-ৱেই যে এদিন অনুৰাধাক জীৱনৰ আটাইতকৈ ভয়ংকৰ অগ্নি পৰীক্ষা এটাৰ সন্মুখীন হবলৈ বাধ্য কৰাব, সেই কথা অতনু, অৰুণাভ কিয়, অনুৰাধাই নিজেও সেই মুহূৰ্তত ভাবিব পৰা নাছিল। [ আগলৈ ]





# নিক্ষিপ্ত কাঠৰ ভাস্কৰ্যৰ সৌন্দৰ্য

নীলমণি ফুকন



কুকুৰা

### এক

প্ৰখ্যাত ফৰাছী চিত্ৰশিল্পী ডেলা-ক্ৰোৱাই কৈছিল,— মোৰ বাবে প্ৰকৃতি এখন অভিধান। দেৱীকা বৰুৱাৰ নিক্ষিপ্ত কাঠৰ ( drift-wood ) সংগ্ৰহটো চাই আকৌ এবাৰ উপলব্ধি কৰিলো,— প্ৰকৃতি ফৰ্ম বা ৰূপ আৰু বৰ্ণৰ অফুৰন্ত অক্ষয় ভাণ্ডাৰ।

উজনি অসমৰ, বিশেষকৈ দিহিঙৰ চট, বালিচাপৰি আৰু অৰুণাচলৰ কিমিন অঞ্চলৰপৰা স্বামী যোগেশ চন্দ্ৰ বৰুৱাৰ সৈতে সংগ্ৰহ কৰা প্ৰায়-বোৰ নিক্ষিপ্ত কাঠকে তেওঁ স্মৃতি-কল্পনা-ভাব উদ্দীপক ফৰ্মলৈ ৰূপান্তৰিত কৰিছে। প্ৰকৃতিয়ে গঢ়ি য'তে এৰি থৈ গৈছিল,— তাৰপৰা বুটলি আনি যি ৰূপত পাইছিল অবিকল সেই ৰূপতেই,— তেওঁ কোনো এডোখৰ নিক্ষিপ্ত কাঠকেই পদস্থল (pedestal) একোটাত বহুৱাহি নাই। সহজাত এক ৰূপবোধ আৰু কল্পনা প্ৰৱণ মনেৰে, গছৰ গঠন-সুষমাৰ বৈশিষ্ট্যলৈ লক্ষ্য ৰাখি, প্ৰায় প্ৰতি-ডোখৰ নিক্ষিপ্ত কাঠৰ কোনো কোনো অংশ বৰ্জন, কোনো ডোখৰত সংযোজন আৰু কেতিয়াবা কেইবাডোখৰ কাঠেৰে একোটা সমাবেশ ৰচনা কৰি তেওঁ প্ৰকৃতিয়ে গঢ়ি থোৱা বস্তু এটাক শৈল্পিক ৰূপ আৰু অৰ্থ দিবলৈ চেষ্টা কৰিছে। বৰুৱাৰ এই আৱিষ্কাৰ (finding) প্ৰক্ৰিয়াত অনুসংগমূলক আৰু মনো-বিদ্যাত কিছু কথাও জড়িত হৈ আছে।

### দুই

বৰুৱাৰ অধিকাংশ নিক্ষিপ্ত কাঠেই পাতল, আকাৰত সৰু আৰু সৰল; কিছুমান হাতত তুলি লৈ চাবপৰা বিধৰ। এনে দুই-এডোখৰ সৰু নিক্ষিপ্ত কাঠৰ বিৰাটত্বভাৱ গুণ চমকপ্ৰদ।



া চোৰাৰী

প্ৰতি ডোখৰ নিক্ষিপ্ত কাঠৰেই তেওঁ একোটা নামকৰণ কৰিছে। এই নামবোৰক একধৰণৰ একোটা ব্যাখ্যাও বুলিব পাৰি। নামবোৰৰ যোগেদিয়েই জীৱন আৰু প্ৰকৃতিৰ মাজত থকা সম্পৰ্কৰ এটা সম্ভেদো তেওঁ যেন আমাক দিবলৈ বিচাৰিছে।

বৰুৱাৰ প্ৰায়বোৰ নিক্ষিপ্ত কাঠৰ ভাস্কৰ্যই বিমূৰ্ত চৰিত্ৰৰ। তেওঁৰ এই ভাস্কৰ্যসমূহৰ কোনো কোনোটোত নিৰৱতা, প্ৰশান্তি, বিশ্ৰাম, পাৰিবাৰিক বন্ধন, কামনাৰ আনন্দ, জীৱিত বস্তুৰ মাজত থকা সম্পৰ্ক, ভ্ৰাতৃত্ব, আনকি



OKDISCD

ভয়, নিঃসংগতা আৰু অমংগলীয়া ভাব একোটাৰো কিছু অভিব্যক্তি লক্ষ্য কৰা যায়।

**তিনি**


নিক্ষিপ্ত কাঠৰ ভাস্কৰ্যত সাধাৰণতে বস্তুপুঞ্জ (mass), বস্তু আয়তন (volume) আৰু দেহৰেখা (contour) অনুভৱ কৰিবলৈ টান হয় বুলি কয়। কিন্তু বৰুৱাৰ ফৰ্ম, গৰ্‌খীয়া, ধোঁৱা চোৰাবী, তিৰোতা, আলিংগনৰত মূৰ্তিৰ দেহৰেখা,—স্পিড, মাক আৰু শিশু, তিৰোতা, ধোঁৱা চোৰাবীৰ বস্তুপুঞ্জ আৰু বস্তু আয়তন যি কোনো ৰসজ্ঞ দৰ্শকেই অনুভৱ কৰিব পাৰিব।

বৰুৱাই তেওঁৰ অধিকাংশ নিক্ষিপ্ত কাঠৰ ৰংটো নৰখাৰ কাৰণে কাঠৰ পৃষ্ঠভাগৰ স্বাভাৱিক চৰিত্ৰ কিছু হলেও ক্ষুণ্ণ হৈছে। ৰং দিয়াৰ পাছতো তেওঁৰ ফৰ্ম, তিৰোতা, ধোঁৱা চোৰাবী, চৰাই, মৌৰা আৰু শীতৰ পৃষ্ঠভাগৰ চকু, গাঁঠি, পাব, আঁহ, ক্ষুদ্ৰ ক্ষুদ্ৰ ধোন্দ, পোন বেঁকা উঠঙা দীঘল চুটি সেৰা আৰু ওখোৰা-মোখোৰা অংশই সৃষ্টি কৰা স্পৃশ্যগুণ মনোমুগ্ধকৰ।

অলপতে বৰুৱাৰ নিক্ষিপ্ত কাঠৰ ভাস্কৰ্যৰ এখন একক প্ৰদৰ্শনী কলিকাতাৰ একাডেমি অৱ ফাইন আৰ্টছত অনুষ্ঠিত হৈ যায়।



তিৰোতা



ফৰ্ম

৩৪ পৃষ্ঠাৰ পিছৰ পৰা

দেখা-নেদেখাৰ কথা নহয় বুইছা? আচল কথা হ'ল বস্তুটো ভালে থাকিব লাগে। তুমিটো মাঘ বিহুৰ হাৰলিঘৰ সজা নাই।

দক্ষিণফালে আৰু দুখন খিৰিকী থকা হলে ভাল আছিল। কি কোৱা?

নহ'ল ছানশ্বে'ডৰ ওচৰতে ঘৰ ৰখি গ'ল। আৰু নোৱাৰিলে মোমায়ে।

প্ৰায় সকলো মানুহে কৈ গ'ল,—"মানুহৰ কথাত কাণ নিদিব।"

মোমাইৰ বিৰক্তি লাগিল, গাঁঠিৰ ধনো শেষ হ'ল।

কোনোবা এজনে কৈছিল,— ঘৰৰ ভেঁটিত গৰু বান্ধিলে ভাল। ভেঁটিটোৱে টিপ লয়, কটকটীয়া হয়।

সেই তেতিয়াৰেপৰা আজিলৈকে, ঘৰটো গোঁহালি হোৱা নাই যদিও,—গৰুবোৰে কিন্তু সেইটো ভেঁটিতে পুৰাগধুলি ঘাঁহ পাগুলি থকা এই ভাগিনে দেখি আছে।

### সম্পাদকৰ কোঠালিত

বন্ধু: তোমালোকে যে এই গুল, গাজা, জ'ক, হিউমাৰ— এইবোৰ পঢ়া, শুনা বা কোৱা, সেইবোৰ যিসকলে সৃষ্টি কৰে তেখেতসকলৰ নামবোৰ কিন্তু নাজানা। এইটো বেয়া কথা। মই কালি এটা গুল নিজে সৃষ্টি কৰিছো! তোমাক কওঁ। কিন্তু মই সৃষ্টি কৰিছোঁ বুলি সকলোকে কবা। নহলে বৰ দুখ পাম। গুলটো হ'ল: ডেকা সোমাল চাহৰ হোটেলত। পোৱালিয়ে দিলে একাপ চাহ। কাপটো তুলিয়েই ডেকাই গৰ্জি উঠিল— "অই পোৱালি, কাপৰ কিনাৰত এয়া তামোলৰ পিকৰ দাগ কিয়? লৈ যা।"

পোৱালিয়ে কলে, "তামোলৰ পিকৰ দাগ নহয় বাবু, লিপষ্টিক।"

ডেকা শান্ত। "হয়নে কি? যা, আৰু একাপ আন।"





# অসম শক্তি মেলা ঃ গোলাঘাট ঃ ১৯৮৭

চতুৰ্থ দশকত যোৰহাটৰ কেইজনমান যুবকে শৰীৰ চৰ্চাৰ ক্ষেত্ৰত অসমৰ বাহিৰেও ভাৰতবৰ্ষত সুনাম অৰ্জন কৰিছিল। এই ডেকা কেইজনেই সদৌ অসম ভিত্তিত শক্তি পৰীক্ষা পতাৰ কথা চিন্তা কৰিছিল। ১৯৩৩ চন। শক্তি মেলা অধিবেশনৰ বাবে এখন অভ্যৰ্থনা সমিতি গঠন কৰা হ'ল। সভাপতি চন্দ্ৰধৰ বৰুৱা, সম্পাদক ৰামেশ্বৰ বৰা। সমিতিখনে গাঁৱে-নগৰে শক্তি মেলাৰ কথা প্ৰচাৰ কৰিলে। ৰাইজৰ পৰা দান-বৰঙণি সংগ্ৰহ কৰিলে, বাতৰি কাকতত শক্তি মেলা প্ৰতিযোগিতাৰ কথা প্ৰচাৰ কৰিলে। ১৯৩৪ চনৰ এপ্ৰিল মাহৰ ২৩, ২৪ আৰু ২৫ তাৰিখে সৰ্ব প্ৰথম শক্তি মেলা অধিবেশন যোৰহাটত অনুষ্ঠিত হয়। যামিনী কান্ত বৰাই ৩৬ ঘণ্টা ৩ মিনিট খোজ কাঢ়ি প্ৰথম স্থান পায়। মণিৰাম দাসে ১৬ ঘণ্টা ৪৫ মিনিট দৌৰি দৌৰ প্ৰতিযোগিতাত প্ৰথম স্থান পায়। কেশৱ চন্দ্ৰ দাসে ৫২ ঘণ্টা ২১ মিনিট ছাইকেল চলাই প্ৰথম স্থান পায়। সূৰ্য কান্ত ঢেকিয়াল ফুকনে ৭৮ ঘণ্টা ২১ মিনিটত ৩২০ মাইল খোজ কাঢ়ি প্ৰথম স্থান পায়। তিনি দিনৰ উখল-মাখলৰ পাছত শক্তি-মেলাৰ সামৰণি পৰিছিল। শক্তি মেলাক স্থায়ী কৰাৰ মানসে এখন শক্তিশালী কাৰ্যকৰী কমিটি গঠন কৰা হৈছিল। ৰাধাকান্ত সন্দিকৈ সভাপতি, দেবেন্দ্ৰ নাথ বেজবৰুৱা সম্পাদক আৰু কুলধৰ চলিহা, শৰৎ চন্দ্ৰ গোস্বামী আদি সমিতিখনৰ সদস্য আছিল। শক্তি মেলাখনৰ নামকৰণ কৰা হৈছিল 'সদৌ অসম শক্তি মেলা'।


দ্বিতীয় বাৰ্ষিক শক্তি মেলা ১৯৩৫ চনৰ ১৫, ১৬ আৰু ১৭ মাৰ্চত যোৰহাটতে অনুষ্ঠিত হয়। অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল দেবেন্দ্ৰ নাথ বেজবৰুৱা আৰু সম্পাদক আছিল তুলসী নাৰায়ণ শৰ্মা। সেইবাৰ খোজ কঢ়া প্ৰতিযোগিতাত ভগীৰাম হাজৰিকাই ৪০ ঘণ্টা ২৯ মিনিটত প্ৰথম-স্থান পাইছিল। দ্বিতীয়স্থান পাইছিল বিষ্ণুৰাম হাজৰিকাই। দৌৰ প্ৰতিযোগিতাত ১৭ বছৰীয়া যুবক প্ৰভাস চন্দ্ৰ কটকীয়ে প্ৰথম স্থান আৰু মানিক শৰ্মাই দ্বিতীয় স্থান পাইছিল। হৰিনচন্দ্ৰ মহন্তই ৬১ ঘণ্টা ৫৭ মিনিট ছাইকেল চলাই প্ৰথম আৰু যতিনাৰায়ণ শৰ্মাই দ্বিতীয়স্থান পাইছিল। মল্লযুদ্ধত কমৰুদ্দিন আহমেদ অদ্বিতীয় হৈ ৰৈছিল। ১৯৩৯ চনত যোৰহাট আৰু ১৯৪০ চনত ডিব্ৰুগড়ত তৃতীয় আৰু চতুৰ্থখন সদৌ অসম শক্তি মেলাৰ অধিবেশন অনুষ্ঠিত হৈছিল। অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল ৰাধাগোবিন্দ বৰুৱা। শিৱসাগৰ, নগাঁও আৰু গুৱাহাটীত শক্তি মেলাৰ পঞ্চম, ষষ্ঠ আৰু সপ্তম অধিবেশন হৈছিল। তাৰ পাছত স্বাধীনতা সংগ্ৰামৰ বাবে শক্তি মেলাখন সাময়িকভাৱে স্থগিত ৰাখিব লগীয়া হৈছিল। সেইযে স্থগিত ৰখা হ'ল, তাৰ পাছত যেন শক্তিমেলাৰ কথা পাহৰণিৰ গৰ্ভত লুকাই গল। শেষত গোলাঘাট জিলা ক্ৰীড়া সন্থাৰ জৰিয়তে, অসম ক্ৰীড়া আৰু যুৱকল্যাণ সঞ্চালকালয়ৰ সৌজন্যত, ১৯৮৭ চনৰ ২৫ আৰু ২৬ এপ্ৰিলত অসম শক্তি মেলাই আকৌ জনসাধাৰণৰ সন্মুখত আত্ম প্ৰকাশ কৰিলে।

১৯৮৭ চনৰ অসম শক্তি মেলাৰ অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল মহকুমাধিপতি কে. কে. মিত্তল, আৰু সম্পাদক আছিল বীৰেণ গগৈ। ড° লক্ষী বৰুৱা, উদয়কমল চেতিয়া, অজিত সিংহ, বীৰেণ শৰ্মা, ৰূপক দত্ত, হৰকান্ত বৰগোঁহাই আদি সদস্য আছিল। কাৰ্যসূচীত অন্তৰ্ভুক্ত কৰা খেলসমূহৰ ভিতৰত শক্তি উত্তোলন, আমন্ত্ৰণমূলক দেহশ্ৰী প্ৰতিযোগিতা, মাৰাথন দৌৰ, ভাৰোত্তোলন, সাঁতোৰ, ছাইকেল চলোৱা, সামূহিক দৌৰেই প্ৰধান আছিল। তৰ্ক প্ৰতিযোগিতা আৰু আলোচনা চক্ৰৰো আয়োজন কৰা হৈছিল।

২৬ এপ্ৰিল' ৮৭ ত পুৰস্কাৰ বিতৰণ আৰু সম্বৰ্ধনা সভা অনুষ্ঠিত হয়। গোলাঘাটৰ খেলুৱৈ হেৰল্ড চেংমা, ১৯৩৪ চনৰ সদৌ অসম শক্তি মেলাৰ অন্যতম সংগঠক বলিনাৰায়ণ বৰুৱা, আৰু ১৯৩৫ চনৰ দৌৰ প্ৰতিযোগিতাত প্ৰথম স্থান পোৱা প্ৰভাস চন্দ্ৰ কটকীক সম্বৰ্ধনা জনোৱা হয়।

অসম ক্ৰীড়া আৰু যুৱকল্যাণ সঞ্চালকালয়ে সঞ্জীৱ ৰানা, জয়ন্ত বৰুৱা, নবীন ডেকা, মৃণাল শইকীয়া, চন্দনা দত্ত. দেৱী বৰদলৈ, গতিমাই থাপা, বীণা ডিহিংগীয়া, দিলীপ ডেকা, মৃদুল দুৱৰা, উত্তম সন্দিকৈ, মিঠু বৰুৱা, অখিল গগৈ,

আমন্ত্ৰণমূলক 'মিষ্টাৰ কাজিৰঙা' দেহশ্ৰী প্ৰতিযোগিতা



এলভিচ হাজৰিকা, দীপজ্যোতি বৰুৱা, মানৱ ডেকা, অনুপম কোঁৱৰ, অভিজিত কাকতি, দীপজ্যোতি কলিতা, অনিন্দিতা গগৈ, অৰুনিমা ফুকন, জ্যোতি তৰা বৰঠাকুৰ, ৰাধা বৰুৱা, ঈপ্সিতা ৰাজখোৱা, পম্পা হাজৰিকা, জ্যোতি শৰ্মা আৰু চয়নিকা বৰদলৈক খেলাৰ যাৱতীয় সামগ্ৰী আৰু নগদ টকাৰে উৎসাহিত কৰে।

পূৰ্ণ বৰা

## ভাৰতীয় হকিৰ উন্নতিৰ বাবে: আছলাম শ্বেৰ খাঁৰ পৰামৰ্শ

প্ৰাক্তন অলিম্পিক হকি খেলুৱৈ আৰু বৰ্তমানে সংসদ সদস্য আছলাম শ্বেৰ খাঁই অলপতে কৈছে যে ভাৰতীয় হকিৰ উন্নতিৰ বাবে দেশৰ হকি-প্ৰশাসনৰ আমূল পৰিবৰ্তনৰ প্ৰয়োজন। তেওঁৰ মতে মাথোঁ ইয়াৰ দ্বাৰাইহে খেলুৱৈসকলৰ মনোবল পুনৰায় ঘূৰাই অনাটো সম্ভৱ। প্ৰশাসকসকলে যিমান পাৰে সা-সুবিধা ভোগ কৰিছে, কিন্তু বিনিময়ত তেওঁলোকে ভাৰতীয় হকিক একোকে দিয়া নাই। জিলাভিত্তিক নাইবা ৰাজ্যিক চেম্পিয়ন হৈ খেলুৱৈসকল আৰু কৰ্মকৰ্তাসকল আনন্দত আত্মহাৰা হৈ থাকে, অথচ আন্তঃৰাষ্ট্ৰীয় মানৰ খেলুৱৈ সৃষ্টি কৰাত কৰ্মকৰ্তাসকল সম্পূৰ্ণৰূপে ব্যৰ্থ। হকিৰ লগত জড়িত ব্যক্তিসকলে এই কথাটো পাহৰি যায় যে, "ৰাষ্ট্ৰীয় দলৰ পৰাজয়ৰ অৰ্থ হ'ল আমাৰ দেশৰ অপমান'।

প্ৰাক্তন অলিম্পিয়ান বেক আছলামৰ মতে এই অসহনীয় অৱস্থাৰপৰা পৰিত্ৰাণৰ এক মাত্ৰ উপায় হ'ল চৰকাৰে বৰ্তমানৰ ভাৰতীয় হকি ফেডাৰেশ্যন ভাঙি দি হকিৰ উন্নতিৰ বাবে বিশেষজ্ঞসকলক নিয়োগ কৰা। বিশেষজ্ঞ কমিটিয়ে স্বল্প ম্যাদী আৰু দীৰ্ঘম্যাদী আঁচনি লৈ কামত আগবাঢ়িব লাগিব। স্বল্পম্যাদী কমিটিৰ কাম হ'ব, অহা ছিউল অলিম্পিকৰ বাবে দল প্ৰস্তুত কৰা, আৰু দীৰ্ঘম্যাদী কমিটিয়ে উদীয়মান আৰু সম্ভাৱনাময় খেলুৱৈসকলৰ বাবে বিশেষ ধৰণৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰা। চৰকাৰে খেলৰ উন্নতি আৰু প্ৰচাৰৰ বাবে বিপুল অৰ্থ ব্যয় কৰে; গতিকে কোনো ফেডাৰেশ্যন নাইবা সংস্থা ঠিকমতে নিজ দায়িত্ব পালনত ব্যৰ্থ হ'লে চৰকাৰৰ অধিকাৰ আৰু দায়িত্ব থাকে সংশ্লিষ্ট অনুষ্ঠানটোক সঠিক পথত পৰিচালিত কৰাৰ।

## "ছাফ" গেমছৰ বাজেট ১ কোটি ৪৩ লাখ টকা

অহা নৱেম্বৰত কলিকাতাত অনুষ্ঠিত হবলগীয়া তৃতীয় দক্ষিণ এছীয় ফেডাৰেশ্যন (ছাফ) গেমছৰ বাজেট ১ কোটি ৪৩ লাখ টকা। কেন্দ্ৰীয় চৰকাৰে দিব ৫০ লাখ টকা। কেন্দ্ৰীয় মানৱ সম্পদ মন্ত্ৰী নৰসিংহ ৰাওক ষ্টিয়াৰিং কমিটিৰ চেয়াৰমেন পতা হৈছে। ভাৰত, পাকিস্তান, বাংলাদেশ, নেপাল, ভুটান, শ্ৰীলংকা আৰু মালদ্বীপৰ খেলুৱৈ আৰু কৰ্মকৰ্তাকে লৈ প্ৰায় এহেজাৰ প্ৰতিনিধিয়ে ইয়াত ভাগ লব। ১৭ৰ পৰা ১৯ নৱেম্বৰলৈকে কলিকাতাত অলিম্পিক কাউন্সিল অৱ এছিয়াৰ সভা অনুষ্ঠিত হ'ব। ৩৮ খন দেশৰ ১০০ গৰাকী প্ৰতিনিধিয়ে ইয়াত যোগদান কৰিব। তেওঁলোক 'ছাফ' গেমছৰ উদ্বোধন অনুষ্ঠানতো উপস্থিত থাকিব।

## প্লাটিনিয়ে অৱসৰ লব

ফ্ৰান্সৰ বিশ্বকাপ ফুটবল দলৰ অধিনায়ক মিছেল প্লাটিনিয়ে প্ৰফেশ্যনেল ফুটবলৰ পৰা অৱসৰ গ্ৰহণৰ



সিদ্ধান্ত লৈছে। উল্লেখযোগ্য যে তিনিবাৰৰ ইউৰোপীয়ান "ফুটবলাৰ অৱ দ্য ইয়াৰ" প্লাটিনিয়ে জুভেন্টাছ বনাম ব্ৰেছিয়াৰ মেচৰ পাছতেই অৱসৰ গ্ৰহণৰ কথা চৰকাৰীভাৱে ঘোষণা কৰাৰ কথা। নিৰ্ভৰযোগ্য বাতৰিত প্ৰকাশ,— অহা ১৬ জুনৰ দিনা ফ্ৰান্সৰ হৈ নৰৱেৰ বিপক্ষে ইউৰোপীয়ান চেম্পিয়নশ্বিপৰ মেচখনেই তেওঁৰ জীৱনৰ শেষ খেল হ'ব। প্লাটিনিয়ে যোৱা তিনিটা বিশ্বকাপত ফ্ৰান্সক প্ৰতিনিধিত্ব কৰিছিল। ১৯৮৪ চনত ইউৰোপীয়ান চেম্পিয়নশ্বিপত বিজয়ী ফ্ৰান্স দলৰ তেওঁ অধিনায়ক আছিল। ফ্ৰান্সৰ এই বিশ্ববিখ্যাত ফুটবল খেলুৱৈ গৰাকীয়ে দেশৰ হৈ ৭২ খন মেচ খেলিছে। ১৯৭৬ চনত চেকোশ্লোভাকিয়াৰ বিৰুদ্ধে তেওঁ জীৱনৰ প্ৰথমখন আন্তঃৰাষ্ট্ৰীয় মেচ খেলিছিল। প্লাটিনিয়ে জনাইছে যে, অৱসৰ গ্ৰহণ কৰি তেওঁ ব্যৱসায়ত আত্মনিয়োগ কৰিব আৰু মাদকদ্ৰব্যৰ বিৰুদ্ধে বিশ্বব্যাপী আন্দোলন গঢ়ি তুলিব।

## ছিডেক পৰিয়ালৰ ৰেকৰ্ড

বেইজিঙত অনুষ্ঠিত পঞ্চম বিশ্ব বেডমিণ্টন প্ৰতিযোগিতাত মালয়েছিয়াৰ ছিডেক পৰিয়ালৰ পাঁচগৰাকী ভাই-ককায়ে মালয়েছিয়াৰ হৈ অংশ গ্ৰহণ কৰি বিশ্ব-ৰেকৰ্ড স্থাপন কৰিছে। এই পাঁচগৰাকীৰ ভিতৰত মিছবুনৰ বয়স ২৭ বছৰ। তেওঁ এছীয় আৰু ইউৰোপীয় ছিংগলছ খিতাপ লাভ কৰিছে। আন দুগৰাকী ৰজিক আৰু জৈলানিয়ে ১৯৮২ চনত অল ইংলেণ্ড ডাবলছ খিতাপ পাইছে আৰু যোৱা ডিছেম্বৰত লাভ কৰিছে গ্ৰাঁ পি খিতাপ। এই পাঁচগৰাকী কৃতীপুত্ৰৰ পিতৃ হাজি ছিডেকে কৈছে, "মই গৰ্বিত, কিন্তু এই মুহূৰ্তত মই অলপ দুশ্চিন্তাত আছোঁ;—কিয়নো ৰমজানৰ কাৰণে এওঁলোকে ঠিকমতে অনুশীলন কৰিব পৰা নাই।" পাঁচ ভ্ৰাতৃৰ নাম হৈছে— মিছবুন, ৰজিক, জৈলানি, ৰহমান আৰু ৰছিদ।



## অলিম্পিক প্ৰফেশ্যনেল টেনিছ খেলুৱৈৰ বাবে মুক্ত: মিশ্ৰ প্ৰতিক্ৰিয়া

আন্তঃৰাষ্ট্ৰীয় অলিম্পিক কমিটিৰ সিদ্ধান্ত অনুযায়ী অহা ছিউল অলিম্পিকত প্ৰফেশ্যনেল টেনিছ খেলুৱৈয়ে অংশ গ্ৰহণ কৰিব পাৰিব। এই সিদ্ধান্তৰ ফলত প্ৰফেশ্যনেল খেলুৱৈসকলৰ মাজত মিশ্ৰ প্ৰতিক্ৰিয়াই দেখা দিছে। ছুইডেনৰ মেটছ উইলেণ্ডাৰে কৈছে যে, প্ৰফেশ্যনেল টেনিছ অলিম্পিকৰ অংশ নহয়; কিন্তু ইভান লেণ্ডল আৰু কেইগৰাকীমান খেলুৱৈয়ে কৈছে যে, তেওঁলোকে অলিম্পিকত অংশ গ্ৰহণ কৰিব। গোমেজ, এণ্ড্ৰু চেছনকোভেও অলিম্পিকত যোগদান কৰিব। মুঠতে ছিউল অলিম্পিকত ৬৪ গৰাকী পুৰুষ আৰু ৩২ গৰাকী মহিলা টেনিছ খেলুৱৈয়ে ভাগ লব।

লেণ্ডলে আ. অ. কমিটিৰ সিদ্ধান্তক প্ৰশংসা কৰি কৈছে যে খেলা ধূলাৰ প্ৰতিটো ক্ষেত্ৰতেই প্ৰফেশ্যনেল খেলুৱৈসকলক যোগদানৰ অনুমতি দিয়া উচিত; কিন্তু তেওঁৰ মতে অলিম্পিকৰ গঠনটো বৰ বিতৰ্কমূলক। ইউৰোপ আৰু কিউবাৰ এথলিটসকল মূলতঃ প্ৰফেশ্যনেল, কিন্তু তেওঁলোকক এমেচাৰ হিচাপে অলিম্পিকত ভাগ লবলৈ দিয়া হয়। ছোভিয়েট ইউনিয়নৰ খেলুৱৈ চেছনকোভে কৈছে, "খেলা-ধূলাৰ ক্ষেত্ৰত অলিম্পিকৰ এটা বিশেষ মৰ্যাদা আছে; গতিকে মই ইয়াত যোগদানৰ বাবে আগ্ৰহী।" একে ধৰণৰ কথা গোমেজেও কৈছে।

নাভ্ৰাটিলোভাই অলিম্পিকত অংশ গ্ৰহণ নকৰে। তাৰ কাৰণ হিচাপে তেওঁ কৈছে, "মোৰ যিটো বয়স— এই বয়সত ১৭ বছৰৰ কিশোৰী জাৰ্মানিৰ ষ্টেফিগ্ৰাফ আদিয়ে পদক লাভ কৰাৰ পথত মই বাধা স্বৰূপ হ'ব নোখোজোঁ।" ষ্টেফিগ্ৰাফে কৈছে যে তেওঁ উইম্বলডনতকৈ অলিম্পিকত অংশ গ্ৰহণ কৰিবলৈ অধিক আগ্ৰহী।

জন মেকেনৰোৰ মতে, "প্ৰফেশ্যনেল খেলুৱৈয়ে অলিম্পিকত যোগদান কৰা কথাটো সৰু ল'ৰা-ছোৱালীৰ মুখৰপৰা চকলেট কাঢ়ি লোৱাৰ নিচিনা কথা।" বৰিছ বেকাৰে কিন্তু অলিম্পিকত যোগদানৰ ইচ্ছা প্ৰকাশ কৰিছে। মাৰ্গাৰেট কোৰ্টৰ মতে, প্ৰফেশ্যনেল খেলুৱৈক অলিম্পিকত যোগদানৰ অনুমতি দিয়াৰ ফলত অলিম্পিকৰ মৰ্যাদা আৰু বৃদ্ধি পাব।

অলিম্পিকৰ নিয়ম অনুযায়ী কোনো পুৰস্কাৰ-ধন দিয়া নহ'ব, আৰু খেলুৱৈসকলৰ জাৰ্ছিত কোনো ধৰণৰ বিজ্ঞাপনৰ অনুমতি দিয়া নহ'ব। খেলুৱৈসকলৰ 'ড'প টেষ্ট' লোৱা হ'ব আৰু প্ৰফেশ্যনেল খেলুৱৈসকলক সাময়িকভাৱে 'এমেচাৰ'ৰ মৰ্যাদা দিয়া হ'ব।

পুলক লাহিড়ী

৩১ পৃষ্ঠাৰ পিছৰ পৰা

শিক্ষাৰ দুটা তত্ত্বৰ সংযোগ কৰিব পাৰি নেকি সেই উদ্দেশ্য লৈ প্ৰশ্নটো কৰিছিলো। মণ্টেছৰিৰ মতে জ্ঞানেন্দ্ৰিয়বোৰৰ প্ৰয়োগৰ দ্বাৰা অভিজ্ঞতা আহৰণেই শিক্ষাৰ আধাৰ। ধৰা, শিশুটোক কিউব (cube) আকৃতিৰ কাঠৰ টুকুৰাবোৰৰ ডাঙৰ এটাৰ ওপৰত তাতকৈ সৰু এটা জাপি জাপি দ'ল সাজিবলৈ লগোৱা হৈছে। ইয়াৰ দ্বাৰা শিশুৱে আপেক্ষিকভাৱে কোনটো ডাঙৰ বা কোনটো সৰু তাক চাই বাছি ল'ব পৰা অভিজ্ঞতা লাভ হৈছে। আন এটা শিক্ষাতত্ত্ব হ'ল, শিশুবোৰে সামূহিকভাৱে অংগসঞ্চালন কৰি তেওঁলোকৰ মাজত সহযোগিতাৰ প্ৰবৃত্তিৰ (co-ordination and co-operation faculties) উৎকৰ্ষ সাধন কৰা। সেয়েহে মই ৪-৫ জন শিশুৰে একেলগে দাঙিব-মেলিব পৰা কাঠৰ টুকুৰা দিয়াৰ কথা ভাবিছিলো।"

এবাৰ আকৌ পুৰা এদিন তেখেতৰ লগত কটোৱাৰ মোৰ সৌভাগ্য হৈছিল। তেতিয়া মোৰ পৰিবাৰ নগাঁও আৰু কাৰবি আংলং জিলাৰ হাইস্কুলৰ পৰিদৰ্শক হৈ আছিল। তেওঁৰ ওপৰত ভাৰ পৰিছিল ৰহাত সদৌ অসমৰ প্ৰাইমেৰি পৰ্যায়ৰ স্কুল পৰিদৰ্শকসকলৰ এখন কৰ্মশালা আয়োজন কৰাৰ। তাত তেতিয়াৰ ডি. পি. আই ডঃ ভূঞাই অংক বিষয়টোৰ শিক্ষাদানৰ কেনেকৈ মূল্যায়ন কৰিব পাৰি সেই সম্পৰ্কে জগতৰ নানা পণ্ডিতৰ মতামত আৰু নিজৰো পদ্ধতি আদি সম্পৰ্কে কৈছিল। সেইসময়ত ময়ো নগাঁৱত আছিলো। মোৰ বন্ধু সুৰেশ ৰাজখোৱা (D.D.P.I) আৰু গোপাল শৰ্মা বৰুৱাও (A.D.P.I) সেই কৰ্মশালালৈ গৈছিল। ডঃ ভূঞাই মোক পাই তেখেতৰ হৈ কেইটামান কথা কৰ্মশালাৰ এটা অংশত বুজাই দিবলৈ ক'লে। মই প্ৰথমে অলপ বিচলিত হৈছিলো, কাৰণ মোৰ তাত অংশ লবৰ কোনো অধিকাৰ নাছিল। আজিও সেই দিনটো এটা বৰ ভাল লগা দিন বুলিয়েই সুঁৱৰিছোঁ। ডঃ ভূঞা আমাৰ মাজত এনেভাৱে সোমাই পৰিছিল যে প্ৰাইমেৰি স্কুলৰ পৰিদৰ্শকসকলে পাহৰি গৈছিল যে তেখেত শিক্ষাবিভাগৰ মুৰব্বী। তেখেত পাছত মোৰ লগত একেলগে গাড়ীত নগাঁৱলৈ আহিছিল। বাটত তেখেতে বিলাতত থাকোঁতে পৰিসংখ্যা (statistics) বিজ্ঞানত নিজৰ এটা সিদ্ধান্ত প্ৰকাশ কৰাৰ কথা কৈছিল। এতিয়া সবিশেষ পাহৰিলো। কিন্তু তেতিয়া গম পাইছিলো যে সেইটো এটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত আছিল। মই সুধিছিলো, "ছাৰ, আপুনি পদাৰ্থ বিজ্ঞানৰ গৱেষণাহে কৰিছিল! পৰিসংখ্যা বিজ্ঞান কেনেকৈ আৰু কিয় চৰ্চা কৰিছিল। তেখেতে একো নকৈ সৰুকৈ হাঁহি এটা মাৰিছিল। ধীৰেন্দ্ৰনাথৰ (তেঁৰো সেই সময়ত বিলাতত আছিল) মুখে শুনিছিলো যে ছাৰে সকলো পি. এইচ. ডি.ৰ ছাত্ৰকে প্ৰায় সকলোবোৰ বিষয়তে দিহা-বুদ্ধি দিছিল। এদিন তেখেতে অসমৰ এগৰাকী প্ৰখ্যাত কবিৰ লগত কবিতাৰ দৰ্শনৰ বিষয়ে কথা পতাও শুনিছিলো।

[সমাপ্ত]

## এটা দুৰ্ঘটনা আৰু সামগ্ৰিক পৰিবেশ

সভ্যতা, সংস্কৃতি, শিক্ষা, অৰ্থনীতি আদি এক বিচিত্ৰ অৱস্থাত থকা ভাৰতত ৰাজনৈতিক বা অৰাজনৈতিক জন-সংগঠনত টকা-পইচা আৰু বাহুবলী লোকে (muscle man) গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি থকা ঘটনাটোক সংগঠনসমূহৰ নেতাসকলেই প্ৰয়োজনীয় বুলি গোপনে স্বীকাৰ কৰি আহিছে। একোখন গাঁৱৰ বা একোটাঅঞ্চলৰ অশিক্ষিত, অৰ্ধশিক্ষিত মানুহবোৰে কি পঢ়া-শুনা ভাল কৰি, বুদ্ধি-বাদ্ধি মেল-মিটিং, জন-সমাবেশ, নিৰ্বাচন আদিত যোগ দিব! কোনোবা এজন বলীয়ে— "অ'ই, তইঁত কাইলৈ ওলাবি। চবকে কৈ দিবি।" —বুলি কৈ যোৱাৰ লগে লগেই এইবোৰ মানুহৰ সিদ্ধান্ত লোৱাও হৈ যায়। বলীয়ে কৈছে যেতিয়া সেইমতেহে কৰি তেওঁলোকে অইন কি কৰিব? কোনোবাই যদি ভয়ে-ভয়ে কয়,—"হেৰি নহয়, অমুকে দেখোন এনেকৈহে কৈ গ'ল! আমি কাৰ কথা শুনো?" —তেনেহলে লগে লগে আমাৰ দেশৰ আচল ৰাজনীতি আৰম্ভ হৈ যায়। ঘটনাবোৰ টকা-পইচাৰ বলত বলীয়ান লোকেও আৰম্ভ কৰিব পাৰে, কিন্তু শেষ পৰ্যন্ত সেইবোৰৰ "ফয়চলা" কৰিবৰ কাৰণে বাহুবলী লোকৰো প্ৰয়োজন হয়।

শিক্ষিত আৰু ভবা-চিন্তা কৰিব পৰা লোকসকলৰো সকলো এই বলীসকলৰ প্ৰভাৱবপৰা মুক্ত হৈ থাকিব নোৱাৰে! অপমান, লাঞ্ছনা, প্ৰহাৰ আদিৰ চোক এওঁলোকৰ বাবে স্বাভাৱিকতে বেছি।

গতিকে, একোটা সংগঠনক বিৰাট আৰু শক্তিশালী কৰি তুলিবৰ বাবে এইখন দেশত সভ্যতা, সংস্কৃতি, শিক্ষা আদিৰ ওপৰত ভাৰসা কৰিব নোৱাৰি; প্ৰথমতে টকা-পইচা আৰু শেষ পৰ্যন্ত বাহুবলীৰ ওপৰত ভাৰসা "কৰিবই" লাগে! এইয়ে একেবাৰে তলৰ পৰ্যায়ত, অৰ্থাৎ গাঁও-চুবুৰী পৰ্যায়ত বাহুবলীসকলৰ অনুচিত কাৰ্য-কলাপ চলি থাকে, সেই কথা সংগঠনৰ নেতাসকলেও জানে। এই নেতাসকলৰ বহুতো সৎ লোক হ'ব পাৰে, অনুচিত-অসভ্য কাৰ্য-কলাপৰ প্ৰতি তেওঁলোকৰ সমৰ্থন নাথাকিব পাৰে; কিন্তু বাহুবলীসকলক দমন কৰিবলৈ বা বিসৰ্জন দিবলৈ তেওঁলোকৰ সাহসে নুকুলায়। তেনে কৰিলে সংগঠন ভাগি ডোখৰ-ডোখৰ হ'ব। ডোখৰ-ডোখৰ নহ'লহেঁতেন, যদিহে সংগঠনটো একেবাৰে তলৰ পৰ্যায়লৈকে মানুহক নীতি, কাৰ্যসূচী আৰু পন্থা সম্পৰ্কে বুজাই-বঢ়াই, পতিয়ন নিয়াই আকৃষ্ট কৰি গঢ়ি তোলা সংগঠন হ'লহেঁতেন। কিন্তু সিমানখিনি কৰিবলৈ আমাৰ ইমান সোপা সৎকৰ্মী ক'ত? সময় ক'ত? ভিতৰ গাঁৱৰ পঞ্চাছজন অবোধ মানুহক ট্ৰাকত তুলি মিটিঙলৈ অনাটো যিমান সহজ, তেওঁলোকৰ এজনক সংগঠনটো সম্পৰ্কে শিক্ষিত কৰাটো তাতকৈ বহুগুণে কঠিন কাম। প্ৰথমটো কাম কৰিবলৈ গাঁৱৰ মূৰ্খ বাহুবলী এজনেই যথেষ্ট, কিন্তু দ্বিতীয়টো কৰিবলৈ মানুহ ক'ত?

বাহুবলীসকলক অসন্তুষ্ট নকৰা বা বিসৰ্জন নিদিয়াৰ সপক্ষে একোটা "তাত্ত্বিক" ব্যাখ্যাও দাঙি ধৰা হয়। অসন্তুষ্ট কৰিলে বা বিসৰ্জন দিলে তেওঁলোকে সংগঠনৰ বিৰোধিতাতো কৰিবই, আনকি তেওঁলোক আৰু বেছি উগ্ৰপন্থী হৈ আৰু বেছি বেয়া পথলৈ যাব; দেশৰ আৰু বেছি অপকাৰ কৰিব। গতিকে তেওঁলোকৰ কামবোৰ নেদেখাৰ ভাও জুৰি থকাই ভাল; সেইবোৰ কোনোবা দুষ্কৃতিকাৰী, সমাজ বিৰোধী লোকৰ কাম বুলি বিবৃতি দি থকাই ভাল। দলৰ যুৱক-সংগঠনটোক ৰক্ষণাবেক্ষণ দিবলৈ ভূতপূৰ্ব প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীয়েও তাকে কৰিছিল, পশ্চিম বংগতো এতিয়াও তাকে কৰা হয়। (বৰ্তমানৰ প্ৰধান মন্ত্ৰীয়ে শেষ পৰ্যন্ত কৈছে: বৰ্তমানৰ ৰাজনীতিৰ ভিত্তি দেহবল আৰু ধনবল। মই ইয়াৰ বিৰুদ্ধে যুঁজ দিবলৈ দৃঢ় প্ৰতিজ্ঞ। ২৩।৫।৮৭)।

দেশখনৰ সামগ্ৰিক পৰিস্থিতিটো যেতিয়া এনেকুৱা, তেতিয়া অসমৰ ক্ষেত্ৰত কথাবোৰ বেলেগ হ'ব বুলি ভাবিবলৈ টান। কিন্তু অসমৰ অত্যধিক জটিল অৱস্থানলৈ চাই বেলেগ হোৱা উচিত বুলি ভাবিবলৈ আৰম্ভ কৰিব লাগে। অন্ততঃ "অৰাজনৈতিক, বৃহৎ, শক্তিশালী" সংগঠন সদৌ অসম ছাত্ৰসন্থাৰ নিচিনা সংগঠনৰ ক্ষেত্ৰত; —এই সংগঠনটোৰ সকলো সদস্য পঢ়া-শুনা জনা লোক কাৰণে; তেওঁলোকৰ বয়সত মানুহৰ টকা আৰু ক্ষমতাৰ থক থাকিব নালাগে কাৰণে।

এজন সদস্যৰ গৰ্হিত কাম সম্পৰ্কে এই সংগঠনটোৰ শীৰ্ষস্থানীয় নেতা দুগৰাকীয়ে দিয়া এটা বিবৃতিৰ দুটা বাক্য হ'ল: "এনে কাৰ্যকলাপক ছাত্ৰসন্থাই প্ৰশ্ৰয় দিয়াৰ প্ৰশ্নই নুঠে। উক্ত সদস্যজনৰ কাৰ্যকলাপ সদৌ অসম ছাত্ৰসন্থাৰ সত্তা আৰু পৰিচয়ৰ প্ৰতিয়েই অপমান।" (বাতৰি কাকতৰ পৰা লোৱা।) এই দুটা বাক্য কেতিয়া উচ্চাৰণ কৰিবলগীয়া আছিল? ১৯৭২ চনত? ১৯৭৪, '৭৯, '৮০, '৮১, '৮২··· '৮৭ চনত? যিমানে সঘনে ইয়াৰ দ্বিতীয় বাক্যটো উচ্চাৰিত হ'লহেঁতেন, সিমানেই সংগঠনটোৰ উপকাৰ হ'লহেঁতেন। (প্ৰথম বাক্যটো সাধাৰণ, দ্বিতীয় বাক্যটো নিৰ্দিষ্ট। Specific.) এনে বাক্য উচ্চাৰণ কৰিবলৈ ৪৬ লাখ টকীয়া বেংক ডকাইতিলৈ বাট চাব নালাগে। (অন্য ভাষাত কবলৈ গলে, ৪৬ লাখ টকীয়া বেংক ডকাইতিৰ পাছত এই বাক্যটো উচ্চাৰণ নকৰাকৈ থকাৰ উপায় ক'ত? এতিয়া এইষাৰ কথা নকলে আৰু ক'বা কেতিয়া?)

অসমৰ ৰাজনৈতিক পৰিস্থিতিৰ লগত ওতপ্ৰোতভাৱে জড়িত হৈ পৰা শক্তিশালী, বৃহৎ, অৰাজনৈতিক অনুষ্ঠান কাৰণে, সংগঠনটোৰ নেতাসকলে যেন গভীৰভাৱে এই কথাখিনি চিন্তা কৰি চায়। হঠাতে এটা বেংক ডকাইতি হ'ল, হঠাতে খবৰ ওলাল,— সদৌ অসম ছাত্ৰ সন্থাৰ সদস্য এজনো ঘটনাটোত জড়িত; তেতিয়া মানুহে হায়-হায়, ছি-ছি কৰিলেহেঁতেন; লাখ-লাখ যুৱকৰ মাজত এনেকুৱা দুই-এজন থাকেই —বুলি সন্থাটোৰ প্ৰতিহে সহানুভূতি প্ৰকাশ কৰিলেহেঁতেন। বাটে-ঘাটে, অফিচে-কাছাৰীয়ে, ক্লাছৰুমে-পৰীক্ষাই, উৎসৱে-ফাংচনে যুৱকসকলৰ ভাবমূৰ্তিটো মোটামুটিভাৱে গ্ৰহণযোগ্য হৈ থকা হ'লে, এইটো ঘটনাক দেশখনৰ অইন দহটা ডকাইতিৰ এটা বুলিয়েই ধৰিলেহেঁতেন। কিন্তু দুখৰ কথা, যিটো ভাবমূৰ্তি এচাম যুৱকে ৰাস্তাত গাড়ী ৰখাই জোৰকৈ পইচা আদায় কৰাৰ পৰা আৰম্ভ কৰি হঠাতে একোটা অঞ্চলত বন্ধ ঘোষণা কৰালৈকে কৰি গঢ়ি তুলিছে, তাৰপৰা বহুতৰ ধাৰণা হৈছে— এই ডকাইতিৰ ঘটনাটোও সামগ্ৰিক "পেটাৰ্ন"টোৰ এটা বিন্দুহে। দহ টকা আৰু ৪৬ লাখ টকাৰ মাজৰ পাৰ্থক্যটো পৰিমাণৰহে! চৰিত্ৰৰ পাৰ্থক্য কিমান?

এই প্ৰচণ্ড জোকাৰণিটোক এটা ডাঙৰ সুযোগ বুলি গ্ৰহণ কৰা উচিত; —সুসন্তান বিদ্যাৰ্থীৰ বিৰাট সংগঠন এটা মোটামুটিভাৱে নিকা কৰাৰ সুযোগ বুলি।

২৪।৫।৮৭






OKDISCD